ASSAM LEGISLATIVE ASSEMBLY DEBATES

(2)

OFFICIAL REPORT

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TWELFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

No. 18

The 2nd April, 2008

Price Rs. : 366.00

CONTENTS

BUDGET SESSION

No. 18

Dated, the 2nd April, 2008

		Page
1.	Questions and Answers	1-127
2.	Miscellaneous	128
3.	Discussion on Zero Hour Matter	129-161
4.	Matter Under Rule 301	162-169
5.	Consideration and Passing of Government Bill	170-172
7.	Presentation of Report	173-175
8.	Observation by the Speaker	176
9.	Adjournment	177
10.	Annexure I–XXXIV	178-1240

* * * * *

DEBATES OF THE
ASSAM LEGISLATIVE ASSEMBLY

Wednesday, the 2nd April, 2008.

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.

STARRED
QUESTIONS AND ANSWERS
(To which oral replies were given)

Mr. Speaker : Now, Starred Question No. 321, Hon'ble Member, Shri Mission Ranjan Das.

Subject : Agriculture College at Karimganj.

Shri Mission Ranjan Das asked :

* 321. Will the Minister of Agriculture be pleased to state :-

(a) Whether the Govt. will consider to start an Agriculture College in the complex of Akbarpur Agriculture and Rice Research Centre in Karimganj Dist. in view of long standing public demand ?

(b) If so, from when it will be started please state it in detail ?

(c) If not state reasons thereof ?

Smti. Pramila Rani Brahma (Minister Agriculture and WPT & BC, Assam) replied :

(a) At present, the Government has no plan to open an Agriculture College in the complex of Akbarpur Agriculture and Rice Research Centre in Karimganj District.

(b) Does not arise.

(c) Since there are large number of Agricultural Graduates who are awaiting for employment for last several years there is no plan at present to open new Agricultural College in the State.

* শ্রীমিশ্বন ৰঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়াই মোৰ প্রশ্নৰ উত্তৰ দিছে আৰু 'এ'ত কৈছে— At present the Government has no plan to open an Agriculture College in the complex of Akbarpur Agriculture and Rice Research Centre in Karimganj district. আৰু 'ডি'ত কৈছে— "Since there are large number of Agricultural Graduates who are awaiting for employment for last several years there is no plan at present to open new Agricultural College in the State...." ১৯৯১ চনৰ পৰাই মই এই প্রশ্ন কৰিছিলো। যিহেতু আমাৰ বাজেট ১০ মার্চত উত্থাপন কৰা হ'ল, তাৰ আগতেও প্রশ্ন কৰিছিলো। বাজেটত অসমত ২০০৮-০৯

* Speech not corrected

চনত এখন কৃষি কলেজ স্থাপন কৰিব বুলি কোৱা হৈছিল। কিন্তু ইয়াত চি'ৰ উত্তৰত কৈছে ইমান কৃষি গ্ৰেজুৱেট আছে তেওঁলোকে চাকৰি পোৱা নাই সেই কাৰণে নতুন কলেজ বনোৱা নহয়। তেতিয়াহ'লে বাজেটত এইটো ভুৱা নেকি? অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়াৰ পৰা জানিব বিচাৰিছো। আমি কৰিমগঞ্জত এখন কৃষি কলেজ দিবৰ কাৰণে দাবী কৰি আহিছো। এই কৃষি কলেজ কৰিমগঞ্জত স্থাপন কৰাৰ ব্যৱস্থা কৰিব নেকি?

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য মিশ্বন ৰঞ্জন দাস ডাঙৰীয়াই যিটো কথা কৈছে বাজেটত ধুবুৰীত এখন কৃষি কলেজ স্থাপনৰ সিদ্ধান্ত লোৱা হৈছিল। ধুবুৰীৰ পিছত কৰিমগঞ্জত লোৱাৰ কোনো প্ৰশ্ন নুঠে। আমাৰ এগ্ৰিকালচাৰ গ্ৰেজুৱেটসকলে চাকৰিৰ বাবে বাট চাই আছে। আৰু কলেজ খুলিলে তেওঁলোকৰ বাবে আন এমপ্লয়মেণ্টৰ সৃষ্টি কৰা হ'ব। গতিকে অকল ধুবুৰীতে স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে।

* **শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত উল্লেখ নাই।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী মহোদয়াই আপোনাক কলেজ হ'ব নে নহ'ব উত্তৰত কৈছে।

* **শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰীত হ'ব আৰু কৰিমগঞ্জত নহ'ব এইটো নহয়। মই কৈছো কৰিমগঞ্জত এখন কৃষি কলেজ স্থাপনৰ বাবে মন্ত্ৰী মহোদয়াই বিবেচনা কৰিব নেকি?

---

* Speech not corrected

* **শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিবেচনা আছে। মাননীয় সদস্যজনে যিটো কৈছে ধুবুৰীত স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে, তাৰ পৰা উঠাই কৰিমগঞ্জত লোৱা নহ'ব।

* **শ্রীমিশ্বন ৰঞ্জন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো বাজেটত দিছে, ধুবুৰীত যদি হয় কৰিমগঞ্জত কিয় নোৱাৰে? (হুলস্থূল....)

মাননীয় অধ্যক্ষ ঃ শ্রী আনোৱাৰুল হক।

Shri Anowar ul Hoque : Sir, I would urge to do something for the people of Barak Valley. There is no earthly reason why an agricultural college cannot be established at Karimganj. The answer given by Hon. Minister does not satisfy us as regards the establishment of an agricultural college. Sir, I would say that in the research centre adequate land is available. If such an agricultural college is established here, there will be no dearth of land. Some sort of parity has to be maintained in the matter of establishment of such a college. If unemployment of agricultural graduates does not come in the way of establishment of an agricultur ' college at Dhubri, why the unemployment should be shown as a reason for not establishing a college at Karimganj ?

মাননীয় অধ্যক্ষ ঃ এইটোৰ ৰিপ্লাই মন্ত্রীয়ে দিছে। শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা।

---

* Speech not corrected

* শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ আপুনি নিজে চাওক ছাৰ, উত্তৰ 'চি'টো চাওক। আপুনিয়ে কওক ছাৰ ৰিসংগতিপূর্ণ হয় নে নহয়? (হুলস্থূল)

* শ্রীদ্রুপদ বৰগোহাঁই ঃ অধ্যক্ষ মহোদয়, এইটো শিক্ষা সংকোচনৰ নীতি হৈছে।

* শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ মাননীয় অধ্যক্ষ মহোদয়, 'চি'টো উঠাই ল'ব লাগিব। কৃষিৰ ক্ষেত্রত চৰকাৰ ব্যর্থ হৈছে বুলি কওঁক।

Mr. Speaker : Now, Starred Question No. 322. Hon'ble Member, Shri Mohibul Hoque.

বিষয় ঃ ৰাজহ সংগ্রহ।

মোঃ মহিবুল হুকে সুধিছে ঃ

* ৩২২। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসমত সর্বমুঠ কিমানটা চৰকাৰী আৰু বেচৰকাৰী বিল আছে?

(খ) এই বিলসমূহৰ পৰা চৰকাৰে কিমান ৰাজহ প্রতি বছৰে সংগ্রহ কৰি আছে?

(গ) প্রতি মাহে ৰাজ্যখনত কিমান মাছৰ চাহিদা আছে আৰু ইয়াৰে কিমান মাছ ঘৰুৱাভাৱে উৎপাদিত হৈ আছে?

(ঘ) অৱশিষ্ট মাছখিনি ক'ৰ পৰা আমদানি হৈ আছে?

(ঙ) ধুবুৰী জিলাত সর্বমুঠ কেইখন চৰকাৰী আৰু কেইখন বেচৰকাৰী বিল আছে?

(চ) জিলাখনৰ চাহিদা অনুযায়ী মাছ উৎপাদন হৈ আছেনে?

---

* Speech not corrected

(ছ) জিলাখনত মাছ খেতি কৰাৰ কি ব্যৱস্থা চৰকাৰে হাতত লৈছে?

(জ) গৌৰীপুৰ সমষ্টিত মৎস্য উৎপাদনৰ কি ব্যৱস্থা চৰকাৰে চলিত বছৰটোত লৈছে?

শ্রীনুৰজামাল সৰকাৰ (মীন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত ৩৮৫ খন পঞ্জীয়নভূক্ত বিল আৰু ৯০২ খন অন্য বিল আছে।

(খ) প্রাপ্ত তথ্য মতে অসম মীন উন্নয়ন নিগমৰ অধীনত থকা ১৮৪ খন পঞ্জীয়নভুক্ত বিলৰ পৰা ২০০৭-০৮ বছৰৰ বাবে ১৭-৩-২০০৮ তাৰিখলৈকে মুঠ ২,২৬,০৮,৮৫০ টকা (দুই কৌটি চাব্বিশ লাখ আঠ হাজাৰ আঠশ চৌৱন) ৰাজহ সংগ্রহ হৈছে আৰু অন্যান্য পঞ্জীয়নভুক্ত বিলৰ পৰা বছৰি প্রায় ১,০৫,০০,০০০ (এক কৌটি পাঁচ লাখ টকা) সংগ্রহ হয়।

(গ) প্রতি মাহে ৰাজ্যখনত প্রায় ১৬,৩৫০ মেট্রিক টন মাছৰ চাহিদা আছে। ইয়াৰে ঘৰুৱাভাৱে গড়ে প্রায় ১৫,০০০ মেট্রিক টন মাছ উৎপন্ন হয়।

(ঘ) অৱশিষ্ট মাছখিনি ৰাজ্যৰ বাহিৰৰ পৰা যেনে— অন্ধ্রপ্রদেশ, বিহাৰ, পশ্চিমবঙ্গ, উত্তৰ প্রদেশ আদি ৰাজ্যৰ পৰা সৰবৰাহ হৈ আছে।

(ঙ) ধুবুৰী জিলাত ৩৯ খন চৰকাৰী পঞ্জীয়নভুক্ত, ৮৪ খন অন্য বিল আছে।

(চ) নাই। জিলাখনত মাছৰ বছৰি চাহিদা প্রায় ১৮,০০০ মেট্রিক টনৰ বিপৰীতে প্রায় ১৪,৭০০ মেট্রিক টন মাছ উৎপাদন হয়।

(ছ) জিলাখনত মাছখেতি কৰাৰ বাবে তলত উল্লেখ কৰা ব্যৱস্থাসমূহ হাতত লোৱা হৈছে —

(১) কৃষি সামর্থ্যবর্দ্ধক প্রকল্পৰ অধীনত ব্যক্তিগত আৰু ৰাজহুৱা পুখুৰী উন্নয়ন।

(২) ৰাজহুৱা পতিত জলাশয়সমূহৰ উন্নতিকৰণ।

(৩) অসম কৃষি সামর্থ্যবর্দ্ধক প্রকল্প আৰু ATMAৰ অধীনত মীন পালকৰ প্রশিক্ষণ আঁচনি।

(৪) নদী সমূহৰ পৰা গুণগত মাছ পোনা সংগ্রহ কৰি মীনপালক সকলৰ মাজত বিতৰণ কৰা হয়।

(জ) গৌৰীপুৰ সমষ্টিত মৎস্য উৎপাদনৰ বাবে লোৱা ব্যৱস্থাসমূহ হৈছে —

(১) অসম কৃষি সামর্থ্যবর্দ্ধক প্রকল্পৰ জৰিয়তে আদাবাৰী, শলমাৰী আৰু কছাৰী হাতত মীন পালকৰ সংহত পুখুৰীৰ উন্নয়নৰ ব্যৱস্থা।

(২) অসম কৃষি সামর্থ্যবর্দ্ধক প্রকল্পৰ জৰিয়তে কছাৰীহাট গাওঁত গাহৰি আৰু মীন পালনৰ ব্যৱস্থা।

(৩) NREGAৰ জৰিয়তে বিল, পুখুৰীৰ উন্নয়ন সাধন কৰা হৈছে।

(৪) পতিত জলাশয় উন্নয়ন আঁচনিৰ অধীনত হাতীখোলা বিলৰ উন্নয়ন সাধন কৰা হৈছে।

(৫) SCCPৰ অধীনত মীন পালকৰ পুখুৰী উন্নয়ন।

* **শ্রীমহিবুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে মোৰ এটা প্রশ্নৰ উত্তৰত ৰাজ্যখনত প্রায় ১৬,৩৫০ মেট্রিক টন মাছৰ চাহিদা আছে বুলি কৈছে, অর্থাৎ আমদানি কৰা হয় বুলি কৈছে। কিন্তু প্রতি

---

* Speech not corrected

মাহে ১৩৫০ মেট্রিকটন মাছৰ কম চাহিদা আমি পূৰণ কৰিব পৰা নাই। তাৰ কাৰণে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে আৰু ধুবুৰী জিলাত ৩৯ খন চৰকাৰী পঞ্জীভুক্ত মীন বিল আছে, এই মীন বিলবিলাক উন্নত কৰাৰ কাৰণে চৰকাৰে কি আঁচনি হাতত লৈছে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীনুৰজামাল সৰকাৰ (মীন মন্ত্ৰী) ঃ মাননীয় সদস্যগৰাকীৰ প্ৰশ্নৰ উত্তত মই জনাব বিচাৰিছোঁ যে বৰ্তমান অসমত চাহিদা অনুপাতে মাছৰ উৎপাদন কম। মাছৰ উৎপাদন বৃদ্ধিৰ বাবে মীন বিভাগৰ তৰফৰ পৰা বিভিন্ন আঁচনি হাতত লোৱা হৈছে। ইয়াৰ ভিতৰত পৰিত্যক্ত জলাশয়বিলাক উন্নয়ন কৰি বৈজ্ঞানিক পদ্ধতিৰে মাছ পালনৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত মীন পালক উন্নয়ন সস্থাৰ যোগেদি উন্নত পদ্ধতিৰে মীন পালনৰ ব্যৱস্থা কৰা হৈছে। লগতে মীন পালকসকলক আধুনিক মীন পালন সম্পৰ্কে প্ৰশিক্ষণ দিয়া হৈছে। বৰ্তমানলৈকে প্ৰায় ৬০০ জন মীন পালকক প্ৰশিক্ষণ দিয়া হৈছে। ইতিমধ্যে প্ৰায় ৯০.৮ হেক্টৰ মাটিত পুখুৰী খন্দাৰ ব্যৱস্থা কৰা হৈছে। ২০০৮ চনৰ পৰা ২০১০ চনৰ ভিতৰত ৰাষ্ট্ৰীয় নিশ্চিত নিয়োগ আঁচনিৰ জৰিয়তে পঞ্চায়ত পৰ্য্যায়ত পুখুৰী খন্দাৰ কাম চলি আছে। এই পুখুৰীসমূহ উন্নত মীন পালনৰ ক্ষেত্ৰলৈ পৰিৱৰ্তনৰ ব্যৱস্থা কৰি থকা হৈছে।

* **শ্ৰীমহিবুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই (জ)ত এটা প্ৰশ্ন সুধিছিলো যে গৌৰীপুৰ সমষ্টিত মাছ উৎপাদনৰ কাৰণে কি ব্যৱস্থা চৰকাৰে

---

* Speech not corrected

চলিত বছৰটোত লৈছে? মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ে ইয়াত যিখিনি উত্তৰ দিছে, সেইখিনিৰ আধাৰত মই কৈছো যে ইয়াত উত্তৰ দিছে ধুবুৰী সমষ্টিৰ কথা। মই কৈছিলো গৌৰীপুৰ সমষ্টিৰ কথা।

মাননীয় অধ্যক্ষ মহোদয়, (জ) নংত উত্তৰটো আছে। এই জাগাবিলাক ধুবুৰী সমষ্টিৰ জাগা। ইয়াৰ উত্তৰত কৈছে 'এনৰেগা' আঁচনিৰ কথা। মাননীয় অধ্যক্ষ মহোদয়, 'এনৰেগা' আঁচনি আমাৰ জিলাখনলৈ যোৱাই নাই। কেনেকৈ এইটো হ'ল মই ধৰিব পৰা নাই। এনেকুৱা হ'লে প্রশ্ন কৰা বা নকৰা একে কথা হয়। মাননীয় অধ্যক্ষ মহেদয়, এই কথাটো তদন্ত কৰিলে ভাল হয়।

মাননীয় অধ্যক্ষ ঃ ঠিক আছে হ'ব। মাননীয় মন্ত্রী, আপুনি আপোনাৰ অফিচত অলপ 'ষ্ট্রিক' অর্ডাৰ দিব যাতে আগলৈ এনেকুৱা ঘটনা আৰু নহয়।

*** শ্রীগিৰীন্দ্র কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী সকলৰ ১০০ শতাংশই দায়িত্ব আছে। কৃষি মন্ত্রীয়ে ইয়াত শুদ্ধকৈ উত্তৰ দিব পৰা নাই, মীনমন্ত্রীয়ে শুদ্ধকৈ উত্তৰ দিব পৰা নাই। মাননীয় মন্ত্রী তাৰ কাৰণে দায়ী। (সদনত হুলস্থূল, কাৰো কথা শুনা নাযায়।)

*** শ্রীমহিবুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্রতি মিনিটত প্রশ্নৰ পৰা ১০,০০০ টকা খৰচ কৰা হয়। গতিকে এনেকুৱা ধৰণৰ উত্তৰ হ'লে বৰ পৰিতাপৰ কথা।

মাননীয় অধ্যক্ষ ঃ এতিয়া শ্রীঘন বুঢ়াগোহাঁই।

*** শ্রীঘন বুঢ়াগোহাঁই ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিশেষভাৱে মই এটা কথা

---

* Speech not corrected

মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব খুজিছো। আমাৰ অসমত ৩৮৫ খন পঞ্জীভুক্ত বিল আছে আৰু ৯০২ খন অন্য বিল আছে। আমাৰ লক্ষীমপুৰ জিলা আৰু ধেমাজী জিলাত যথেষ্ট বিল আছে। এই বিলৰ মাছবিলাক বৰ সোৱাদ। এই বিলৰ মাছবিলাক যিয়ে খাবলৈ পাইছে, ইয়াৰ সোৱাদ কোনেও পাহৰিব নোৱাৰে। কিন্তু অলপ দিনৰ আগৰ পৰা দেখিবলৈ পাইছো যে ধেমাজী আৰু লক্ষীমপুৰ বজাৰত এই সোৱাদৰ মাছ পাবলৈ নাইকিয়া হৈছে। আজি হায়দৰাবাদ আৰু কানপুৰৰ পৰা মাছ অসমলৈ আহিছে। এই মাছৰ কোনো সোৱাদ নাই। এই সোৱাদৰ মাছবিলাক ক'ত গ'ল এই মাছবিলাক নাগালেণ্ড আৰু অৰুণাচললৈ বিক্রীৰ বাবে গৈছে। মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্রী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে এই সোৱাদৰ মাছবিলাক অসমৰ পৰা বাহিৰলৈ নিয়াৰ ব্যৱস্থা আছে নেকি?

* **শ্রীনুৰজামাল সৰকাৰ (মীন মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ পৰা যে বাহিৰলৈ মাছ যায়, এই কথাটো সঁচা। এই ক্ষেত্রত মই চাম আৰু বিহিত ব্যৱস্থা ল'ম।

* **শ্রীপদ্ম হাজৰিকা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ৩৮৫ খন পঞ্জীয়নভুক্ত বিল আৰু ৯০২ খন অন্য বিল আছে। এই বিলসমূহ উন্নয়নৰ কাৰণে পদক্ষেপ লোৱা বুলি কৈছে। শোণিতপুৰ জিলাত যি কেইখন বিল আছে সেই বিল কেইখন উন্নয়নৰ কাৰণে কিবা পদক্ষেপ লোৱা হৈছে নেকি? যদি পদক্ষেপ লৈছে এতিয়ালৈকে কিমানখন বিলৰ উন্নয়ন কৰা হৈছে। যিবিলাক বিল শোণিতপুৰ

---

* Speech not corrected

জিলাত মীন সমবায় সমিতি সমূহক লিজত দিয়া হৈছে সেই বিলসমূহৰ মাটি বেদখলৰ কবলত পৰিছে। তেখেতৰ সমষ্টিতো এনেকুৱা বিল আছে। বেদখলকাৰীয়ে লিজত দিয়া মীন মহলসমূহক ধমকি দিয়ে আৰু তেওঁলোকে থানাত এফ,আই,আৰ দাখিল কৰাৰ পিচতো কোনো ব্যৱস্থা লোৱা হোৱা নাই। গতিকে মীন সমবায় সমিতি সমূহক সুৰক্ষা দিয়াৰ ক্ষেত্ৰত আৰু মাছ উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত ব্যৱস্থা ল'ব নেকি?

* **শ্ৰীনুৰজামাল সৰকাৰ (মীন মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মীন বিভাগৰ দ্বাৰা বিল সমূহৰ উন্নয়নৰ ব্যৱস্থা কৰা হৈছে। লেচী আৰু মীনপালক সমবায় সমিতিসমূহক বেঙ্কৰ জৰিয়তে সহজ আৰু কম সুদৰ হাৰত ঋণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। বিলসমূহত বেদখল সম্পৰ্কীয় কোনো তথ্য বৰ্তমান বিভাগৰ হাতত নাই।

* **শ্ৰীপ্ৰণৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে মাছৰ উৎপাদন সম্পৰ্কত বহুত আলোচনা কৰা হৈছে। তথাপি মই বেছি দিঘলীয়া নকৰি দুটামান কথা সুধিব বিচাৰিছো। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ উপৰিও বাহিৰৰ দেশৰ পৰাও অসমলৈ মাছ আহে। থাইলেণ্ডৰ পৰা মাগুৰ মাছ, বাংলাদেশৰ পৰা ইলিছ মাছ, জাপানৰ পৰা কাৰৈ মাছ, চীনৰ পৰা পুঠি মাছ আদি আমাৰ অসমলৈ আহে। মাছৰ কিছুমান ব্যৱসায়ীয়ে বাহিৰৰ পৰা অহা এই মাছ লোকেল মাছ বুলি বিক্ৰী কৰে। এনেকৈয়ে কিছুমান মাছৰ ব্যৱসায়ীয়ে ৰাইজক ঠগাই আছে। যিহেতু জাপান বা চীনৰ পৰা একেদিনাই গুৱাহাটীলৈ মাছ আহিব

* Speech not corrected

নোৱাৰে সেয়েহে এই মাছবিলাক চিনাক্তকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে আৰু মাছৰ বজাৰখন নিয়ন্ত্রণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

শ্রীনুৰজামাল সৰকাৰ (মীন মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, থাইলেণ্ডৰ পৰা মাণ্ডৰ মাছ আমদানিৰ ক্ষেত্রত কেন্দ্রীয় চৰকাৰে বাধা আৰোপ কৰি ব্যৱস্থা লৈছে। মাছ বিক্রীদাৰ সকলে স্থানীয় পৌৰ প্রশাসন বিভাগৰ পৰা যাৱতীয় লাইচেন্স আদি ল'ব লাগে। খাদ্যৰ অনুপযোগী মাছ চিনাক্তকৰণ আৰু বজাৰত ইয়াক নিয়ন্ত্রণ কৰাৰ বিষয়ে চিন্তা-চর্চা কৰি থকা হৈছে।

Mr. Speaker : Now, Starred Question No. 323. Questioner Hon'ble Member, Dr. Aditya Langthasa.

বিষয় ঃ খিলঞ্জীয়া লোকসকলৰ ভাষা-সংস্কৃতি।

ডাঃ আদিত্য লাংথাচাই সুধিছে ঃ

* ৩২৩। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসমৰ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠী আৰু জনজাতিসকলৰ ভাষা-সংস্কৃতি, গীত-মাত আদিৰ বিকাশ আৰু সংৰক্ষ । বাবে চৰকাৰে বিগত পাঁচ বছৰত কি কি ব্যৱস্থা লৈছিল জনাবনে?

(খ) উক্ত বিষয়বোৰৰ ওপৰত চৰকাৰী পৃষ্ঠপোষকতাত অধ্যয়ন আৰু গৱেষণাৰ ব্যৱস্থা আছেনে?

শ্রীগৌতম বৰা (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) চৰকাৰে সাংস্কৃতিক সঞ্চালকালয়ৰ যোগেদি বিগত পাঁচ বছৰত অসমৰ বিভিন্ন সাংস্কৃতিক কেন্দ্রসমূহৰ যোগেদি অসমৰ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠী আৰু জনজাতিসকলৰ ভাষা-সংস্কৃতি, গীত-মাত আদিৰ বিকাশ আৰু সংৰক্ষণৰ বাবে বিভিন্ন ব্যৱস্থা লৈছিল। যেনে— **সোণাৰি ক্ষেত্রত**- টাই লোক নৃত্য। **গৌৰীপুৰত**- মিচিং, বিহু, গোৱালপৰীয়া নৃত্য-গীত, **ছিপাঝাৰত**- মিচিং লোকনৃত্য-গীত, চেওঁ চাপৰি বড়ো লোকনৃত্য, দেওধনি, ঢেপাঢোল। **জাগীৰোডত**- তিৱা লোক নৃত্য, বৰগীত, নাট কৰ্মশালা। **মাজুলীত**- বড়ো, ৰাভা, মিচিং, দেউৰী নৃত্য-গীত, সত্রীয়া শিশু সমাৰোহ। **ডিব্রুগড়ত**- চাহ জনজাতীয় লোক নৃত্য-গীত, বাটৰ নাট, চাহ জনজাতি ভাষাত নাট কৰ্মশালা। **ডুমডুমাত**- চাহ জনজাতীয় লোক নৃত্য, ভাস্কর্য্য কৰ্মশালা। **নাৰায়ণপুৰত**- দেউৰী, মিচিং লোক নৃত্য কৰ্মশালা। **দুধনৈত**-ৰাভা, বড়ো, সত্রীয়া নৃত্য কৰ্মশালা। **ধেমাজীত**- মিচিং, সত্রীয়া নৃত্য, নাট্য কৰ্মশালা। **গোলাঘাটত**- মিচিং নৃত্য কৰ্মশালা, **জ্যোতি ভাৰতীত**- জ্যোতি সংগীত, বড়ো নৃত্য-গীত, বৰগীত। **হাইলাকান্দিত**- ধামাইল নৃত্য-গীত কৰ্মশালা। **নগাঁৰত**- বড়ো, ৰাভা, সত্রীয়া নৃত্য সাজসজ্জা, ভোৰতাল কৰ্মশালা। **কোকৰাঝাৰত**- বড়ো, মিচিং, ৰাভা নৃত্য-গীতৰ কৰ্মশালা। **তামুলপুৰত**- কোচ ৰাজবংশী, বড়ো নৃত্য-গীতৰ কৰ্মশালা। **বিজনীত**- কুশান, সত্রীয়া নৃত্য, কামৰূপী লোকগীতৰ কৰ্মশালা। **জাগীৰোডত**- বৰগীত কৰ্মশালা, নাট কৰ্মশালা, তিৱা লোকনৃত্য, বিষ্ণু ৰাভা গীতৰ কৰ্মশালা আৰু তিৱা সমাৰোহ। **ওডালগুৰিত**- চাওতালী নৃত্য-গীত, সত্রীয়া, মিচিং, বড়ো, নেপালী নৃত্য-গীতৰ কৰ্মশালা। **বৰপেটাত**- ৰুদ্র বৰুৱাৰ গীতৰ প্রশিক্ষণ, হোলী

গীত, সত্রীয়া নৃত্য-গীতৰ কর্মশালা। **নসত্রত**- সত্রীয়া নৃত্য-গীত, দেৱদাসী, আধুনিক গীত, লোক সংগীত আৰু বিহু নৃত্য কর্মশালা। **শিমলুগুৰিত**- বিহু নৃত্য আৰু ঢোল বাদন প্রশিক্ষণ। **যোৰহাটত**- নাট কর্মশালা, ডিমাছা লোক নৃত্য-গীত, খোল বাদন, বৰগীত, বিহু, সত্রীয়া নৃত্যৰ প্রশিক্ষণ আৰু অংকীয়া ভাওনা, নৃত্য পর্ব, জ্যোতি জন্ম শতবর্ষ আৰু বিষ্ণু ৰাভা দিৱস উদ্‌যাপন কৰা হয়। **ছয়গাঁৱত**- সত্রীয়া নৃত্য, শিশু নাট, বিহু নৃত্য, কামৰূপী লোকগীত, আবৃত্তি, বৰগীত, ৰাভা নৃত্য-গীতৰ কর্মশালা। **জামুগুৰিহাটত**- ভাওনা সমাৰোহ, সত্রীয়া নৃত্য-গীতৰ কর্মশালা। **মধুপুৰত**- সত্রীয়া নৃত্য, থিয়নাম, ভোৰতাল, বৰগীতৰ কর্মশালা। **তিতাবৰত**- বিহু নৃত্য, দিহা নাম, আইনাম, ঢোলবাদন, বিয়া নাম, লোকগীত, জিকিৰ আৰু সত্রীয়া নৃত্যৰ কর্মশালা। **শিৱসাগৰত**- নাট কর্মশালা। **বৰদোৱাত**- সত্রীয়া নৃত্য, বৰগীত, লোকগীত, খোল বাদনৰ কর্মশালা। **সৰুপথাৰত**- সত্রীয়া নৃত্য, লোকগীত, সৃজনশীল নৃত্য-গীতৰ কর্মশালা। **বকোত**- ৰাভা নৃত্য, সত্রীয়া নৃত্য, বৰগীত, বড়ো লোক নৃত্যৰ কর্মশালা। **টাই মিউজিয়ামত**- টাই লোক নৃত্য কর্মশালা। **শিলচৰত**- জ্যোতি সংগীত আৰু ৰবীন্দ্র সংগীতৰ কর্মশালা।

ইয়াৰোপৰিও সাংস্কৃতিক সঞ্চালকালয়ে প্রতি বছৰে অসমৰ বাহিৰত অংশ গ্রহণ কৰি অহা আন্তঃৰাষ্ট্রীয় বাণিজ্য মেলা, আন্তঃৰাজ্যিক বিনিময় আঁচনি (I.I.T.F. & ISCEP)ত সত্ৰীয়া, বিহু, বড়ো, তিৰা, কুশান আদি লোক সংগীতৰ উপৰিও খিলঞ্জীয়া জনগোষ্ঠী তথা জনজাতীয় শিল্পীসকলৰ নৃত্য-গীত পৰিবেশন কৰি অহা হৈছে।

(২) গণতন্ত্র দিৱস প্রতীক পটত থলুৱা খিলঞ্জীয়া জনজাতীয় নৃত্য-গীত প্রদর্শন কৰি অহা হৈছে।

(৩) E.Z.C.C. আৰু N.E.Z.C.C. আমন্ত্ৰণ মৰ্মে সাংস্কৃতিক সঞ্চালকালয়ৰ ফালৰ পৰা থলুৱা খিলঞ্জীয়া জনজাতীয় নৃত্য-গীত প্ৰদৰ্শন কৰা হয়।

(৪) প্ৰত্যেক বছৰে অনুষ্ঠিত কৰি অহা অসম দিৱস (চু-কা-ফা), শিল্পী দিৱস, বিষ্ণু ৰাভা দিৱস, গণতন্ত্ৰ দিৱসৰ উপৰিও শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠানত খিলঞ্জীয়া নৃত্য-গীতৰ অনুষ্ঠান অনুষ্ঠিত কৰি অহা হৈছে।

(৫) ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত 'ৰূপালীম' নাটখন বড়ো ভাষাত উপস্থাপন কৰা হৈছে।

(খ) শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰই যোৱা ৫ বছৰত অসমৰ বিভিন্ন জনগোষ্ঠীৰ পৰম্পৰাগত ৰীতি-নীতি, সংস্কৃতি, জীৱন ধাৰণৰ পদ্ধতি, সামাজিক ব্যৱস্থা, ধৰ্মীয় ৰীতি-নীতি আদিৰ ওপৰত তথ্য সংগ্ৰহৰ কাম কৰি আহিছে। ইতিমধ্যে ৩৭টা জনগোষ্ঠীৰ তথ্য সংগ্ৰহৰ প্ৰাথমিক পৰ্যায়ৰ কাম সম্পূৰ্ণ কৰা হৈছে। সেই জনগোষ্ঠীসমূহ হ'ল—

উত্তৰ কাছাৰ পাৰ্বত্য জিলা আৰু কাৰ্বি আংলঙ জিলাৰ ডিমাছা, কাৰ্বি, জেমি নগা, কুকি, মাৰ, ৰাংখল, ভেইপে, বিয়াটে, খেলমা, ৰংমেই, পানাৰ (জয়ন্তীয়া) আদি।

বৰাক উপত্যকাৰ হিন্দু বঙালী, বঙালী মুছলমান, কাছাৰৰ বৰ্মন (ডিমাছা), ৰিয়াং, মণিপুৰী (মেইটেই), বিষ্ণুপ্ৰিয়া মণিপুৰী, ৰংমেই নগা আদি।

উজনি অসমৰ আহোম, সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, মটক, মৰাণ, চিংফৌ, মিচিং, দেউৰী, টাইফাকে, তাংচা আদি।

নামনি অসমৰ কোঁচ-ৰাজবংশী, কোঁচ, বড়ো, ৰাভা (ৰাংদানি আৰু মৈতেৰি), পাতি ৰাভা, গাৰো, নাথ, আদিবাসী (চাওতাল), হাজং আদিয়েই বিশেষভাৱে উল্লেখযোগ্য।

তদুপৰি ভৈয়াম কাৰ্বি আৰু তিৰাসকলৰো তথ্য সংগ্রহৰ কাম কৰা হৈছে। অসমত আৰু কৰিবলৈ বাকী থকা জনগোষ্ঠীসমূহৰ তথ্য সংগ্রহৰ কাম এই বছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে প্রয়াস কৰা হৈছে। অডিঅ', ভিডিঅ' আৰু স্থিৰচিত্র মাধ্যমেৰে এই তথ্য সংগ্রহ কৰাৰ উপৰিও গৱেষক কৰ্মীৰ দ্বাৰা মৌখিক আলোচনাৰ জৰিয়তে ইংৰাজী আৰু অসমীয়া ভাষাত লিপিবদ্ধ কৰা হৈছে। তথ্য সংগ্রহৰ কাম শেষ হোৱাৰ লগে লগে সেইসমূহ ইণ্টাৰনেট আৰু ছপা মাধ্যমেৰে প্রচাৰ আৰু প্রসাৰৰ বাবে প্রেৰণ কৰা হ'ব।

বৰ্তমানলৈ বিভিন্ন কলাসম্মত সাংস্কৃতিক তথ্যসমূহ সংগ্রহ কৰাত এচাম গৱেষকে সহায়-সহযোগিতা আগবঢ়াইছে।

* **ডাঃ আদিত্য লাংথাছা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্নৰ উত্তৰত ইয়াত গীত-মাত, নৃত্য আদিৰ কৰ্মশালা আদি পতাৰ কথা কৈছে। ভাষা সম্পৰ্কত যিবিলাক ব্যৱস্থা ল'ব লাগে সেই ক্ষেত্রত কেনেকুৱা ধৰণৰ ব্যৱস্থা লোৱা হৈছে? আমাৰ অসমত বিভিন্ন ভাষা-কৃষ্টিৰ মানুহ আছে। টাই আহোম, বড়ো, ডিমা[illegible], তিৰা আদি বিভিন্ন ভাষা মিলি অসমৰ সাংস্কৃতিক বৈশিষ্ট্য চহকী কৰি তুলিছে। অসমত অসম সাহিত্য সভাৰ বাহিৰেও বড়ো সাহিত্য সভা, তিৰা সাহিত্য সভা আদি বিভিন্ন অনুষ্ঠান আছে। কিন্তু অসমৰ বিভিন্ন খিলঞ্জীয়া

---

* Speech not corrected

জাতি-জনজাতি লোকৰ ক্ষেত্ৰত যিবিলাক ভাষা-সাহিত্য, লোক-সংস্কৃতি আছে সেইবিলাক ক্ৰমান্বয়ে চৰ্চা নোহোৱা হৈ আছে আৰু অকালতে মৰহি যাবলৈ ধৰিছে। এই ক্ষেত্ৰত চৰকাৰে যি ব্যৱস্থা লৈছে সেইটো যথেষ্ট নহয়। সংস্কৃতিৰ লগে লগে ভাষাৰ উন্নতি সাধন কৰাতো চৰকাৰৰ কৰ্তব্য আছে। গতিকে চৰকাৰে ভাষাৰ উন্নতি সাধন কৰাৰ ক্ষেত্ৰত পদক্ষেপ ল'ব নেকি? শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰত অস্থায়ীভাৱে যিখিনি কৰ্ম্মশালা আদি পতা হৈছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো। কিন্তু স্থায়ীভাৱে অসমৰ থলুৱা খিলঞ্জীয়া লোকসকলৰ গীত-মাত, ভাষা-সংস্কৃতি সংৰক্ষণ কৰিবৰ কাৰণে ব্যৱস্থা কৰিব নেকি?

শ্ৰীগৌতম বৰা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য আদিত্য লাংথাছা ডাঙৰীয়াই যিটো প্ৰশ্ন কৰিছে ভাষা-সংস্কৃতিৰ ওপৰত ভাষা সাহিত্য সেইটো আমাৰ বিভাগৰ নহয়, ভাষা সাহিত্য শিক্ষা বিভাগে চায়। অসমৰ বিভিন্ন জনগোষ্ঠীৰ যিবিলাক কৃষ্টি সেইবিলাক জীয়াই ৰখাৰ বাবে আমি প্ৰয়াস কৰি আহিছো। আমি পাহাৰ-ভৈয়ামৰ সকলো কৃষ্টিৰে সমন্বয়ৰ সাঁকো গঢ়িব বিচাৰিছো, বিভিন্ন জনগোষ্ঠীৰ যিবিলাক স্বকীয় কৃষ্টি সেইবিলাক জীয়াই ৰাখিবৰ কাৰণে ভিডিঅ' ৰেকৰ্ডিং কৰাৰ ব্যৱস্থা কৰিছো যাতে প্ৰতিটো জনগোষ্ঠীয়ে বেলেগ বেলেগ কৃষ্টি আহৰণ কৰিব পাৰে। উদাহৰণস্বৰূপে, ডিমাছা নৃত্য পাহাৰত চলে যদিও যোৰহাটৰ ল'ৰা-ছোৱালীয়ে ডিমাছা ভাষাত গীত গাই নৃত্য পৰিবেশন কৰিব পাৰে, গতিকে আমি ইয়াৰ দ্বাৰা সমন্বয়ৰ সেঁতু গঢ়িব বিচাৰিছো।

---

* Speech not corrected

তেখেতে স্থায়ী অনুষ্ঠান গঢ়ি তোলাৰ কথা কৈছে কিন্তু বিভিন্ন জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ প্ৰায়ে স্থায়ী অনুষ্ঠান আছে তাৰোপৰি ক্লাববিলাক আছে আমি সেই অনুষ্ঠানবিলাকক সহায় কৰি থাকো, যিবিলাক জনগোষ্ঠীৰ কোনো প্ৰশিক্ষণৰ ব্যৱস্থা নাই তেওঁলোকৰ কাৰণে আমি প্ৰশিক্ষণৰ ব্যৱস্থাও কৰিছো।

* **ড° অলকা শর্মা ঃ** অধ্যক্ষ মহোদয়, বৰ্ত্তমান বিশ্বায়নৰ যুগত আমাৰ যিবিলাক খিলঞ্জীয়া জনগোষ্ঠীৰ গীত-মাত বা অন্য সংস্কৃতি সেইবিলাক লাহে লাহে লুপ্ত হ'ব ধৰিছে। গতিকে অতি সোনকালে ডকুমেণ্টেচনৰ ব্যৱস্থা কৰিব লাগে তাৰ কাৰণে ভিতৰুৱা অঞ্চলত গৈ জ্যেষ্ঠ লোকসকলক লগ ধৰি তেওঁলোকৰ লগত কথা-বতৰা পাতি তাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ বিভাগে ভিতৰুৱা অঞ্চল ঢুকি পোৱা নাই। এই ক্ষেত্ৰত পৰম্পৰাগতভাৱে যিবিলাক সম্ভ্রান্ত মহিলা তেওঁলোকৰ ভূমিকাকো লক্ষ্যত ল'ব লাগে। তাৰ ব্যৱস্থা কৰিবলৈ মন্ত্রী মহোদয়ক অনুৰোধ জনালো।

শ্রীগৌতম বৰা (মন্ত্রী) ঃ মাননীয়া সদস্যা ডঃ অলকা শর্মাৰ যিটো প্রশ্ন সেই প্রশ্নৰ উত্তৰ মই (খ) প্রশ্নৰ উত্তৰত দিছো। আমি ৩৭টা জনগোষ্ঠীৰ তথ্য সংগ্রহৰ প্রাথমিক পর্যায়ৰ কাম সম্পূর্ণ কৰিছো আৰু আমি অসমৰ বিভিন্ন ভিতৰুৱা অঞ্চললৈ মানুহ পঠিয়াই তেওঁলোকৰ মৌখিক বা অন্য মাধ্যমৰ আলোচনাও বাণীবদ্ধ কৰিছো। সেইবিলাকৰ ভিডিও ৰেকর্ডিংও কৰা হৈছে। তাৰ কাৰণে বহুত গৱেষণাকর্ম্মী ভিতৰুৱা অঞ্চলত যায়। কোনো জনগোষ্ঠীকে আমি হেয় কৰা

---

* Speech not corrected

নাই। অসমৰ সকলোবিলাক জনগোষ্ঠীক লৈ আমি সমন্বয় গঢ়াৰ প্ৰচেষ্টা অব্যাহত আছে।

* **শ্ৰীযোচেফ টপ্পো ঃ** অধ্যক্ষ মহোদয়, অসমত যেনেকৈ এটা সময়ত বিহুনৃত্যৰ পয়োভৰ হয় ঠিক তেনেকৈ ভাদ মাহত চাহ জনগোষ্ঠীৰ লোকৰ মাজত ঝুমুৰ নৃত্যই প্ৰাদুৰ্ভাৱ লাভ কৰে। গতিকে অন্য সংস্কৃতিক যেনেকৈ চৰকাৰী পৃষ্ঠপোষকতাত ৰাজহুৱা স্থানত পৰিবেশন কৰা হয়, তেনেকৈ ভাদ মাহত সেই ঝুমুৰ নৃত্যক ৰাজহুৱাভাৱে পৰিবেশন কৰাৰ ব্যৱস্থা কৰিব নে?

শ্ৰীগৌতম বৰা (মন্ত্ৰী) ঃ আমাৰ শংকৰদেৱ কলাক্ষেত্ৰত সকলো জনগোষ্ঠীৰ গীত-মাত পৰিবেশন কৰাৰ ব্যৱস্থা আছে। তাত ভিতৰুৱা অঞ্চলৰ অখ্যাত শিল্পীসকলক মাতি আনি গীত-মাত পৰিবেশনৰ ব্যৱস্থা কৰি দিয়া হয়। চাহ জনগোষ্ঠীৰ ভাদমাহৰ এই ঝুমুৰ নৃত্যক সেই সময়ত চৰকাৰীভাৱে পৰিবেশন কৰিব পাৰি নেকি বিবেচনা কৰি চাম।

* **শ্ৰীৰাজীৱ লোচন পেগু ঃ** অধ্যক্ষ মহোদয়, মহাপুৰুষসকলৰ দিনৰ অংকীয়া ভাওনা অসমীয়া কৃষ্টিৰ সমন্বয় সেঁতু আগতে এই ভাওনা সকলোবিলাক নামঘৰতে পৰিবেশন কৰিছিল। কিন্তু বৰ্ত্তমান ইয়াৰ জনপ্ৰিয়তা কমি গৈছে। গতিকে ইয়াৰ ওপৰত কৰ্মশালাৰ ব্যৱস্থা কৰিব নেকি? চৰকাৰী পৃষ্ঠপোষকতাত অংকীয়া ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পাৰি নেকি? শংকৰদেৱ কলাক্ষেত্ৰত সকলো জনগোষ্ঠীৰে সাংস্কৃতিক তথ্য সংগ্ৰহৰ ব্যৱস্থা কৰা হৈছে, কিন্তু চাহ

---

* Speech not corrected

জনগোষ্ঠী আৰু চুতীয়া জনগোষ্ঠীৰ কথা উল্লেখ নাই, তাৰ ব্যৱস্থা কৰিব নেকি?

* **শ্রীকৰেন্দ্র বসুমতাৰী ঃ** খিলঞ্জীয়া জনগোষ্ঠী বুলি ক'লে বড়ো, ৰাভা, মিছিং, মিকিৰ, হাচং সকলো পৰে। তেওঁলোকৰ কাৰণে বেলেগ সাংস্কৃতিক সঞ্চালকালয় কৰিব নেকি? সোনাপুৰত থকা প্রকল্পটোত বড়ো ভাষাও লিপিবদ্ধ কৰিব নেকি?

শ্রীগৌতম বৰা (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্রশ্নবিলাকৰ এটা এটাকৈ উত্তৰ দি যাম— মাননীয় সদস্য শ্রীৰাজীৰ লোচন পেগু ডাঙৰীয়াই অংকীয়া ভাওনাৰ কথা কৈছে আৰু আজিকালি অংকীয়া ভাওনাৰ আদৰ কমি যোৱা বুলি কৈছে কথাটো সঁচা। এই ভাওনা জীয়াই ৰাখিবৰ কাৰণে আমি জামুগুৰিত ভাওনা সমাৰোহ পাতিছো চৰকাৰী পৃষ্ঠপোষকতাত। কিন্তু এই ক্ষেত্রত আমাৰ সত্রাধিকাৰসকলে বিশেষকৈ উত্তৰ কমলাবাৰী সত্রৰ সত্রাধিকাৰ জনার্দ্দন প্রভুৱে ভাওনাসমূহ চৰকাৰী পৃষ্ঠপোষকতাত পাতিলে তাৰ কিছু বাধ্যবাধকতা থাকি যায় বুলি আশংকা প্রকাশ কৰিছিল। সেই কাৰণে চৰকাৰী পৃষ্ঠপোষকতাত নকৰি আমি তাৰ কাৰণে গ্রাণ্ট ইন এইড দিওঁ যাতে এই অনুষ্ঠানবিলাক জীয়াই থাকে। বিভিন্ন জনগোষ্ঠীৰ কাৰণে এটা বেলেগ সঞ্চালকালয় কৰিব লাগে বুলি কৈছে। কিন্তু কিয় বেলেগে লাগে বুজিব পৰা নাই। আমি কোনো কৃষ্টিকে বাদ দিয়া নাই। যোৱা ২১ ফেব্রুৱাৰী তাৰিখে ভূপালত যাওঁতে তাত যোগ দিবৰ কাৰণে কার্বি নৃত্যকে আৰম্ভ কৰি সকলো

---

* Speech not corrected

জনগোষ্ঠীৰ নৃত্য-গীতক লৈ গৈছো, সৰু-ডাঙৰ কোনো কৃষ্টিকে হেৰাই যাব দিয়া নাই। গতিকে আৰু বেলেগ সঞ্চালকালয়ৰ প্ৰয়োজনীয়তা বোধ কৰা নাই। লাংথাছা ডাঙৰীয়াই কোৱাৰ দৰে পাহাৰ-ভৈয়ামৰ সকলো জনগোষ্ঠীকে আমি এডাল এনাজৰীৰে বান্ধি ৰখাৰ ব্যৱস্থা কৰিছো। মহাপুৰুষ শংকৰদেৱৰ আৰু সকলো জনগোষ্ঠীৰে সকলো সংস্কৃতি অধ্যয়নৰ কাৰণে উত্তৰ পূৰ্বাঞ্চলৰ কাৰণে সোনাপুৰত এটা সাংস্কৃতিক প্ৰকল্প কৰাৰ সিদ্ধান্ত লোৱা হৈছে। অৱশ্যে এইটো জনজাতি পৰিক্ৰমা বিভাগেহে কৰিব।

* **শ্ৰীশৰৎ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, মই নিজে চুতীয়া সন্মিলনৰ সভাপতি। মন্ত্ৰী মহোদয়ে ৩৭টা জনগোষ্ঠীৰ সংস্কৃতি অধ্যয়নৰ ব্যৱস্থা কৰা হৈছে বুলি কৈছে, কিন্তু তাৰ পৰা চুতীয়া বাদ পৰিছে। ১২২৮ খৃষ্টাব্দতে চুতীয়া জনগোষ্ঠীৰ আবিৰ্ভাৱ হয়। চাওলাং চুকাফাৰ কথা আজি সৰ্বভাৰতে জানে, চুতীয়াসকলৰ ভাষাও অসমীয়া। চুতীয়াসকলক বাদ দি অসমীয়া জাতি থাকিব নোৱাৰে। অসমীয়াৰ বিহু ৰিহা-মেখেলা গামখাৰু, দুগদুগী এইবিলাক সকলো চুতীয়া সকলৰ সৃষ্টি, তেনেকুৱা জাতি এটা যদি বাদ পৰি যায় তেনেহ'লে সমন্বয়ৰ কথা ক'ৰ পৰা আহিব? শ্ৰীমতী হেমপ্ৰভা শইকীয়ানী মন্ত্ৰী হৈ থকাৰ পৰা আমি এই কথাবিলাক উত্থাপন কৰি আহিছো, গতিকে এওঁলোকক বাদ দিয়া কথাটোত আমি দুখ পাইছো, মন্ত্ৰী মহোদয়ক চুতীয়াকো সামৰি ল'বলৈ অনুৰোধ জনালো।

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** চুতীয়া কৃষ্টিটো কিয় বাদ দিছে?

---

* Speech not corrected

* **শ্রীৱলিন চেতিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী ডাঙৰীয়াই তিনিচুকীয়াৰ মৰান, মটক আদি গোষ্ঠীক এৰাই চলাৰ কথা কৈছে।

* **শ্রীগৌতম বৰা (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কোনো জনগোষ্ঠীক বাদ দি কলা-সংস্কৃতি জীয়াই ৰাখিব নোৱাৰো।

Mr. Speaker : Now, Starred Question No. 324. Hon'ble Member, Dr. Alaka Sarma.

Subject : Implementation of NREGA.

Dr. Alaka Sarma asked :

* 324. Will the Minister of Panchayat and Rural Development be pleased to state :-

(a) Whether the Panchayat & Rural Development department proposes to implement a clause under NREGA whereby each card holder is required to open on account, where the daily wages of the labourer is deposited ? If not why ?

(b) Is it a fact that under NREGA, the labour capital ratio is to be maintained as 60 : 40 ?

(c) If so, at what level should this ratio be maintained ? i.e. for every scheme undertaken ? Or a GP level, or block level, district level or State of Assam as a whole ?

(d) Whether the department has set any norms for juding the volume of earth work against the no. of labourers ?

---

* Speech not corrected

Shri Chandan Brahma (Minister of Panchayat & Rural Development Department) replied :

(a) Yes. As per the guideline of NREGA, the wages of the workers should be made through Bank Accounts/Post Office Accounts although it is not mandatory.

(b) Yes. Wages – 60% and materials – 40%.

(c) Ratio should preferably be maintained at G.P. level, Block level and District level and not necessarily by schemewise.

(d) Yes. The amount for the volume of work for a particular piece of work is calculated on the basis of the approved rate adopted in the estimate and accordingly wages are paid to the worker for that amount of the work.

* **ড° অলকা শর্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্রশ্নটো হৈছে যে এনৰেগা আঁচনিৰ জৰিয়তে প্রকৃত শ্রমিকসকলে যে পইচা পাইছে সেইটো নহয়। মটৰ বাইকত অহা বহুতে শ্রমিকৰ পইচা লৈ গৈছে। এনৰেগা আঁচনিখন এখন খুব ভাল আঁচনি হৈছে যদিও প্রকৃত শ্রমিকে কাম কৰি টকা পোৱা নাই। বেংক একাউণ্ট খুলি নিদিয়াৰ বাবে এনে হ'বলৈ পাইছে। গতিকে মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো যে অনতিপলমে বেংক একাউণ্ট খুলি দিব লাগে যাতে শ্রমিকসকলৰ মজুৰিৰ ধন তাত জমা হয়।

আৰু এটা প্রশ্ন হৈছে যে লেবাৰ কেপিটেল ৰেচিঅ'টো ৬০/৪০ কৰিব লাগে আৰু জি, পি লেভেলত মেইনটেইন কৰিব

---

* Speech not corrected

লাগে আৰু লেবাৰ কেপিটেল ৰেচিঅ'টো ৬০/৪০ হিচাপে কৰিব লাগে। তেতিয়াহে গোটেই কামবিলাক কৰিব পৰা হ'ব। দেখা গৈছে এনৰেগা আঁচনিৰ যোগেদি যিমান টকা খৰচ কৰা হৈছে সিমান কাম হোৱা নাই। অসমত ইমানবিলাক সমস্যা থকা স্বত্বেও এনৰেগাৰ দৰে ভাল আঁচনি এখন থকা স্বত্বেও কাম হোৱা নাই। গতিকে মাননীয় মন্ত্রী মহোদয়ক ইয়াৰ ওপৰত বিশেষ ব্যৱস্থা ল'বলৈ অনুৰোধ জনালো।

* **শ্রীচন্দন ব্রহ্ম (মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এনৰেগা আঁচনিখন সফলভাৱে ৰূপায়ণ কৰিবৰ কাৰণে আমি যথেষ্ট চেষ্টা কৰিছো। ইয়াৰ ট্রেন্সপাৰেঞ্চিৰ ওপৰত নজৰ ৰখা হৈছে আৰু ইয়াৰ ওপৰত মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ যি নির্দ্দেশ আছে আমি আখৰে আখৰে পালন কৰিম। মাননীয়া বাইদেউৱে যিটো কথা কৈছে। শ্রমিক সকলৰ মজুৰিৰ টকা বেংক একাউণ্টত জমা কৰিবৰ কাৰণে বেংক একাউণ্ট খোলাটো বাধ্যতামূলক কৰিম। আৰু ৬০/৪০ ৰেচিঅ' কৰাটোৰ বিষয়ে পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে। আন্তঃগাঠনিৰ ওপৰত নজৰ ৰখা হৈছে। এনৰেগা আঁচনিখন ভাল আঁচনি বুলি সকলোৱে স্বীকাৰ কৰিছে। এই আঁচনিখন সফলভাৱে ৰূপায়ণ কৰিবৰ কাৰণে সকলোৱে আগবাঢ়ি আহিলে সহায়ক হ'ব। কিছু কিছু ক্ষেত্রত আঁচনিখনত আসোঁৱাহ ন থকা নহয়। এই সংক্রান্তত মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াৰ যি আদেশ আৰু পৰামর্শ আছে আমি সেইমতে কাম কৰি আছো। শ্রমিকসকলৰ মজুৰি বঢ়োৱাৰ কথা চিন্তা কৰা হৈছে যাতে দৰিদ্র সীমাৰেখাৰ তলত বসবাস কৰি থকা

* Speech not corrected

সকলক ওপৰলৈ আনিব পৰা যায়। গতিকে এই আঁচনিখন সফলভাৱে ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সকলোৱে সহায়ৰ হাত আগবঢ়াব বুলি মই আশা কৰিলো।

* **ড° অলকা শর্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী ডাঙৰীয়াই আন্তঃগাঠনিৰ ওপৰত গুৰুত্ব দিয়া হৈছে বুলি কৈছে। যদি ৰেজ আৰু মেটাৰিয়েল ৬০/৪০ নকৰাকৈ আন্তঃগাঠনিৰ ওপৰত বেছি গুৰুত্ব দিয়া হয় তেতিয়াহ'লে আন্তঃগাঠনিৰ যি মহান উদ্দেশ্য আছে সি সম্পূর্ণ-ভাৱে ব্যর্থ হ'ব। গতিকে ৬০/৪০ কৰাটো বাধ্যতামূলক কৰা হ'ব বুলি মাননীয় মন্ত্রী মহোদয়ে নিশ্চিতভাৱে কওক, তেতিয়াহে আমাৰ সকলোৰে মঙ্গল হ'ব।

* **শ্রীচন্দন ব্রহ্ম (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়া বাইদেউৰ প্রশ্নটোৰ উত্তৰত মই জনাব বিচাৰিছো যে এই বিষয়টো পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে।

* **ডাঃ কমলা কান্ত কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুটা কথাত মাননীয় মন্ত্রী ডাঙৰীয়াৰ পৰা আশ্বাস পাইছো। শ্রমিকসকলৰ বেংক একাউণ্ট খোলাটো বাধ্যতামূলক কৰা হ'ব। ....জি, পি লেভেলত কৰাৰ বাবে চাম বুলি কৈছে। এইখিনিতে মই এটা চাপ্লিমেণ্টেৰী কৰিব খুজিছো, বর্ত্তমান এনৰেগা আঁচনিৰ যিখিনি ৰূপায়ণ হৈছে সেইখিনিৰ যিবিলাক হ'ব লাগিছিল সেইটো হোৱা নাই। এৰাৰনেচৰ কাৰণে বিভাগে যি বাটৰ নাট বা অন্য ধৰণেৰে ব্যৱস্থা লৈছে, মই দেখিছো যে তাৰ দ্বাৰা এটা ভুল মেছেজ প্রচাৰ হৈছে যে কাম নকৰিলেও টকা পাব।

* শ্রীচন্দন ব্রহ্ম (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, 'এনৰেগা' এখন ভাল আঁচনি। মই ডাঠি ক'ব পাৰো আজিৰ দিনত গোটেই ভাৰতবৰ্ষৰ ভিতৰত অসমতে আটাইতকৈ বেছি প্ৰযোজ্য হৈছে। বঙ্গাইগাওঁ আৰু গোৱালপাৰাতো প্ৰযোজ্য হৈছে।

Mr. Speaker : Now, Question Hour is over.

(Starred Question Nos. 325 to 340 could not be taken up for disposal as the Question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies there to.)

বিষয় ঃ শংকৰী কলা-কৃষ্টিৰ বিকাশ।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

* ৩২৫। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শংকৰী কলা-কৃষ্টিৰ বিকাশৰ বাবে ৰাজ্য চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে?

(খ) বৰপেটা সত্ৰৰ লগতে ইয়াৰ দাঁতিকাষৰীয়া সত্ৰসমূহৰ উন্নতিৰ বাবে চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি?

(গ) যদি কৰিছে, কি পৰিকল্পনা গ্ৰহণ কৰিছে?

শ্ৰীগৌতম বৰা (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) শংকৰী কলা-সংস্কৃতিৰ বিকাশৰ বাবে এই বিভাগৰ অধীনস্থ মুঠ ৩৭টা সাংস্কৃতিক কেন্দ্ৰৰ যোগেদি প্ৰশিক্ষণ, কৰ্মশালা, সত্ৰীয়া সাংস্কৃতিক

* Speech not corrected

অনুষ্ঠান প্রদর্শন আদি অনুষ্ঠিত কৰি অহা হৈছে। ইয়াৰ যোগেদি প্রশিক্ষণ দিয়া আৰু বিভিন্ন কর্মশালাসমূহ এনে ধৰণেৰে কৰা হৈছিল-

টাই লোকনৃত্য, মিচিং, বিহু, গোৱালপৰীয়া নৃত্য-গীত, মিচিং লোকনৃত্য-গীত, চেওঁ চাপৰি, বড়ো লোকনৃত্য, দেওধনি চেপাঢোল, তিৱা লোকনৃত্য, বড়গীত, নাট কর্মশালা, বড়ো, ৰাভা, মিচিং, দেউৰী নৃত্য-গীত, সত্রীয়া শিশু সমাৰোহ, চাহ জনজাতি লোকনৃত্য-গীত, বাটৰ নাট, চাহ জনজাতি ভাষাত নাট কর্মশালা, চাহ জনজাতি লোকনৃত্য, ভাস্কর্য্য কর্মশালা, দেউৰী, মিচিং লোকনৃত্য কর্মশালা, ৰাভা, বড়ো, সত্রীয়া নৃত্য কর্মশালা, মিচিং সত্রীয়া নৃত্য, নাট কর্মশালা, মিচিং নৃত্য কর্মশালা, জ্যোতি সংগীত, বড়ো নৃত্য-গীত, বড়গীত, ধামাই নৃত্য-গীত কর্মশালা, বড়ো, ৰাভা, সত্রীয়া নৃত্য সাজ-সজ্জা, ভোৰতাল কর্মশালা, বড়ো মিচিং ৰাভা, নৃত্য-গীতৰ কর্মশালা, কোঁচ ৰাজবংশী, বড়ো নৃত্য-গীতৰ কর্মশালা, কুশান, সত্রীয়া নৃত্য, কামৰূপী লোকগীতৰ প্রশিক্ষণ, বৰগীত কর্মশালা, নাট কর্মশালা, তিৱা লোকনৃত্য, বিষ্ণু ৰাভা গীতৰ কর্মশালা আৰু তিৱা সমাৰোহ, চাওতালী নৃত্য-গীত, সত্রীয়া, মিচিং, বড়ো, নেপালী নৃত্য-গীতৰ কর্মশালা, ৰুদ্র বৰুৱাৰ গীতৰ প্রশিক্ষণ, হোলী গীত, সত্রীয়া নৃত্য-গীতৰ কর্মশালা, সত্রীয়া নৃত্য-গীত, দেৱদাসী, আধুনিক গীত, লোক-সংগীত আৰু বিহু নৃত্য কর্মশালা, বিহুনৃত্য আৰু ঢোলবাদন প্রশিক্ষণ, নাট কর্মশালা, ডিমাছা লোকনৃত্য-গীত, খোলবাদন, বড়গীত, বিহু, সত্রীয়া নৃত্যৰ প্রশিক্ষণ আৰু অংকীয়া ভাওনা, নৃত্য পর্ব, জ্যোতি জন্ম শতবর্ষ আৰু বিষ্ণু ৰাভা দিৱস উৎযাপন কৰা হয়।

(খ) বৰপেটা জিলাত বৰপেটা সত্রৰ লগতে ভাৰত চৰকাৰৰ ওচৰত দাখিল

কৰা অন্যান্য সত্ৰৰ উন্নয়নৰ আঁচনিৰ প্ৰাক্‌কলন প্ৰস্তুত কৰি দিয়া হৈছে। বৰপেটা, গণককুছি আৰু সুন্দৰীদিয়া সত্ৰৰ সংৰক্ষণৰ বাবে কেন্দ্ৰীয় চৰকাৰে অন্য আৰু বহুতো সত্ৰৰ লগত মুঠ ১৩৫ খন সত্ৰৰ বাবে ৯৬.৫৯ কোটি টকাৰ প্ৰাক্‌কলন প্ৰস্তুত কৰি প্ৰেৰণ কৰা হৈছে। এই ধন পালেই বৰপেটা, গণককুছি, সুন্দৰীদিয়া সত্ৰৰ উন্নয়নৰ কাম কৰিব পৰা হ'ব। তদুপৰি মইনবৰী সত্ৰ, চেঙাৰ শোভাসত্ৰ, বহৰী সত্ৰ, ভৱানীপুৰৰ গোপাল আতা সত্ৰ, পাটবাউলী সত্ৰ, কালজৰি সত্ৰ (ভৱানীপুৰ) আৰু বণিয়াকুছিৰ হৰিদেৱ সত্ৰৰ সংৰক্ষণ আৰু উন্নয়নৰ বাবে চৰকাৰে ৰাজ্যিক পৰিকল্পনাৰ ধন ইতিমধ্যে মুকলি কৰি দিছে। সেইবোৰৰ কাম সোনকালে আৰম্ভ কৰা হ'ব।

(গ) (খ) প্ৰশ্নৰ উত্তৰ প্ৰযোজ্য।

বিষয় ঃ হাৰিয়ালী আঁচনি।

ড° মনোৰঞ্জন দাসে সুধিছে ঃ

* ৩২৬। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত বৰ্তমান কিমানটা হাৰিয়ালী আঁচনি আছে? (প্ৰতিটো উন্নয়ন খণ্ডৰ নামসহ আঁচনি সমূহৰ তালিকা দাখিল কৰিব)

(খ) বৰপেটা জিলাৰ বজালী উন্নয়ন খণ্ডত চলি থকা হাৰিয়ালী আঁচনিত এতিয়ালৈকে কিমান পুঁজি ব্যয় কৰা হ'ল আৰু ইয়াত কি কি কাম অন্তৰ্ভুক্ত কৰা হৈছে? (তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) এই পুঁজি কোনে কি ধৰণে ব্যৱহাৰ কৰিলে বিতং ভাবে জনাবনে? (প্ৰতিটো কামৰ শিতানত ব্যয় হোৱা খৰচ সুকীয়া সুকীয়াকৈ দেখুৱাব)

(ঘ) বজালী উন্নয়ন খণ্ডত এই আঁচনি কোনে কেনেদৰে পৰিচালনা কৰে আৰু ইয়াৰ বাবে কিবা সমিতি আছে নেকি? যদি আছে, আৰম্ভণিৰে পৰা এই সমিতিৰ প্ৰতিখন সভাৰ প্ৰস্তাৱ আৰু কাৰ্য্যবিৱৰণী দাখিল কৰিবনে?

(ঙ) এই আচনিৰ জৰিয়তে প্ৰকৃতাৰ্থত সমাজ উপকৃত হ'লনে, কোনো মুষ্টিমেয় ব্যক্তি উপকৃত হ'ল জনাবনে?

(চ) যদি সঁচাকৈ সমাজ উপকৃত হৈছে তাৰ প্ৰকৃত প্ৰমাণ দাখিল কৰিবনে?

(ছ) যদি মুষ্টিমেয় কিছু ব্যক্তি উপকৃত হৈছে তেতিয়াহ'লে এই মুষ্টিমেয় ব্যক্তি সকলৰ বাবে হাৰিয়ালী আঁচনিৰ নামত কোটি কোটি টকা ব্যয় কৰাৰ কাৰণ কি? (বিতং ভাবে জনাব)

শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বৰ্তমান ১৪৮টা হাৰিয়ালী আঁচনি চলি আছে। আঁচনিৰ তালিকা প্ৰতিটো উন্নয়ন খণ্ডৰ বিপৰীতে পৰিশিষ্ট-'ক'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল। (See Annexure–I)

(খ) ৪২,২৪,০০০.০০ টকা ব্যয় কৰা হ'ল। তালিকা Annexure–'A' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল।

(See Annexure–II)

(গ) কামৰ বাবদ ৩০ লাখ টকা জলচ্ছেদ কমিটিয়ে খৰচ কৰিছে। বিতং তথ্য পৰিশিষ্টি-'ক'ত সন্নিবিষ্ট হৈ আছে। (See Annexure–I)

(ঘ) বজালী উন্নয়ন খণ্ডত এই আঁচনি খণ্ড উন্নয়ন বিষয়াই পৰিচালনা কৰে। প্ৰতিটো জলচ্ছেদ পৰিচালনা কৰিবৰ বাবে জলচ্ছেদ সমিতি গঠন কৰা

হৈছে আৰু এই জলচ্ছেদ সমিতিবোৰে খণ্ড উন্নয়নৰ বিষয়াৰ নির্দ্দেশমতে কাম-কাজ পৰিচালনা কৰে। এই জলচ্ছেদ সমিতিবোৰ একো একোটা সমিতি। এই সমিতিৰ সভাৰ প্রস্তাৱ আৰু কার্য্যবিৱৰণীবোৰ (Annexure–'B') ত সংলগ্ন কৰি সদনৰ মেজত পেচ্ কৰা হ'ল। (See Annexure–III)

(ঙ) এই আঁচনিৰ জৰিয়তে প্রকৃতার্থত সমাজ উপকৃত হৈছে। ইয়াত কোনো মুষ্টিমেয় লোক উপকৃত হোৱা নাই।

(চ) এই আঁচনিৰ কামৰ পৰা প্রকৃততে সমাজ উপকৃত হৈছে। কামৰ ধৰণ আৰু প্রকাৰ Annexure -'A' ত দেখুওৱা হৈছে। Annual Action Planৰ মতে বিভিন্ন জলচ্ছেদৰ অন্তর্গত কামবোৰ হৈছে কণ্টুৰ বান্ধ, ডাইভাৰচন ষ্টাকচাৰ, কৃষি বান্ধ, পুখুৰী, ফার্ম, খণ্ড বনানিকৰণ, উদ্যান শস্যৰ বাগান, জিৰণিচৰা, ওৱাটাৰ হার্ভেষ্টিং বান্ধ, খোৱাপানীৰ ব্যৱস্থা গালিং পাগ, ডাইভাৰচন কেনেল, নলাবান্ধ, নার্ছাৰী, পুখুৰী মেৰামতি ইত্যাদি। এই কামবোৰ ৰাইজৰ মাটি, ৰিজার্ভ মাটি, চৰকাৰী মাটি আৰু অন্যান্য ধৰণৰ মাটিত ৰূপায়ণ কৰা হৈছে। ইয়াৰ দ্বাৰা জলচ্ছেদবোৰৰ অন্তর্গত খেতি পথাৰৰ উন্নতি হৈছে আৰু তাত বাসকৰা জনসাধাৰণ প্রত্যক্ষ বা পৰোক্ষভাৱে উপকৃত হৈছে। এই কামবোৰ ৰূপায়ণৰ দ্বাৰা বজালী উন্নয়ন খণ্ডৰ হাঠিনাপুৰ হাৰিয়ালী আঁচনিৰ প্রায় ৫৮৮২ হেক্টৰ মাটি কার্য্যকৰী কৰা আৰু প্রায় ৩০২৪ জন হিতাধিকাৰী উপকৃত হৈছে।

(ছ) হাৰিয়ালী আঁচনিৰ নির্দ্দেশনাৱলী মতে কাম কৰা হৈছে। কোনো ব্যক্তিৰ স্বার্থত ধন খৰচ কৰা হোৱা নাই।

বিষয় ঃ BPL মানুহৰ সংখ্যা।

শ্রীজ্যোতি প্রসাদ দাসে সুধিছে ঃ

* ৩২৭। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসমত বর্তমান BPL মানুহৰ (পঞ্জীয়নভুক্ত)ৰ সংখ্যা কিমান? ইয়াৰ শতকৰা হাৰ কিমান?

(খ) বকো বিধান সভা সমষ্টিত উক্ত সংখ্যা কিমান?

(গ) উক্ত BPL মানুহৰ সংখ্যা কিহৰ ওপৰত ভিত্তি কৰি উলিওৱা হৈছিল?

(ঘ) যদি BPL তালিকা অশুদ্ধ বুলি প্রমাণিত হ'লে BPL তালিকা প্রস্তুতকাৰী সকলক কি শাস্তি বিহা হ'ব? আৰু উক্ত তালিকা বাতিল কৰি নতুনকৈ শুদ্ধ BPL তালিকা এখন প্রস্তুত কৰাৰ বাবে নির্দ্দেশনা দিব নেকি?

শ্রীচন্দন ব্রহ্ম (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত পঞ্জীয়নভূক্ত BPL লোকৰ সংখ্যা কিমান এই বিষয়ে পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ বিতং তথ্য নাই। কিন্তু গ্রাম্য এলেকাৰ নথিভূক্ত BPL পৰিয়াল মুঠ ১৮,৭২,৮০৯ জন। এই পৰিয়ালবোৰৰ মুঠ জনসংখ্যা ৯১,১৩,৩১৯ জন। ২০০২ চনৰ BPL জৰীপ মতে গ্রাম্য পৰিয়ালৰ শতকৰা হাৰ ৪৩.৮৬%।

(খ) বকো বিধান সভা সমষ্টিত BPL পঞ্জীভূক্ত পৰিয়ালৰ সংখ্যা মুঠ ৩৪,৩৯৫ জন।

(গ) পৰিকল্পনা আয়োগে নির্ধাৰণ কৰা BPL শতাংশৰ ওপৰত ভিত্তি কৰি গ্রাম্য এলেকাৰ বাবে কেন্দ্রীয় গ্রামোন্নয়ন মন্ত্রালয়ে দিয়া নির্দ্দেশনা ভিত্তিত এই পৰিয়ালসমূহ জৰীপ কৰি উলিওৱা হৈছে।

(ঘ) তেনেধৰণৰ অভিযোগ এতিয়ালৈকে দৃষ্টিগোচৰ হোৱা নাই। APL পৰিয়ালক BPL কৰিলে বা BPL পৰিয়ালক APL কৰা বুলি চৰকাৰৰ দৃষ্টিগোচৰ হ'লে জিলা ও মহকুমাৰ কৰ্ত্তৃপক্ষৰ ওচৰত আপত্তি দৰ্শাব পাৰে। তদন্তৰ জৰিয়তে তেনেবোৰ আসোঁৱাহ নিষ্পত্তি কৰাৰ ব্যৱস্থা আছে। নতুনকৈ BPL তালিকা প্ৰস্তুত কৰাৰ বাবে কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ পৰা কোনো নিৰ্দ্দেশ পোৱা নাই।

বিষয় ঃ বাৰ্ড ফ্লুৰ প্ৰতিৰোধ।

শ্ৰীৰাজু চাহুৰে সুধিছে ঃ

* ৩২৮। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰ্তমানলৈকে অসমৰ কোন কোন অঞ্চলত বাৰ্ড ফ্লু বিয়পাঁৰ আশংকা আছে জনাবনে?

(খ) চৰকাৰে ইয়াৰ প্ৰতিৰোধৰ বাবে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে তথা এই প্ৰতিকাৰ ব্যৱস্থা সম্পূৰ্ণ সফলকাম হৈছেনে?

(গ) অসমৰ বাহিৰৰ পৰা অহা কুকুৰা বিভিন্ন গোপন পথেৰে বিশেষকৈ নদী পথেৰে সৰবৰাহ হৈ আছে বুলি বাতৰিত প্ৰকাশ হৈছে। এই সম্পৰ্কে চৰকাৰ অৱগতনে?

(ঘ) বাৰ্ড ফ্লুত আক্ৰান্ত কুকুৰা নিধন কাৰ্য্যত নিয়োজিত "ৰেপিড ৰেছপণ্ডছ টীমৰ" বিষয়া-কৰ্মচাৰী সকলৰ নিৰাপত্তা সম্পূৰ্ণ সু- ৈশ্চিত কৰা হৈছেনে?

(ঙ) আক্ৰান্ত সন্দেহত নিধন কৰাৰ পাছত গৰাকী সকলক উপযুক্ত ক্ষতিপূৰণ দিয়া হৈছেনে?

(চ) তিনিচুকীয়া ও ডিব্ৰুগড় জিলাত বাৰ্ড ফ্লু প্ৰতিৰোধৰ বাবে চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে? (বিস্তৃত তথ্য সদনত দাখিল কৰিব)

যিকোনো স্থানত অস্বাভাৱিক ভাৱে কুকুৰাৰ মৃত্যু হোৱা তথ্য জিলা পশুপালন বিষয়াগৰাকীয়ে অৱগত হৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

৩) জিলা দুখনত বার্ড ফ্লুৰ প্ৰতিৰোগী পোছাক তথা বীজাণুনাশক দ্ৰব্য মজুত কৰি ৰখা হৈছে।

৪) বিভাগীয় বিষয়া-কর্মচাৰীয়ে বার্ড ফ্লুৰ ওপৰত চোকা নিৰীক্ষণৰ ব্যৱস্থা ৰখা হৈছে।

৫) বিভাগৰ বিষয়া-কর্মচাৰীয়ে নিয়মীয়াকৈ কুকুৰা তথা পৰিভ্রমী চৰাইৰ তেজ আৰু বিষ্ঠাৰ নমুনা সংগ্রহ কৰি পৰীক্ষা কৰি থকা হৈছে।

বিষয় ঃ পঞ্চায়তৰ হাতত দিয়া বিভাগৰ উপবিভাগ।

শ্রীদ্রুপদ বৰগোহাঁইয়ে সুধিছে ঃ

* ৩২৯। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) পঞ্চায়ত বিভাগলৈ ক্ষমতা হস্তান্তৰ কৰা ১৭টা বিভাগ কি কি আৰু এই বিভাগ সমূহৰ ২৩ বিধ কার্য্যাৱলী কি কি?

(খ) পঞ্চায়তৰ কোন খলপত (জিলা পৰিষদ, আঞ্চলিক পৰিষদ আৰু গাওঁ পঞ্চায়ত) এই বিভাগবোৰ বা কার্য্যাৱলীৰ দায়িত্ব দিয়া হৈছে বিতংকৈ জনাবনে?

(গ) কোনো বিভাগ বা কার্য্যাৱলী তিনিওটা খলপত দিয়া হৈছেনে? (বিতংকৈ জনাব)

শ্রীচন্দন ব্রহ্ম (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগলৈ হস্তান্তৰ কৰা মুঠ ১৭টা বিভাগৰ ২৩টা বিষয়ৰ তালিকা পৰিশিষ্ট-'ক'ৰ লগত গাঁঠি দিয়া হ'ল।
(See Annexure- IV)

(খ) পঞ্চায়তৰ তিনিটা খলপত সন্নিবিষ্ট (জিলা পৰিষদ, আঞ্চলিক পৰিষদ আৰু গাওঁ পঞ্চায়ত) এই বিভাগবোৰ বা কার্য্যাৱলীৰ দায়িত্ব পৰিশিষ্ট-'খ'ত দাখিল কৰি সদনৰ মেজত পেচ্ কৰা হ'ল।
(See Annexure- V)

(গ) উত্তৰ 'খ'ত দিয়া হৈছে।

বিষয় ঃ মীন পামৰ লীজ।

শ্রীগুণেশ্বৰ দাসে সুধিছে ঃ

* ৩৩০। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) এইটো সত্যনে ৰহাস্থিত ইতিহাস প্রসিদ্ধ জোঙাল বলহু গড় মীন পামখন অন্ধ্রপ্রদেশৰ এক ব্যক্তিগত খণ্ডৰ প্রতিষ্ঠানক লীজত দিয়াৰ ব্যৱস্থা কৰা হৈছে?

(খ) এই মীন পামখন যোৱা পাঁচটা বছৰে লাভজনক ব্যৱসায় কৰি থকাৰ পাছত লীজত দিয়াৰ কাৰণ কি?

শ্রীনুৰজামাল সৰকাৰ (মীন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) এনে কোনো ব্যৱস্থা লোৱা হোৱা নাই।

(খ) প্রযোজ্য নহয়।

শ্রীখৰ ছিং ইংতি (পশুপালন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) যিহেতু বার্ড ফ্লু এটা বীষাণুজনিত ৰোগ (ভাইৰাছ ৰোগ), সেয়েহে এই ৰোগ যিকোনো ঠাইত যিকোনো সময়তে দেখা দিব পাৰে।

'বার্ড ফ্লু' ৰোগ ৰোগাক্রান্ত অঞ্চলৰ সীমান্তৱর্ত্তী স্থান তথা পৰিভ্রমী চৰাইসমূহে আশ্রয় লোৱা স্থানত আশংকা বেছি।

(খ) বার্ড ফ্লু প্রতিৰোধৰ বাবে অসম চৰকাৰে যোৱা বছৰ মহাৰাষ্ট্রত আৰম্ভ হোৱাৰ লগে লগেই ইয়াৰ প্রথম পদক্ষেপ হিচাবে অসম চৰকাৰে এক উচ্চ ক্ষমতাসম্পন্ন ৰাজ্যিক সমিতি গঠন কৰি দিয়ে। এই সমিতিত বিশেষকৈ স্বাস্থ্য বিভাগ, বন বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, পি,ডব্লিউ, ডি, গৃহ বিভাগ আৰু বিত্ত বিভাগ আদিক আদিক অন্তর্ভূক্ত কৰা হয়।

পশুপালন আৰু পশুচিকিৎসা বিভাগ, অসমত প্রতিখন জিলাত 'ৰেপিড্ ৰেচপনচ্ টিম' (R.R.T.) গঠন কৰা হৈছে আৰু বিভাগৰ বিষয়া-কর্মচাৰীসকলক প্রশিক্ষণ দিয়াৰ উপৰিও স্বাস্থ্য আৰু বন বিভাগৰ বিষয়া-কর্মচাৰীকো প্রশিক্ষণ দিয়া হয়। এই ক্ষেত্রত প্রত্যেক জিলাৰ সদৰত আৰু সঞ্চালকৰ কার্য্যালয়ত আৰু পশু স্বাস্থ্য কেন্দ্র, খানাপাৰাত নিৰীক্ষণ কেন্দ্র স্থাপন কৰা হৈছে।

বিভাগে যোৱা বছৰৰ পৰাই নিয়মিতভাৱে প্রতিখন জিলাৰ পৰা ঘৰচীয়া কুকুৰা তথা পৰিভ্রমী চৰাইৰ তেজ আৰু বিষ্ঠাৰ নমুনা সংগ্রহ কৰি পৰীক্ষা কৰাৰ ব্যৱস্থা গ্রহণ কৰিছে।

আনহাতে, সতর্কতামূলক ব্যৱস্থা হিচাবে বিভাগে "পি,পি, ইকুইপ্‌মেণ্ট" সংগ্রহ কৰি প্রত্যেক জিলাতে মজুত কৰি ৰখা হৈছে।

ইয়াৰ লগতে 'গ্লোভ' আৰু 'মাস্ক্ৰো' মজুত ৰখা হৈছে। বীষাণুনাশক দ্ৰব্য আদি বিভাগে পৰ্যাপ্ত পৰিমাণে মজুত ৰাখিছে। আঞ্চলিক পশুস্বাস্থ্য কেন্দ্ৰতো এনে ঔষধৰ ব্যৱস্থা ৰখা হৈছে।

ইতিমধ্যে বিভাগে কেইবাজনো বিশেষজ্ঞক অসমৰ বাহিৰৰ বিজ্ঞানাগাৰৰ পৰা প্ৰশিক্ষণ দি আনিছে।

উক্ত প্ৰতিকাৰ ব্যৱস্থাসমূহৰ জৰিয়তে এই ৰোগ বৰ্তমান নিয়ন্ত্ৰণাধীন।

(গ) বাতৰি সম্পৰ্কে অৱগত। অলপতে পশ্চিমবঙ্গত এই ৰোগে দেখা দিয়াৰ পিচত অসমলৈ যাতে বাহিৰৰ পৰা বিভিন্ন পথেৰে কুকুৰা সৰবৰাহ কৰিব নোৱাৰে, তাৰ ব্যৱস্থা ল'বলৈ অসম চৰকাৰে জিলা উপায়ুক্তসকলক বিশেষ নিৰ্দ্দেশনা জাৰি কৰে। উপায়ুক্ত সকলেও ইয়াৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে।

(ঘ) হৈছে।

(ঙ) হৈছে।

(চ) ৰাজ্যখনৰ আনবোৰ জিলাৰ দৰে তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাতো একেধৰণৰ বাৰ্ড ফ্লুৰ প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

<u>ব্যৱস্থাসমূহ হ'ল</u> ঃ—

১) জিলা দুখনৰ প্ৰতিখন পশু চিকিৎসালয়তে ৰপিড ৰেচপনচ্ টীম গঠন কৰা হৈছে।

২) কুকুৰা পালক, পঞ্চায়তৰ সদস্য আৰু সমাজৰ নেতৃস্থানীয় লোকসকলক বাৰ্ড ফ্লু সম্পৰ্কে সজাগ কৰিবলৈ জিলা পশুপালন বিষয়াক দায়িত্ব অৰ্পণ কৰা হৈছে। এনে সজাগতাৰ দ্বাৰা জিলাৰ

বিষয় ঃ গৰু-ছাগলীৰ অচিন ৰোগ।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

* ৩৩১। মাননীয় পশুপালন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৮ চনৰ ২২ ফেব্রুৱাৰীৰ 'অসমীয়া খবৰ' কাকতত প্রকাশিত মধ্য অসমত কৃষকৰ হাহাঁকাৰ 'অচিন ৰোগত উদং হ'ল বহুতৰে গোহালি' শীর্ষক বাতৰিটোৰ প্রতি চৰকাৰৰ দৃষ্টিগোচৰ হৈছেনে?

(খ) যদি হৈছে, গৰু-ছাগলীৰ অচিন ৰোগবোৰ চিনাক্তকৰণ কৰাৰ কাৰণে চৰকাৰে কি পদক্ষেপ লৈছে?

(গ) বানপানীৰ সময়ত চৰকাৰে উপযুক্ত পশু খাদ্যৰ যোগান নধৰাৰ বাবেই এনে অৱস্থা হোৱা বুলি উত্থাপিত অভিযোগ সত্যনে?

(ঘ) যদি সত্য হয়, নিৰাময়ৰ কাৰণে কি ব্যৱস্থা কৰিছে?

শ্রীখৰছিং ইংতি (পশুপালন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, হৈছে।

(খ) মধ্য অসমৰ বিশেষকৈ নগাওঁ আৰু মৰিগাওঁ জিলাৰ কেইখনমান ঠাইত এই ৰোগৰ অনুসন্ধান কৰি 'ফেচিওলোচিচ্' নামৰ পেলুজনিত ৰোগ হোৱা বুলি চিনাক্ত কৰা হৈছে। বানপানীৰ পিছত সাধাৰণতে হোৱা এনে ৰোগৰ খবৰ পোৱাৰ লগে লগে স্থানীয় পশুচিকিৎসক আৰু পশুচিকিৎসা ক্ষেত্র সহায়ক সকলে ৰোগ অনুসন্ধান কৰি চিকিৎসাৰ ব্যৱস্থা গ্রহণ কৰিছে।

ইয়াৰোপৰি খানাপাৰাত থকা বিভাগৰ পশু স্বাস্থ্য কেন্দ্রৰ তৰফৰ পৰা অনুসন্ধান কৰি ৰোগ চিনাক্ত কৰি ব্যৱস্থা গ্রহণ কৰিছে।

বানপানীত আক্রান্ত ঠাইসমূহলৈ বিভাগৰ পৰা ঔষধ-পাতিৰ যোগান ধৰা হৈছে আৰু জিলা উপায়ুক্তক বিষয় অৱগত কৰা হৈছে।

(গ) বানপানীৰ সময়ত চৰকাৰে যোগান ধৰা পশুখাদ্য বা ঘাঁহৰ লগত এই ৰোগৰ কোনো সম্পৰ্ক নাই।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ হোষ্টেল নিৰ্মাণৰ টকা।

শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে ঃ

* ৩৩২। মাননীয় ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ইং ১৯৯৮ চনত ভাৰত চৰকাৰৰ কল্যাণ মন্ত্ৰালয়ৰ সঞ্চালকে ৪ মাৰ্চ, ১৯৯৮ তাৰিখে Pay and Account Officer-য়ে মেম' নং ১৪০১০/১/৯৭ টি ডি ডি চিঠিৰ মৰ্মে অনুসূচিত জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে হোষ্টেল নিৰ্মাণৰ বাবদ ২ (দুই) কৌটি টকা মঞ্জুৰী দিয়া সন্দৰ্ভত চৰকাৰ অৱগতনে? যদি অৱগত, উক্ত ধন ব্যৱহাৰ কৰিছিল নে? (সম্পূৰ্ণ প্ৰতিবেদন দাখিল কৰিব)

(খ) বৰ্ত্তমান অসমত অনুসূচিত জাতি আৰু জনজাতি সকলৰ বিপৰীতে কিমানটা চৰকাৰী খালী পদৰ Backlog পৰি আছে? নিযুক্তিৰ দ্বাৰা উক্ত খালী পদসমূহ পূৰোৱা হৈছেনে? কিমান নিযুক্তি হ'ল?

(গ) যদি হোৱা নাই, কিয়?

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত। যোৱা ১৯৯৭-৯৮ চনৰ কেন্দ্ৰীয় চৰকাৰে গুৱাহাটীত জনজাতি ছাত্ৰ-ছাত্ৰীৰ নিবাস নিৰ্মাণৰ বাবে ২ (দুই) কোটি টকা সংমোদন দিছিল। উক্ত ধনৰাশিৰ ১ (এক) কোটি টকা কেন্দ্ৰীয় চৰকাৰৰ সাহাৰ্য্য আৰু ১ (এক) কোটি টকা ৰাজ্য চৰকাৰৰ অংশ হিচাবে সংমোদন পোৱা হৈছিল। উক্ত টকাৰে গুৱাহাটী ৰাজধানীৰ সমীপত ৰুক্মিণীনগৰত ৰাজ্য চৰকাৰৰ অধীনস্থ নিৰ্মাণ নিগমৰ যোগেদি চৰকাৰৰ নিৰ্দেশ অনুযায়ী ২০০ জনী ছাত্ৰী থাকিব পৰাকৈ দুটা ছাত্ৰী-নিবাস নিৰ্মাণ কৰা হৈছে ; বৰ্ত্তমান উক্ত নিবাস দুটাত ১৬৫ জনী জনজাতি ছাত্ৰীক থকাৰ সুবিধা দিয়া হৈছে।

(খ) বিভিন্ন বিভাগৰ পৰা পোৱা তথ্য মতে ১৯,৪০৯টা Backlog আছে। ইয়াৰ ভিতৰত বৰ্ত্তমানলৈ ২,১৩১টা পদ পূৰণ কৰা হৈছে (১৯,৪০৯-২,১৩১)।

(গ) বৰ্ত্তমান ৩,৪৪৩ টা Backlog পূৰণ কৰিবৰ বাবে মন্ত্ৰীসভাত প্ৰস্তাৱ দাখিল কৰাৰ ব্যৱস্থা চলাই আছে।

বিষয় ঃ মধ্যাহ্ন ভোজনৰ কেৰিং চার্জ।

শ্ৰীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ

* ৩৩৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰাথমিক স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মধ্যাহ্ন ভোজনৰ চাউল যোগান দিয়াৰ বাবে অসমৰ কোন কোন কোঃ অপাৰেটিভ চোচাইটিৰ কেৰিং চার্জ দিবলৈ বাকী আছে আৰু কিমান আছে?

(খ) এইটো সত্যনে চেপ্তেম্বৰ ২০০৬ চনৰ পৰা কাছাড় জিলাৰ কোঃ অপাৰেটিভ চোচাইটি বিলাকৰ কেৰিং চার্জ দিয়া হোৱা নাই?

(গ) যদি সত্য, তেনেহ'লে কোন চোচাইটিৰ কিমান টকা বাকী আছে আৰু কিমান দিনৰ ভিতৰত টকা দিয়াৰ ব্যৱস্থা কৰিব?

শ্রীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রাথমিক স্কুলৰ ছাত্র-ছাত্রীৰ মধ্যাহ্ন ভোজনৰ চাউল যোগান দিয়াৰ বাবে অসমৰ গাওঁ পঞ্চায়ত সমবায় সমিতিবোৰক বর্ত্তমানলৈ মুঠ ৮,৪২,০৩,৯৬৯.২৫ (আঠ কোটি বিয়াল্লিছ লাখ তিনি হাজাৰ নশ উনসত্তৰ টকা পচিশ পইচা) টকা কেৰিং চার্জ (পৰিবহন ব্যয়) দিবলৈ বাকী আছে। সমবায় সমিতিৰ নাম আৰু পাবলগীয়া টকাৰ বিতং তালিকা সংলগ্ন কৰা হ'ল। পৰিশিষ্ট - 'ক' (৮-৪৭)
(See Annexure–VI)

(খ) হয়, সত্য।

(গ) কাছাড় জিলাৰ ৩৪ খন গাঁও পঞ্চায়ত পর্য্যায়ৰ সমবায় সমিতিয়ে ২০০৮ চনৰ মার্চ মাহলৈ মুঠ ৪৮,৪৯,৮৫৯.০০ (আঠচল্লিছ লাখ উনপঞ্চাশ হাজাৰ আঠশ উনষাঠি) টকা পাবলৈ বাকী আছে। সমিতিৰ নামৰ বিপৰীতে পাবলগীয়া টকাৰ তালিকা সংলগ্ন কৰা হ'ল। (পৰিশিষ্ট — 'খ') (See Annexure–VII)

কিমান দিনৰ ভিতৰত উক্ত টকা দিব পৰা হ'ব সেইটো শিক্ষা বিভাগেহে (প্রাথমিক শিক্ষা) ক'ব পাৰিব।

Subject : List of SHG.

Dr. Rumi Nath asked :

* 334. Will the Minister of Panchayat and Rural Development be pleased to state :-

(a) Will the Govt. be pleased to furnish the list of all the existing Self Help Groups under Borkhola Dev. Blocks with names, address, contact No. of all the President, Secretary and members of each SHGs ?

(b) What are the Govt. schemes received by these existing SHGs under Borkhola Dev. Block of Borkhola LAC ? (Please furnish in details of all the schemes and names of SHG).

Shri Chandan Brahma (Minister of Panchayat & Rural Development Department) replied :

(a) The list of all existing SHGs with name, address, contact number of President and Secretary under Borkhola Development Block are shown at Annexure-I and placed on the table of the House. (See Annexure–VIII)

(b) The list of schemes (Activities/Trades) taken up by those existing SHGs under Borkhola Dev. Block are shown at Annexure-II and placed on the table of the House. (See Annexure–IX)

বিষয় ঃ সমবায় সমিতিৰ আৱণ্টিত সামগ্ৰী।

শ্ৰীৰচুল হ'কে সুধিছে ঃ

* ৩৩৫। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা ২০০৬-০৭, ২০০৭-০৮ বিত্তীয় বৰ্ষত ধুবুৰী সমষ্টিৰ সমবায় সমিতিত মুঠ কিমান পৰিমাণৰ ঘেঁহু, আটা, চাউল, চেনী আৰু কেৰাচিন তেল আৱণ্টিত হৈছিল? (সমবায় সমিতিৰ নামৰ লগতে আৱণ্টন দিয়া

সামগ্রী সমূহৰ বিতং তালিকা সদনত দাখিল কৰিব)

(খ) উক্ত আৱণ্টিত সামগ্রীসমূহ সমষ্টিৰ মুঠ কিমান গৰাকী উপভোক্তাই লাভ কৰিছে?

(গ) জনসংখ্যা বৃদ্ধিৰ লগে লগে এই আৱণ্টিত সামগ্রী সমূহৰ যোগান বৃদ্ধি কৰাৰ প্রয়োজন আছে নে?

(ঘ) যদি আছে, তেন্তে ধুবুৰী সমষ্টিৰ মুঠ কিমানখন সুলভ মূল্যৰ দোকানত জনসংখ্যা হিচাবত মুঠ কিমানজন হিতাধিকাৰীক খাদ্য সামগ্রী যোগান ধৰা হৈছে।

(ঙ) সুলভ মূল্যৰ দোকানৰ অধীনস্থ নোহোৱা দৰিদ্র সীমাৰেখাৰ তলত জনসাধাৰণক ৰেচন কার্ড (পৰিয়াল ভিত্তিত) প্রদান কৰাৰ তৎকালে ব্যৱস্থা গ্রহণ কৰিব নে?

শ্রীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী সমষ্টিৰ মুঠ ৫ খন গাওঁ পঞ্চায়ত সমবায় সমিতি আৰু ১ খন পাইকাৰী গ্রাহক সমবায় সমিতিলৈ ২০০৬-০৭ আৰু ২০০৭-০৮ বিত্তীয় বর্ষত আৱণ্টিত ঘেঁহু, আটা, চাউল, চেনী আৰু কেৰাচিন তেলৰ পৰিসংখ্যা এনে ধৰণৰ ঃ-

	চাউল	চেনী	আটা	ঘেঁহু	কেৰাচিন তেল কুইন্টল হিচাবত লিঃ
২০০৬-০৭	৪৪,৩৪৫.১৯	৭৪২.৬৩	২৫০.৬৫	২.৯২	৭,৮৫,৯৯০.০০
২০০৭-০৮	৫০,৩৩৮.৫৭	১৬৫৪.৯৫	২১০.০০	২৬.৭৪	৯,২৯,৮৮৮.০০

(বিতং তালিকা পৰিশিষ্ট ক-১ আৰু ক-২ত সংলগ্ন কৰি দিয়া হল)

(See Annexure-XI)

(খ) উক্ত আৱণ্টিত সামগ্ৰী সমূহ ধুবুৰী সমষ্টিৰ মুঠ ১,৫১,৬৪৯ জন উপভোক্তাই লাভ কৰি আছে।

(গ) এই ক্ষেত্ৰত খাদ্য আৰু অসামৰিক যোগান বিভাগেহে সিদ্ধান্ত ল'ব পাৰে।

(ঘ) ধুবুৰী সমষ্টিত মুঠ ১৬১ খন সুলভ মূল্যৰ দোকান (এজেণ্ট) আছে। ইয়াৰ জৰিয়তে ১৯৯১ চনৰ লোকপিয়ল অনুসৰি মুঠ ১,৪৯,৬৬৫ জন হিতাধিকাৰীক আৰু ধুবুৰী পাইকাৰী গ্ৰাহক সমবায় সমিতিৰ অধীনত ১৯৮৪ জন হিতাধিকাৰীক খাদ্য সামগ্ৰী যোগান ধৰি থকা হৈছে।

(ঙ) এই ক্ষেত্ৰতো খাদ্য আৰু অসামৰিক যোগান বিভাগেহে সিদ্ধান্ত ল'ব পাৰিব।

বিষয় ঃ ইন্দিৰা আবাস যোজনাৰ ঘৰ।

শ্ৰীপ্ৰণৰ কলিতাই সুধিছে ঃ

* ৩৩৬। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ২০০৯ চনত ইন্দিৰা আৱাস যোজনাৰ আঁচনিখন বন্ধ হ'ব নেকি ? যদি হয়, বাকী থকা পৰিয়াল বিলাকে কি আঁচনিত ঘৰ পাব ?

(খ) এই আঁচনিখন প্ৰবৰ্ত্তন হোৱাৰ পৰা ২০০৭ চনৰ ডিচেম্বৰ মাহলৈ কিমান পৰিয়ালে এই আঁচনিৰ ঘৰ পালে ? ইয়াৰে কিমান শতাংশ ঘৰ অসম্পূৰ্ণ হৈ আছে ? এই অসম্পূৰ্ণ ঘৰ সমূহ সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

(গ) ইন্দিৰা আৱাস যোজনাৰ প্ৰতিটো ঘৰৰ বাবদ আৱণ্টিত ধনৰ (সাতাইশ হাজাৰ টকা) পৰিমাণ বঢ়াব নেকি ?

(ঘ) গ্রামোন্নয়নৰ ধনেৰে পঞ্চায়ত সমূহে গাওঁ সমূহত নতুন বিদ্যুৎ সংযোগৰ আঁচনি ৰূপায়ন কৰিব পাৰিবনে?

(ঙ) ২০০৬ চনৰ বি, পি, এল তালিকাখন সংশোধন কৰি এ, পি, এল পৰিয়াল বিলাকক তালিকাৰ পৰা তৎকালে নাকচ কৰি পুনৰ বি, পি, এল বিলাকক অন্তর্ভূক্ত কৰিব নেকি?

শ্রীচন্দন ব্রহ্ম (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) "ইন্দিৰা আৱাস যোজনা" আঁচনিখন বন্ধ হোৱাৰ বিষয়ে বর্ত্তমানলৈকে অসম চৰকাৰ অৱগত নহয়।

(খ) আঁচনি খন ১৯৮৬ চনৰ আৰম্ভ হোৱাৰ পৰা ২০০৭ চনৰ ডিচেম্বৰ মাহলৈকে মুঠ ৮,৪৬,৯২২ টা পৰিয়ালে এই ঘৰ পালে। অসম্পূর্ণ ঘৰৰ সংখ্যা ৪৮,৩৫২ টা অসম্পূর্ণ হৈ থকা ঘৰসমূহ পর্য্যায়ক্রমে সম্পূর্ণ কৰি থকা হৈছে।

(গ) বর্তমান এই আঁচনিৰ প্রতিটো ঘৰৰ বাবে আৱণ্টিত ধনৰ পৰিমাণ ২৭,৫০০.০০ টকা। প্রতিটো ঘৰৰ আৱণ্টিত ধনৰ পৰিমাণ বৃদ্ধি কৰাৰ বিষয়টো কেন্দ্রীয় চৰকাৰৰ ওপৰত নির্ভৰ কৰে।

(ঘ) পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ সংশ্লিষ্ট শিতানত প্রয়োজনীয় পুঁজি মজুত থাকিলে এনে আঁচনি ৰূপায়ণ কৰিব পৰা যায়।

(ঙ) এই সম্পর্কত দিয়া নির্দ্দেশনাৰ এটা প্রতিলিপি পৰিশিষ্ট 'ক' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল।

(See Annexure-XII)

বিষয় ঃ ইন্দিৰা আৱাস যোজনাৰ ঘৰ।

শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

* ৩৩৭। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) টেঙাখাট ব্লকৰ অন্তৰ্গত ১৪ খন পঞ্চায়ত ২০০১ চনৰ মাৰ্চৰ পৰা ২০০৮ চনৰ মাৰ্চলৈকে কিমানটা ইন্দিৰা আৱাস যোজনাৰ ঘৰ নিৰ্মাণ কৰা হ'ল?

(খ) উক্ত ব্লকৰ অন্তৰ্গত ১৪ খন পঞ্চায়ত ২০০১ চনৰ মাৰ্চৰ পৰা ২০০৮ চনৰ মাৰ্চলৈকে যি বিলাক ব্যক্তিক ইন্দিৰা আৱাস যোজনাৰ ঘৰ দিয়া হৈছিল সেই ব্যক্তিসকলৰ নাম ও ঠিকনা সদনত দাখিল কৰিবনে?

(গ) টেঙাকাত ব্লকৰ কিমানজন পঞ্চায়ত সচিব আছে? সচিবসকলৰ নাম ও ঠিকনা জনাবনে?

(ঘ) টেঙাখাট ব্লকৰ কিমানটা পঞ্চায়ত সচিবৰ পদ খালী হৈ আছে?

শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) টেঙাখাট ব্লকৰ অন্তৰ্গত ১৪ খন পঞ্চায়তত ২০০১ চনৰ পৰা ২০০৮ চনৰ মাৰ্চ মাহলৈকে মুট ৩৮৬৩ টা ঘৰ নিৰ্ম্মাণ কৰা হৈছে।

(খ) নাম ও ঠিকনাসহ উপকৃত হোৱা লোকৰ তালিকা পৰিশিষ্ট 'ক'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল।

(গ) টেঙাখাট ব্লকৰ অন্তৰ্গত বৰ্ত্তমান ৮ জন পঞ্চায়ত সচিব আছে। সচিব সকলৰ নাম ও ঠিকনা পৰিশিষ্ট-'খ'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল।

(ঘ) টেঙাখাট ব্লকৰ অধীনত বৰ্ত্তমান ৬টা পঞ্চায়ত সচিবৰ পদ খালি হৈ আছে।

বিষয় ঃ NREGA-ৰ টকা।

শ্রীআব্দুল আজিজে সুধিছে ঃ

* ৩৩৮। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) মৰিগাওঁ জিলাৰ মৈৰাবাৰী খণ্ড উন্নয়ন এলেকাত NREGA-ৰ কিমান টকা কোন কোন আঁচনিৰ বিপৰীতে আৱণ্টন দিয়া হৈছে জনাবনে?

(খ) ৫ লাখ ৯০ হাজাৰ টকা কোন কোন ৰাস্তাৰ কামৰ বিপৰীতে উঠাইছে উল্লেখ কৰিব?

(গ) NREGA আঁচনিৰ টকা PWD ৰাস্তাত খৰচ কৰিব পাৰিনে?

(ঘ) যদি নোৱাৰে, তেন্তে মৈৰাবাৰী উন্নয়ন খণ্ডৰ এলেকাত NREGA আঁচনিৰ দ্বাৰা সম্পন্ন কৰা কাম কেইটা চলিত বিধানসভাৰ ভিতৰত এটা বিভাগীয় তদন্ত কৰাৰ ব্যৱস্থা কৰিবনে? (বিতং তথ্য সহকাৰে সদনত জনাব)

শ্রীচন্দন ব্রহ্ম (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মৰিগাওঁ জিলাৰ মৈৰাবাৰী খণ্ড উন্নয়ন এলেকাত NREGA-ৰ অধীনত বিভিন্ন আঁচনিত আৱণ্টন দিয়া ধনৰ পৰিমাণ পৰিশিষ্ট-'ক' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল। (See Annexure-XII)

(খ) DRDA-ৰ অধীনত ৫ লাখ ৯০ হাজাৰ টকা কোনো ৰাস্তাৰ কামৰ বিপৰীতে উঠোৱা হোৱা নাই।

(গ) NREGA-ৰ নিৰ্দ্দেশনামতে এই আঁচনিৰ টকা PWD ৰাস্তাত খৰচ কৰিব নোৱাৰি।

(ঘ) NREGA-ৰ নিৰ্দ্দেশনাৱলীৰ বিপৰীতে কাম কৰাৰ নিৰ্দ্দিষ্ট তথ্য পোৱা নাই। যদি পোৱা হয় তাৰ ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ সাহিত্য, কলা-কৃষ্টিৰ প্ৰচাৰ।

শ্ৰীঅভিজিত হাজৰিকাই সুধিছে ঃ

* ৩৩৯। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসম চৰকাৰৰ দ্বাৰা মহাপুৰুষ শংকৰ দেৱ, মাধৱদেৱৰ দৰে গুণী-জ্ঞানী সকলৰ মহান কৃষ্টি সাহিত্য, কলা-কৃষ্টি আদি অসমৰ বাহিৰত প্ৰচাৰৰ বাবে কি কি প্ৰচেষ্টা হাতত ল'লে, ২০০১ চনৰ পৰা জনাবনে?

(খ) কনকলতাকে আদি কৰি মহান শ্বহীদ সকল, প্ৰচীন বুৰঞ্জীৰ বিশিষ্ট ব্যক্তিসকলৰ অৱদানৰ বিষয়ে, কলা-কৃষ্টিৰ বিষয়ে অসমৰ বাহিৰত প্ৰচাৰ কৰাৰ অৰ্থে কি কি প্ৰচেষ্টা হাতত ল'লে ২০০১ চনৰ পৰা জনাবনে?

শ্ৰীগৌতম বৰা (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯৬ চনৰ পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত প্ৰৱৰ্ত্তন কৰা "শ্ৰীমন্ত শংকৰদেৱ বঁটা" সাংস্কৃতিক দিশত প্ৰকৃত বৰঙণি আগবঢ়োৱা বিশিষ্ট ব্যক্তিলৈ (অসমৰ ভিতৰত তথা অসমৰ বাহিৰৰ) আগবঢ়াই অহা হৈছে। এটা বঁটাৰ প্ৰৱৰ্ত্তনে মহাপুৰুষ শংকৰদেৱৰ আদৰ্শ তথা সাংস্কৃতিক অৱদান অসমৰ বাহিৰত প্ৰচাৰ তথা প্ৰসাৰ কৰাত সহায়

কৰিছে। ইয়াৰ উপৰিও অসমৰ বাহিৰত অসমৰ সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰিবলগীয়া হ'লে মহাপুৰুষজনাৰ অমৰ সৃষ্টি "সত্ৰীয়া নৃত্য"ৰ পৰিবেশন সদায় কৰি অহা হৈছে। সাংস্কৃতিক সঞ্চালকালয়ৰ অধীনস্থ ৯টা সাংস্কৃতিক কেন্দ্ৰত সত্ৰীয়া নৃত্য আৰু বৰগীতৰ ৯ জন প্ৰশিক্ষক নিযুক্তি দিয়া হৈছে আৰু বিগত বৰ্ষত উক্ত প্ৰশিক্ষকসকলে সৰ্বমুঠ ২২টা কেন্দ্ৰত ২ মহীয়া প্ৰশিক্ষণ প্ৰদান কৰিছে। গুৱাহাটীৰ দক্ষিণ শৰণীয়াত অৱস্থিত "গোবিন্দৰাম কলিতা সোঁৱৰণী সত্ৰীয়া সংস্কৃতি চৰ্চ্চা আৰু গৱেষণা কেন্দ্ৰ"টি উন্নতিকৰণাৰ্থে বিগত বিত্তীয় বৰ্ষতে ৫০ (পঞ্চাশ) লাখ টকা সংমোদন পোৱা গৈছে আৰু সেইমতে কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভাৰত চৰকাৰৰ "সংগীত নাটক অকাডেমীৰ" সহযোগত এটি পূৰ্ণাংগ সত্ৰীয়া সংস্কৃতি চৰ্চ্চা আৰু গৱেষণা কেন্দ্ৰ ক্ষেত্ৰীয় ভিত্তিত গুৱাহাটীত প্ৰতিষ্ঠাহেতু কাৰ্য্যপন্থা হাতত লোৱা হৈছে। ইয়াৰ উপৰিও বৰগীত, ভোৰতাল নৃত্য, অংকীয়া ভাওনাও সময়ে সময়ে অসমৰ বাহিৰে-ভিতৰে পৰিবেশন কৰি অহা হৈছে।

(খ) এই বিভাগৰ দ্বাৰা কোনো ব্যৱস্থা এতিয়ালৈকে হাতত লোৱা হোৱা নাই।

বিষয় ঃ বেক্ লগ পদ পূৰণ।

শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ

* ৩৪০। মাননীয় ভৈয়াম জনজাতি ও পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) যোৱা চৰকাৰৰ কাৰ্য্যকালৰ শেষছোৱাত (২০০৬ চন) বিভিন্ন বিভাগত খালী হৈ থকা অনুসূচীত জাতি/জনজাতিৰ বাবে সংৰক্ষিত হৈ থকা

এহেজাৰ পদ পূৰণৰ ব্যৱস্থা কৰা হৈছে আৰু বাকী থকা বেক্ লগ সমূহ এবছৰৰ ভিতৰতে পূৰণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া কথাটো সত্যনে?

(খ) যদি সত্য, চৰকাৰে এই অনুসূচীত জাতি/অনুসূচীত জনজাতিৰ বেক্ লগ পদ পূৰণৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিলে?

(গ) চৰকাৰে কিমান বেক্ লগ পদ পূৰণ কৰাৰ প্ৰতিশ্ৰুতি দিছিল? বিভাগ সমূহত কিমান কিমান পদ বেক্ লগ হৈ আছিল? (বিতংকৈ জনাব)

(ঘ) এই বেক্লগ পদ পূৰণৰ ক্ষেত্ৰত অসম বিধান সভাৰ অনুসূচীত জাতি/জনজাতিৰ কল্যাণ উপদেষ্টা সমিতিৰ পৰা কি অনুমোদন লৈছিল?

(ঙ) বৰ্ত্তমান চৰকাৰে পূৰ্ব্বৰ প্ৰতিশ্ৰুতি ৰূপত কাৰ্য্যকৰী কৰাৰ কি কি ব্যৱস্থা বৰ্ত্তমানলৈকে লৈছে?

(চ) উক্ত প্ৰতিশ্ৰুতি কিমান দিনৰ ভিতৰত কাৰ্য্যকৰী কৰিব?

(ছ) এই বিষয়ত বিশেষ নিয়োগ ব্যৱস্থাৰ আঁচনিলৈ প্ৰতিশ্ৰুতি কাৰ্য্যকৰী কৰিবনে?

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এবছৰৰ ভিতৰত পূৰণ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া কথাটো সত্য নহয়।

(খ) চৰকাৰে বিশেষ নিয়োগ ব্যৱস্থাৰ দ্বাৰা বেক্লগ পূৰণ কৰাৰ ব্যৱস্থা কৰিছে।

(গ) প্ৰতিশ্ৰুতি দিয়া কথা সত্য নহয়। বিভাগ সমূহৰ পৰা পোৱা তথ্যমতে ১৯,৪০৯টা Back-Log আছে। বিতং তথ্য তালিকা 'ক' দিয়া হ'ল।

(ঘ) অসম বিধান সভাৰ অনুসূচীত জাতি/জনজাতিৰ কল্যাণ উপদেষ্টা সমিতিয়ে ৫০০০ টা বেক্ লগ পদ পূৰণ কৰাৰ বাবে অনুমোদন দিছিল।

(ঙ) বিভিন্ন বিভাগৰ পৰা পোৱা তথ্যমতে বৰ্ত্তমান ৩৪৪৩টা খালি পদ পূৰণ কৰাৰ ব্যৱস্থা লোৱা হৈছে। উক্ত পদসমূহ মন্ত্রী সভাৰ অনুমোদন সাপেক্ষে পূৰণ কৰা হ'ব।

(চ) পর্য্যায়ক্রমে কার্য্যকৰী কৰা হ'ব।

(ছ) বিশেষ নিয়োগ ব্যৱস্থাৰ যোগে পদ পূৰণ কার্য্যকৰী কৰা হ'ব।

UNSTARRED QUESTIONS & ANSWERS

Subject : Material Distribution.

Shri Sirajuddin Ajmal asked :

762. Will the Minister of Agriculture be pleased to state :-

(a) How many numbers of Tractors, Power Tillers, Threshers, Sprayers etc. have been sanctioned under Assam Agricultural Competitiveness Project (AACP)/any other Schemes for distribution amongst the beneficiaries during this year ? (Please furnish the list District-wise)

(b) Have the materials already been distributed ? If not, by when ?

Smti. Pramila Rani Brahma (Minister Agriculture, Assam) replied :

(a) Number of Tractors, Power Tillers, Threshers, STWs, LLPs, sanctioned under AACP scheme and other schemes

for this year (2007-08) are shown in the table below :-

Sl. No.	Name of the scheme	Tractor	Power	Thresher Tiller	STW	LLP
1.	Assam Agricultural Competitiveness Project (AACP)	540	1180	0	36865	13556
2.	State Priority	457	0	0	0	0
3.	State Priority (Input to KCC Holder)	0	3570	25	0	6041
4.	Assam Bikash Yojana	266	533	0	0	0
5.	Macro Management	0	655	0	0	0
	Total	1263	5938	25	36865	19597

District wise allotment of the above materials is shown on the enclosed Annexure-I. (See Annexure–XIV)

(b) Distribution of materials are shown in the table below :-

Sl. No.	Item	Total allotment (Nos)	Distributed up to February/ 2008 (Nos)	Yet to be distributed (Nos)
1.	Tractor	1263	469	794
2.	Power Tiller	5938	1673	4265
3.	Thresher	25	0	25
4.	STW	36865	3380	33485
5.	LLP	19597	5836	13761

Distribution of balance materials will be completed by June, 2008.

বিষয় ঃ জিলা পৰিষদ সমষ্টিৰ ধন আৱণ্টন।

হাফিজ বছিৰ আহমেদে সুধিছে ঃ

৭৬৩। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ধুবুৰী জিলা পৰিষদৰ অন্তর্গত "Tea Production Centre of Dhubri Small Tea Grows Co-op. Society Pachim Rangamati Pahar, Panbari" অঞ্চলটো পানবাৰী জিলা পৰিষদ সমষ্টিৰ বাহিৰত অৱস্থিত, এই বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে পানবাৰী জিলা পৰিষদ সমষ্টিৰ আৱণ্টিত ধনৰ পৰা আলমগঞ্জ জিলা পৰিষদ সমষ্টিৰ এটা অনুষ্ঠানত যোৱা SGRY ২০০৭-০৮ 1st installment উক্ত অনুষ্ঠানৰ বাবে Tea Production Centre নির্মাণৰ বাবদ ২.৫০ (দুই লাখ পঞ্চাশ হাজাৰ) টকা কি কাৰণত খৰচ কৰা হ'ল আৰু পানবাৰী জিলা পৰিষদ সমষ্টিৰ উন্নয়নৰ কামৰ পৰা বঞ্চিত কৰা হ'ল? (বিতং তথ্য সহকাৰে সদনত দাখিল কৰিব)

শ্রীচন্দন ব্রহ্ম (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) উল্লেখিত "Tea Production Centre of Dhubri Small Growers Co-operative Society Pachim Rangamati Pahar, Panbari" অঞ্চলটো পানবাৰী জিলা পৰিষদ সমষ্টিৰ এলেকাত অৱস্থিত।

(খ) প্রশ্ন নুঠে।

বিষয় ঃ অধিগ্রহণ কৰা গাড়ীৰ ভাৰা।

শ্রীৰঞ্জিত দত্তই সুধিছে ঃ

৭৬৪। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ২০০১ চনত হৈ যোৱা পঞ্চায়ত নির্বাচনত চৰকাৰে অধিগ্রহণ কৰা গাড়ীৰ ভাৰাৰ বাবদ চৰকাৰে এতিয়ালৈকে কিমান টকা পৰিশোধ কৰিবলৈ বাকী আছে? (জিলা ভিত্তিত আৰু মহকুমা ভিত্তিত জনাব)

(খ) সেই বাকী থকা টকা সমূহ কেতিয়ালৈ পৰিশোধ কৰা হ'ব জনাবনে?

শ্রীচন্দন ব্রহ্ম (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনত হৈ যোৱা পঞ্চায়ত নির্বাচনত চৰকাৰে অধিগ্রহণ কৰা গাড়ীৰ ভাৰা আৰু অন্যান্য শিতানত পৰিশোধ কৰিব লগা টকাৰ পৰিমাণ জিলা আৰু মহকুমা ভিত্তিত পৰিশিষ্ট-'ক' গাঠি সদনৰ মেজত পেচ্ কৰা হ'ল। (See Annexure–XV)

(খ) উক্ত পৰিশোধ কৰিব লগা টকাৰ বিপৰীতে ৰাজ্য চৰকাৰে ইতিমধ্যে ৭,৯৯,৪২,৯৬৫.০০ টকা জিলা আৰু মহকুমা সমূহলৈ মোকলাই দিছে।

বিষয় ঃ টকা মঞ্জুৰী।

শ্রীশম্ভু সিং মাল্লাহে সুধিছে ঃ

৭৬৫। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ২০০৫-০৬, ২০০৬-০৭ আৰু ২০০৭-০৮ বিত্তীয় বর্ষত কৰিমগঞ্জ জিলা পৰিষদৰ অধীনত বিভিন্ন শিতানত চৰকাৰে কিমান টকা মঞ্জুৰী দিছিল?

(খ) উক্ত টকাৰে উল্লেখিত বৰ্ষত কি কি আঁচনি ধৰা হৈছিল? সেইবোৰ Action Plan আৰু Operation Plan, জিলা পৰিষদ সমষ্টি ভিত্তিক প্ৰতিটো আঁচনিৰ মঞ্জুৰীকৃত টকাসহ সদনৰ মেজত দাখিল কৰিবনে?

(গ) ২০০৬-০৭ আৰু ২০০৭-০৮ বৰ্ষত SGRYৰ State Share কৰিমগঞ্জ জিলা পৰিষদক কিমান টকা মঞ্জুৰী দিয়া হৈছিল? উক্ত টকাৰে সকলো সমষ্টিতে সমানুপাতে Scheme ধৰা হৈছিলনে? (আঁচনিৰ নাম, মঞ্জুৰীকৃত টকাৰ পৰিমাণ তলত উল্লেখ কৰিব)

(ঘ) মঞ্জুৰীকৃত টকাৰ ক'ত ক'ত কাম শেষ হৈছে আৰু ক'ত ক'ত কাম চলি আছে আৰু ক'ত ক'ত কাম আৰম্ভ হোৱা নাই, বিতং তথ্য সদনৰ মেজত দিবনে?

শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কৰিমগঞ্জ জিলা পৰিষদৰ অধীনত বিভিন্ন শিতানত চৰকাৰৰ পৰা আৱণ্টিত ধনৰ পৰিমাণ বৰ্ষ ভিত্তিত তলত দিয়া হ'ল ঃ—

আঁচনি	বিত্তীয় বৰ্ষ	আৱণ্টিত ধন
SGRY	২০০৫-২০০৬	৪৫৬.০০ লাখ
	২০০৬-২০০৭	৪৭১.৯৪ লাখ
	২০০৭-২০০৮	২১৩.০০ লাখ
EFC	২০০৫-২০০৬	১৭৭.৬২ লাখ
	২০০৬-২০০৭	১৮৬.৯৪ লাখ
TFC	২০০৬-২০০৭	২২৩.১৭ লাখ
	২০০৭-২০০৮	২২৩.১৭ লাখ

(খ) উক্ত টকাৰে উল্লেখিত বৰ্ষত গ্ৰহণ কৰা আঁচনিসমূহ Annexure-'A'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল। উক্ত আঁচনিসমূহৰ Action Plan আৰু Operation Plan Annexure-'A' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল।

(গ) কৰিমগঞ্জ জিলা পৰিষদক মঞ্জুৰী দিয়া টকাৰ পৰিমাণ 'খ' প্ৰশ্নৰ উত্তৰত দিয়া আছে। জিলা পৰিষদ সমষ্টি ভিত্তিত পুঁজি বিতৰণৰ ব্যৱস্থা নাই।

(ঘ) মঞ্জুৰীকৃত টকাৰ বিপৰীতে কৰি থকা কামৰ বিতং তথ্য Annexure-'B'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল।

বিষয় ঃ বিকল আৰু অবিকল বাছৰ সংখ্যা।

শ্ৰীহিৰেণ কুমাৰ দাসে সুধিছে ঃ

৭৬৬। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰ্ত্তমান পৰিবহন নিগমৰ কিমানখন বাছ বিকল হৈ আছে? অবিকলৰ সংখ্যা কিমান?

(খ) নিগমৰ অধীনত কিমানখন ব্যক্তিগত বাছ চলাচল কৰি আছে? এই বাছ বিলাকৰ পৰা প্ৰতি মাহে কিমান আয় বা ব্যয় হৈ আছে?

(গ) যোৱা ৭ বছৰত পৰিবহন নিগমৰ কিমান লাভ হ'ল জনাবনে? (বছৰ হিচাবত লাভৰ পৰিমাণৰ তালিকা দিব)

(ঘ) পৰিবহন বিভাগৰ জিলাসমূহৰ জিলা কাৰ্য্যালয়ৰ জৰিয়তে যোৱা ৭ বছৰত বিভিন্ন পৰ্য্যায়ৰ যান-বাহনৰ পৰা মুঠ কিমান কৰ আৰু বিভিন্ন উৎসৰ পৰা কিমান ৰাজহ আদায় কৰিছে? বিতংভাৱে জনাব?

(জিলা ভিত্তিত বছৰ হিচাবত কৰ আৰু ৰাজহৰ পৰিমাণৰ তালিকা সদনত দিব)

শ্ৰীচন্দন ব্ৰহ্ম (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নিগমৰ বৰ্ত্তমান ৩০ খন পুৰণি বাছ বিকল হৈ আছে? অবিকল বাছৰ সংখ্যা ৩০০ খন।

(খ) বৰ্ত্তমান নিগমৰ অধীনত ১৪১৭ খন ব্যক্তিগত বাছ চলাচল কৰি আছে। এই বাছবিলাকৰ পৰা গড়ে মাহিলী ১০৯.৯৬ লাখ টকা আয় হৈ আছে।

(গ) উক্ত সময়ছোৱাত পৰিবহন নিগমৰ লাভ হোৱা নাই।

(ঘ) যোৱা ৭ বছৰত পৰিবহন বিভাগে আদায় কৰা মুঠ ৰাজহৰ পৰিমাণ তালিকা 'ক' আৰু কৰ আৰু বিভিন্ন উৎসৰ পৰা আহৰণ কৰা মাচুল আদিৰ পৰিমাণ তালিকা 'খ'ত উল্লেখ কৰা হ'ল।
(See Annexures – XVI & XVII)

বিষয় ঃ ৰামখা পীঠ আৰু আজানপীড় দৰগাহ।

শ্ৰীপ্ৰদীপ হাজৰিকাই সুধিছে ঃ

৭৬৭। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) শিৱসাগৰ জিলাৰ উত্তৰ পশ্চিম কোণত অৱস্থিত ৰামখা পীঠ আৰু আজানপীড় দৰগাহ বৰ্ত্তমান কি অৱস্থাত আছে?

(খ) আজানপীড় দৰগাহলৈ যোৱা পথৰ দলংখনৰ নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ হ'লনে?

(গ) যদি হোৱা নাই, কিয় হোৱা নাই ?

(ঘ) আজানপীড় দৰগাহ নিৰ্ম্মাণৰ কাৰণে চৰকাৰে বৰ্ত্তমানলৈকে কিমান অনুদান আগবঢ়াইছে?

(ঙ) ইছলাম ধৰ্ম্মাৱলম্বী ভক্তসকলৰ সুবিধাৰ বাবে সকলো সা-সুবিধাৰ ব্যৱস্থা কৰি দৰগাহটি নিৰ্ম্মাণ কৰাৰ কিবা পৰিকল্পনা চৰকাৰৰ আছে নেকি?

(চ) ৰামখা পীঠৰ উন্নয়নৰ কাৰণে চৰকাৰৰ কিবা আঁচনি আছে নেকি?

(ছ) এই পীঠখনৰ ভক্তসকল আৰু তীৰ্থযাত্ৰী সকলৰ সুবিধা হোৱাকৈ নিৰ্ম্মাণ কৰাৰ কিবা পৰিকল্পনা চৰকাৰৰ আছে নেকি?

শ্ৰীগৌতম বৰা (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) শিৱসাগৰ জিলাৰ উত্তৰ পশ্চিম কোণত অৱস্থিত ৰামখা পীঠ আৰু আজান পীৰ দৰগাহ বৰ্ত্তমান চৰকাৰৰ বিভিন্ন শিতানত অনুদানেৰে উন্নয়নৰ কাম চলাই থকা হৈছে।

(খ) নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ হোৱা নাই।

(গ) দলংখনৰ নিৰ্ম্মাণৰ বাবে প্ৰয়োজনীয় লোহাৰ পাইপবোৰ তেল ও প্ৰাকৃতিক গেছ নিগমৰ পৰা পোৱাৰ কথা আছিল যদিও সময়মতে নোপোৱাৰ বাবে দলংখনৰ ৬০% কাম সম্পন্ন হোৱাৰ পাছতো প্ৰায় ১ বছৰ কাম বন্ধ হৈ আছে। সদ্যহতে তেল ও প্ৰাকৃতিক গেছ নিগমে লোহাৰ পাইপখিনি মুকলি কৰি দিছে। বৰ্ত্তমানে কামৰ অগ্ৰগতি লাভ কৰিছে আৰু এই বছৰৰ ভিতৰত দলংখনৰ কাম সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে।

(ঘ) আজানপীৰ দৰ্গাহৰ উন্নয়নৰ বাবে বৰ্ত্তমানলৈকে চৰকাৰৰ পৰা পোৱা অনুদানৰ বিৱৰণ তলত দিয়া হ'ল।

১) ২০০৫-০৬ বর্ষত আজানপীড় দৰ্গাহৰ উন্নয়নৰ বাবে অসম চৰকাৰে আছুতীয়া পুঁজিৰ অধীনত (United Fund) ২০.০০ লাখ টকা মুকলি কৰি দিছিল। এই অনুদানেৰে দৰ্গাহ নিৰ্ম্মাণৰ কাৰণে চৰকাৰে চিঠি নং CAD 410/2006/48 dt.12-3-08 যোগে মুঠ ২০.০০ লাখ টকাৰ অনুমোদন দিছে।

২) ২০০৬-০৭ চনত ৰাজ্য সভাৰ মাননীয় সাংসদ চৈয়দা আনোৱাৰা টাইমুৰে সাংসদ পুঁজিৰ অধীনত আজান পীৰৰ উন্নয়নৰ বাবে ১৫.০০ লাখ টকাৰ অনুদান আগবঢ়ায়। এই পুঁজিৰে 'প্ৰেক্ষাগৃহ', তোৰণ' আৰু অন্যান্য উন্নয়ণৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত।

(ঙ) দৰ্গাহ উন্নয়নৰ বাবে ২০০৭-০৮ বিত্তীয় বর্ষত ৰাজ্যিক পৰিকল্পনাৰ ধনেৰে ২০.০০ লাখ টকা মোকোলাই দিয়া হৈছে।

(চ) হয়। "ৰামখা পীঠ"ৰ উন্নয়ণৰ বাবে অসম চৰকাৰে আঁচনি গ্ৰহণ কৰিছে।

(ছ) হয়। আছে। ২০০৬-০৭ বর্ষত আছুতীয়া পুঁজিৰ অধীনত অসম চৰকাৰৰ পৰা পোৱা ৫.০০ লাখ টকাৰে "ৰামখা পীঠ"ৰ কাম প্ৰায় সম্পূৰ্ণৰ পথত। ইয়াৰ উপৰিও মাননীয় ৰাজ্য সভাৰ সাংসদ শ্ৰীযুত দ্বিজেন্দ্ৰ নাথ শৰ্ম্মাৰ সাংসদ পুঁজিৰ ৩.০০ লাখ টকাৰে তীৰ্থযাত্ৰীৰ থকাৰ সুবিধাৰ্থে এটি অতিথি গৃহ নিৰ্ম্মাণৰ কাম প্ৰায় ৭০ শতাংশ আগবাঢ়িছে। ইতিমধ্যে উক্ত পীঠৰ উন্নয়ণৰ বাবে ৫.০০ লাখ টকাৰ প্ৰাক্-কলন আছুতীয়া পুঁজিৰ অধীনত অনুমোদনৰ কাৰণে চিঠি নং "SIV (P) 15/2006/47 dt.25-2-08"ৰ দ্বাৰা শিৱসাগৰৰ উপায়ুক্তই অসম চৰকাৰলৈ প্ৰেৰণ কৰিছে।

বিষয় ঃ নলী-নাদ পুনৰ নির্মাণ।

শ্রীবলিন চেতিয়াই সুধিছে ঃ

৭৬৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ১৯৯২ চনত ডিৰাক চুমনি বান্ধৰ লগতে ভয়ঙ্কৰ ধুমুহাৰ ফলত বৰসাইথং গাঁওৰ সমীপত অৱস্থিত জলসিঞ্চন বিভাগৰ শাখা কার্য্যালয় আৰু নলী-নাদ সমূহ আৰু লগতে কর্মচাৰীৰ কোৱার্টাৰ সমূহ সম্পূর্ণৰূপে ধ্বংস হোৱা সম্পর্কে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, তেন্তে জলসিঞ্চন বিভাগৰ শাখা কার্য্যালয়টো আৰু নলী-নাদসমূহ তথা কর্মচাৰীৰ কোৱার্টাৰসমূহ পুনৰ নির্মাণৰ কিবা আঁচনি ল'বনে?

(গ) যদি লয়, তেন্তে কি আঁচনি লোৱা হ'ব আৰু কেতিয়া পুনৰ কার্য্যক্ষম কৰি তোলা হ'ব জনাবনে?

শ্রীনুৰজামাল সৰকাৰ (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, অৱগত।

(ক) হয়, লোৱা হ'ব।

(গ) কাকপথাৰ গভীৰ নলী-নাদ আঁচনিখনৰ ১টা পইণ্ট আৰু শাখা সহায়কৰ বাসগৃহটোৰ মেৰামতিৰ কাম নির্দিষ্ট শিতানত পুঁজিৰ আৱণ্টন পালে কামখিনি আৰম্ভ কৰি কার্য্যক্ষম কৰি তোলা হ'ব।

বিষয় ঃ সাংস্কৃতিক কেন্দ্র।

শ্রীদুর্গা ভুমিজে সুধিছে ঃ

৭৬৯। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ডুমডুমাত এটা চৰকাৰী সাংস্কৃতিক কেন্দ্ৰ থকাটো চৰকাৰ অৱগত নে?

(খ) উক্ত কেন্দ্ৰটোত চকিদাৰ বা অন্য কৰ্মচাৰী বৰ্ত্তমান আছেনে?

(গ) কেন্দ্ৰটোত থকা ভ্ৰাম্যমাণ মঞ্চ আৰু অন্যান্য সা-সামগ্ৰীসমূহ বৰ্ত্তমান আছেনে?

(ঘ) এই কেন্দ্ৰটো সৰ্বাংগ-সুন্দৰকৈ গঢ়ি তুলিবলৈ চৰকাৰে নতুন আঁচনি গ্ৰহণ কৰিবনে?

শ্ৰীগৌতম বৰা (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) কেন্দ্ৰটিত চতুৰ্থ বৰ্গৰ কৰ্মী প্ৰহ্লাদ তাঁতীৰ মৃত্যু হোৱাত পদটি বৰ্ত্তমান খালী হৈ আছে। এই কেন্দ্ৰত এজন ভাৰপ্ৰাপ্ত বিষয়া আৰু এজন নিম্নবৰ্গৰ সহায়ক এতিয়ালৈকে কাম কৰি আছে।

(গ) আছে। অৱশ্যে সেইবোৰ পুৰণি হোৱা বাবে ব্যৱহাৰৰ অনুপযোগী হৈছে।

(ঘ) ২০০ দিনীয়া কৰ্ম আঁচনিৰ যোগেদি অন্য সাংস্কৃতিক কেন্দ্ৰৰ দৰে ডুমডুমা সাংস্কৃতিক কেন্দ্ৰটো বিভিন্ন বিষয়ক নৃত্য-গীতৰ প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত কৰি অহা হৈছে।

বিষয় ঃ খণ্ড উন্নয়ন বিষয়াৰ সংখ্যা।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

৭৭০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বিভাগৰ অধীনত সৰ্বমুঠ কিমানজন খণ্ড উন্নয়নয় বিষয়া আছে?

(খ) উক্ত বিষয়াসকলৰ ভিতৰত অসম প্ৰশাসনিক সেৱাৰ বিষয়া কেইজন আছে?

(গ) খণ্ড উন্নয়ন বিষয়াসকলক কেৱল নিজ বিভাগৰ পৰা নিযুক্তি দিব পাৰিনে?

(ঘ) চৰকাৰে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত সৰ্বমুঠ ৩১১টা খণ্ড উন্নয়ন বিষয়াৰ পদৰ বিপৰীতে বৰ্ত্তমান ১৮৫ জন বিষয়া আছে।

(খ) উক্ত খণ্ড উন্নয়ন বিষয়াসকলৰ ভিতৰত ৬৬ জন অসম প্ৰশাসনিক সেৱাৰ বিষয়া আছে।

(গ) খণ্ড উন্নয়ন বিষয়া সকলৰ নিযুক্তি নিজ বিভাগৰ উপৰিও অসম প্ৰশাসনিক সেৱাৰ জুনিয়ৰ গ্ৰেডৰ বিষয়াৰ ডেপুটেচনত নিয়োগ কৰা হয়।

(ঘ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

Subject : Allocation of Fund.

Shri Anwarul Hoque asked :

771. Will the Minister of Panchayat and Rural Development be pleased to state :-

(a) How much fund was allotted to Karimganj Zilla Parishad

for execution of SGRY schemes for 2007-08 (Blockwise fund may be shown).

(b) What are the schemes executed in Badarpur Dev. Block and the South Karimganj Dev. Block (furnish the schemes along wih the amount spent against the scheme may shown).

(c) How much rice component is received by the Karimganj Zilla Parishad in SGRY 2007-08 schemes ?

(d) Whether rice component so received was actually disbursed to the worker against the work done ?

(e) If so, list of workers may be furnished ?

Shri Chandan Brahma (Minister of Panchayat & Rural Development) replied :

(a) An amount of Rs. 185.07 lakhs was allotted to Karimganj Zilla Parishad for execution of SGRY scheme during 2007-08. The Blockwise break up of the Karimganj Zilla Parishad is given below :-

Name of Block	Amount
a) Badarpur Dev. Block	Rs. 185.07 lakhs
b) South Karimganj Dev. Block	Rs. 23.50 lakhs
c) R. K. Nagar Dev. Block	Rs. 58.87 lakhs
d) Dullavcherra Dev. Block	Rs. 33.46 lakhs
e) North Karimganj Dev. Block	Rs. 20.97 lakhs

Name of Block	Amount
f) Patharkandi Dev. Block	Rs. 22.71 lakhs
g) Lowairpoa Dev. Block	Rs. 36.86 lakhs

(b) List of schemes along with progress of work under Badarpur and South Karimganj Block is given at **Annexure-"B"** and placed the same on the table of the House. (See Annexure – XVIII)

(c) 350.00 MT of food grains received by Karimganj Zilla Parishad during 2007-08 under SGRY programme.

(d) Yes.

(e) List of workers who receive food grains as wage component is given at **Annexure–"A"** and and placed the same on the table of the House.
(See Annexure – XIX)

বিষয় ঃ নিগমৰ বাছৰ পৰা টকা সংগ্ৰহ ও লাভ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

৭৭২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসম ৰাজ্যিক পৰিবহন নিগমে ২০০১ চনৰ পৰা এতিয়ালৈকে নিগমৰ বাছ আৰু Under ASTC ৰ জৰিয়তে কিমান টকা সংগ্ৰহ কৰিবলৈ সক্ষম হ'ল আৰু উক্ত সময়ছোৱাত কিমান টকা লাভ হ'ল?

(খ) গুৱাহাটী মহানগৰীত বৰ্ত্তমান অসম ৰাজ্যিক পৰিবহন নিগমৰ কিমানখন চিটি বাছ চলাচল কৰি আছে আৰু ২০০১ চনৰ পৰা এতিয়ালৈকে কিমান টকা সংগ্ৰহ হ'ল আৰু কিমান টকা লাভ হ'ল?

(গ) গুৱাহাটী মহানগৰীত দৈনিক কিমান বে-চৰকাৰী চিটি বাছ, ট্ৰেকাৰ আৰু অট'ৰিক্সা আদি চলাচল কৰে?

(ঘ) বাহিৰৰ পৰা গুৱাহাটীত দৈনিক কিমান গাড়ী প্ৰৱেশ কৰে আৰু গুৱাহাটী মহানগৰীৰ ভিতৰত দৈনিক কিমান গাড়ী চলাচল কৰে?

শ্ৰীচন্দন ব্ৰহ্ম (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা ২০০৮ চনৰ জানুৱাৰী মাহ পৰ্য্যন্ত উপাৰ্জনৰ তালিকা এনে ধৰণৰ ঃ—

১) নিগমৰ নিজা বাছৰ পৰা — ১১,০৫২.৪২ লাখ

২) নিগমৰ অধীনৰ বাছৰ পৰা — ৭,৫০৩.৮৬ লাখ

মুঠ — ১৮,৫৫৬.২৮ লাখ

(খ) গুৱাহাটী মহানগৰীত বৰ্ত্তমান পৰিবহন নিগমৰ ৫৪ খন চিটি বাছ চলাচল কৰি আছে। ২০০১ চনৰ পৰা এতিয়ালৈকে নিগমৰ চিটিবাছৰ পৰা উপাৰ্জন হয় ১৭৬৫.৬৬ লাখ টকা, নিগমে বৰ্ত্তমান লাভ কৰিব পৰা নাই।

(গ) গুৱাহাটী মহানগৰীৰ যাতায়াতৰ সুবিধাৰ বাবে বে-চৰকাৰী চিটি বাছ সেৱাৰ উপৰিও অন্যান্য যান-বাহন সমূহৰ সংখ্যা তালিকা-'ক'ত উল্লেখ কৰা হ'ল। (See Annexure–XX)

(ঘ) গুৱাহাটী মহানগৰীৰ পৰা অসমৰ বিভিন্ন প্ৰান্তৰ আৰু চুবুৰীয়া ৰাজ্যৰ বিভিন্ন প্ৰান্তৰলৈ অহা-যোৱা কৰিবৰ বাবে ২২৭৮ খন বাছৰ অনুজ্ঞাপত্ৰ দিয়া হৈছে। উক্ত বাছসমূহৰ প্ৰায় অৰ্ধেক দৈনিক গুৱাহাটীৰ পৰা বাহিৰলৈ যায় আৰু বাকী অৰ্ধেক দৈনিক গুৱাহাটীত প্ৰৱেশ কৰে। গুৱাহাটীত মহানগৰীৰ ভিতৰত প্ৰশ্নোত্তৰ 'গ'ৰ বাবে যুগুতোৱা তালিকা-'ক'ত উল্লেখিত সংখ্যাৰ যান-বাহনৰ উপৰিও পৰিবহন নিগমৰ

নিজা ও অধীনত চলা ৪২১ খন বাছ বাহিৰৰ পৰা দৈনিক গুৱাহাটীত প্ৰৱেশ কৰে।

বিষয় ঃ ইউনিয়ন কো-অপাৰেটিভ বেংক।

শ্ৰীঅনুপ ফুকনে সুধিছে ঃ

৭৭৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) 'এচকাৰ্ড' আৰু 'এচকাৰ্ড ডি ডব্লিউ'ৰ অস্তিত্ব আৰু স্থিতিৰ বিষয়ে চৰকাৰ কি দৰে অৱগত জনাবনে?

(খ) ইউনিয়ন কো-অপাৰেটিভ বেংকৰ অস্তিত্ব আৰু স্থিতিৰ বিষয়ে চৰকাৰ কিদৰে অৱগত জনাবনে?

(গ) এচকাৰ্ড ডি ডব্লিউ আৰু ইউনিয়ন কো-অপাৰেটিভ বেংকৰ মাজৰ সম্পৰ্ক কি চৰকাৰ অৱগতনে?

(ঘ) ইয়াৰ এচাম শীৰ্ষ বিষয়া আৰু তেওঁলোকৰ সৈতে জড়িত এচাম লোকে 'ইকুইটি অংশীদাৰ' আৰু লক্ষ লক্ষ গ্ৰাহকৰ কোটি কোটি টকা আত্মসাৎ কৰি অংশীদাৰ, গ্ৰাহক, নিম্ন খাপৰ বিষয়া, কৰ্মচাৰী, এজেণ্ট সকলক প্ৰৱঞ্চনা আৰু বিপদগ্ৰস্ত কৰাটো সত্যনে?

(ঙ) যদি সত্য, এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কি কি কাৰ্য্যকৰী প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে জনাবনে?

(চ) এচকাৰ্ড বেংক (জমা শাখা) সুৰক্ষা সমিতিৰ ফালৰ পৰা কৰা আন্দোলন তথা উত্থাপিত দাবীসমূহৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা ল'বনে?

শ্ৰীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) 'এচকাৰ্ড' সম্পূৰ্ণ নাম অসম ৰাজ্যিক সমবায় কৃষি আৰু গ্ৰাম্য বিকাশ

,বেংক (Assam State Co-operative Agriculture and Rural Dev. Bank) সমবায় খণ্ডৰ দীৰ্ঘম্যাদী কৃষি ঋণৰ বাবে থকা বেংক। এই বেংকৰ অস্তিত্ব আৰু স্থিতিৰ বিষয়ে চৰকাৰ সম্পূৰ্ণ অৱগত।

এচকার্ড (ডি ডব্লিউ) বুলি কোনো প্রতিষ্ঠান সমবায় খণ্ডত নাই। গতিকে ইয়াৰ অস্তিত্ব আৰু স্থিতিৰ সম্পর্কত চৰকাৰৰ ক'ব লগা নাই।

(খ) ইউনিয়ন কোঃ অপাৰেটিভ বেংক অসম সমবায় আইন ১৯৪৯ আৰু ভাৰতীয় ৰিজার্ভ বেংকৰ অনুমোদ সাপেক্ষে গঠন হোৱা সমবায় খণ্ডৰ এটা বেংক। এই বেংকৰ মুখ্য কার্য্যালয় চন্দন নগৰ, বেলতলা, গুৱাহাটীত আছে।

(গ) এচকার্ড ডি ডব্লিউ আৰু ইউনিয়ন কোঃ অপাৰেটিভ বেংকৰ মাজৰ সম্পর্ক এনেধৰণৰ — ইউনিয়ন কোঃ অপাৰেটিভ বেংকৰ প্রমটাৰ হ'ল এচকার্ড ডিঃ ডব্লিউৰ ২৫টা শাখা।

(ঘ) ইউনিয়ন কোঃ অপাৰেটিভ বেংকৰ বিৰুদ্ধে কোনো ধৰণৰ প্রৱঞ্চনাৰ গোচৰ থকাৰ বিষয়ে বিভাগ অৱগত নহয়।

(ঙ) প্রশ্ন নুঠে।

(চ) এচকার্ড বেংক (জমা শাখা) সুৰক্ষা সমিতি বুলি চৰকাৰৰ সমবায় বিভাগৰ অধীনত কোনো সংগঠন নাই। গাঁ কে ব্যৱস্থা লোৱাৰ প্রশ্ন নুঠে।

বিষয় ঃ সমবায় সমিতি নির্বাচন।

শ্রীজ্যোতি প্রসাদ দাসে সুধিছে ঃ

৭৭৪। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বকো বিধান সভা সমষ্টিৰ অন্তৰ্গত সোণতলী, টুপামাৰী আৰু ছমৰীয়া গাঁও পঞ্চায়ত সমবায় সমিতিসমূহৰ নিৰ্বাচন অনুষ্ঠিত নকৰাৰ কাৰণ কি?

(খ) বিভাগীয় নিৰ্দেশ থকা স্বত্বেও এনেধৰণে নিৰ্বাচন অনুষ্ঠিত নকৰা বিষয়া সকলৰ ওপৰত আৰু উক্ত সমবায় সমিতিসমূহৰ ওপৰত শাস্তিমূলক ব্যৱস্থা ল'ব নোৱাৰি নেকি?

(গ) অসুবিধাসমূহ অতি সোনকালে দূৰ কৰি অতি সোনকালে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে কেতিয়া সময় ঘোষণা কৰিব?

শ্ৰীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বকো বিধান সভা সমষ্টিৰ অন্তৰ্গত সোণতলী, টুপামাৰী আৰু ছমৰীয়া গাঁও পঞ্চায়ত সমিতিসমূহৰ নিৰ্বাচন অনুষ্ঠিত নকৰাৰ কাৰণসমূহ এনে ধৰণৰ ঃ—

সোণতলী সমবায় সমিতিখন বিভাগীয় বিষয়াৰ তত্ত্বাৱধানত আছে। উক্ত সমবায় সমিতিখন চৰ অঞ্চলত থকাৰ বাবে বছৰটোৰ বেছি সময় পানীৰ তলত থাকিব লাগে। আনহাতে, বিভাগীয় বিষয়াই ২/৮/২০০৬ তাৰিখত সমিতিৰ দায়িত্ব লওঁতে সমিতিৰ ৰোকৰ বহী (Cash Book) মতে মাত্ৰ ৬০.০০ টকা (ষাঠি) মূলধন পাইছিল। বৰ্তমান সমিতিৰ আৰ্থিক অৱস্থা ভাললৈ আহিছে আৰু এতিয়া মূলধন ৩,৫০,০০০.০০ টকা (তিনি লাখ পঞ্চাশ হাজাৰ) হৈছে। এই সমিতিৰ নিৰ্বাচন ২৪/৫/২০০৮ তাৰিখত অনুষ্ঠিত কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে।

টুপামাৰী সমবায় সমিতিত ৩/১/০৮ ইং তাৰিখে বিভাগীয় বিষয়া এজন দিয়া হৈছে। উক্ত বিষয়াই মে' ২০০৮ ইং চনৰ ভিতৰত সমবায় আইন মতে A.G.M./Election পাতিবৰ বাবে শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুতকৰণৰ কাম চলাই থকা হৈছে।

ছমৰীয়া গাঁও পঞ্চায়ত সমবায় সমিতি ২৭/৫/২০০৭ চনত নিৰ্বাচন পাতিবৰ বাবে যাৱতীয় ব্যৱস্থা লৈ আগবাঢ়োতেই কিছু সংখ্যক অংশীদাৰে মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত এক গোচৰ ৰুজু কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ে উক্ত গোচৰ নং W.P.(C) 2411/07ত ২৩/৫/২০০৭ ইং তাৰিখত নিৰ্বাচন বন্ধ ৰাখিবৰ বাবে আদেশ জাৰি কৰে। যিহেতু বিষয়টো বৰ্তমানে আদালতৰ বিচাৰাধীন সেয়ে ছমৰীয়া সত্ৰ সমবায় সমিতিত নিৰ্বাচন পাতিব পৰা হোৱা নাই।

(খ) উক্ত তিনিওখন সমবায় সমিতিত থকা বিষয়াসকলে ২০০৭-২০০৮ বৰ্ষৰ নিৰ্বাচন আৰু সাধাৰণ সভা অনুষ্ঠিত কৰাত বিফল হ'লে বিভাগীয় নীতিমতে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব।

(গ) সোনতলী সমবায় সমিতিত ২৪/৫/২০০৮ তাৰিখত নিৰ্বাচন পাতিবৰ বাবে সিদ্ধান্ত লোৱা হৈছে। টুপামাৰী সমবায় সমিতিত সমবায় আইন মতে ২৯/৫/২০০৮ তাৰিখৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। ছমৰীয়া সত্ৰ সমবায় সমিতিৰ উচ্চ ন্যায়ালয়ত থকা গোচৰ খাৰিজ হোৱাৰ পিচতহে নিৰ্বাচনৰ সিদ্ধান্ত ল'ব পৰা যাব।

বিষয় ঃ জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্প।

শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ

৭৭৫। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) অসমত সর্বমুঠ কিমানটি জ্যোতি-বিষ্ণু সাংস্কৃতিক প্রকল্প গঢ়ি তোলা হ'ব?

(খ) চলিত বিত্তীয় বর্ষতে এই সাংস্কৃতিক প্রকল্পসমূহৰ কাম আৰম্ভ কৰা হ'বনে?

(গ) প্রতিটো প্রকল্পৰ বাবে কিমান টকা ব্যয় ধার্য্য কৰা হৈছে?

শ্রীগৌতম বৰা (সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) মাননীয় মুখ্য মন্ত্রীৰ ২০০৬-০৭ চনৰ বাজেট অধিবেশনৰ ভাষণত দিয়া ঘোষণা অনুসৰি ১০০ বিষ্ণু-জ্যোতি প্রকল্প স্থাপনৰ মনস্থ কৰা হৈছে।

(খ) চলিত বিত্তীয় বর্ষত পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ পৰা ২ কোটি টকাৰ অনুমোদন পোৱা হয় যদিও বিত্ত বিভাগৰ পৰা অনুমোদন নোপোৱাৰ বাবে কাম আৰম্ভ কৰিব পৰা নহ'ল। ২০০৮-০৯ বিত্তীয় বর্ষত পুনৰ বিত্ত বিভাগৰ পৰা ধন বিচৰা হ'ব।

(গ) প্রস্তুত কৰা প্রাক্কলন মতে প্রতিটো প্রকল্পৰ বাবে মুঠ ৩০ লাখ টকা ধার্য্য কৰা হৈছে।

Subject : Schemes taken up under various Dev. Boards of Cachar.

Dr. Rumi Nath asked :

776. Will the Minister of WPT & BC be pleased to state :-

(a) What is the total amount allotted under Plan and Non-plan fund for ITDP, Sub-Divisional S.C., O.B.C., Plain

Tribes Welfare Board for the year 2005-06, 06-07, 07-08, 08-09 ?

(b) What are the schemes taken-up and yet to be taken-up under Plan and Non-Plan Fund of ITDP, Sub-Divisional S.C., OBC, Plain Tribes Welfare Board for the year 2005-06, 06-07, 07-08, 08-09 in the District of Cachar? (Furnish the list of all the schemes in details of location, schemes Head, amount, position etc. with reference to Borkhola LAC)

(c) What are the schemes available under ITDP, Sub-Divisional S.C., OBC, Plain Tribes Welfare Board for the welfare of the poor backward people Cachar, Karimganj and Hailakandi district ? (Furnish in details of all the scheme Heads, Deptt. Heads Criteria for selection of beleficiaris etc.)

(d) Is the Govt. aware that so many Tribal Villages are excluded from the list of ITDP in the Districts of Barak Valley ? If so, what steps will the Govt. take-up for inclusion of all Tribal Villages in the list of ITDP in order to strengthen the Development process to the poor backwards Tribal People of the Valley ? (Furnish all the villages falling under the ITDP.)

(e) Whether the Govt. has taken any plan for increasing the scholarships of SC/ST. (P & H) and OBC in the State of Assam ? What steps have been taken by the Govt. in this regards ?

Smti. Pramila Rani Brahma (Minister, WPT & BC Deptt.) replied :

(a) No amount was alloted under Plan and Non-plan to I.T.D.P., Sub-Divisional S.T. and O.B.C. Development Board during 2005-06, 2006-07, 2007-08. No fund is allocated for 2008-09 of the year.

(b) As there is no provision for allocation of any fund directly to any Board or PIC list of schemes can not be submitted.

(c) There is no provision of fund allocation or implementation of schemes directly by ST/SC/OBC Boards or PIC. However, schemes implemented by Project Director, ITDP and SDWOs are enclosed at Annexure–'A'.

(See Annexure–XXI)

(d) No such report has been received from the Project Director, Silchar. However, if any such proposal is received steps will be taken as per the guideline of Govt. of India.

(e) The Post-matric Scholarship to ST/SC/OBC are awarded as per the guideline of Govt. of India. In such decisionto increase the rate of scholarship rests on Govt. of India.

However, the Govt. in WPT & BC Deptt. has initiated process of taking up the proposal of enhancement of ST/SC/OBC scholarship with concerning Ministries of Govt. of India.

বিষয় ঃ চালানী মাছ।

শ্রীপ্রণৱ কলিতাই সুধিছে ঃ

৭৭৭। মাননীয় মীন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসমৰ মাছৰ বজাৰখনৰ নিয়ন্ত্রণ চৰকাৰৰ হাতত আছেনে? যদি নাই, কাৰ দখলত আছে? এই বজাৰখনৰ সম্পূর্ণ নিয়ন্ত্রণ চৰকাৰৰ হাতলৈ আনিব নোৱাৰেনে?

(খ) চালানী মাছ কোন কোন ৰাজ্যৰ পৰা আহে, কি কি মাছ আহে আৰু কিমান আহে? মাছসমূহ অসম আহি পাওঁতে কিমান দিন লাগে? চালানী মাছ আৰু শুকান মাছ প্রতিদিনে গড়ে আমাৰ ৰাজ্যলৈ কিমান আহে?

(গ) বিদেশৰ পৰা অসমলৈ মাছ আহে নেকি? যদি আহে, কি কি মাছ আহে?

(ঘ) বাহিৰৰ পৰা অহা মাছসমূহ স্বাস্থ্যৰ বাবে উপযোগীনে? মাছসমূহৰ গুণাগুণ পৰীক্ষা কৰাৰ কি ব্যৱস্থা আছে? ৰৌ, বৰালী, ভকুৱা, আৰি, চিতল, শিঙি, মাগুৰ আৰু কাৰৈ মাছত কি কি ভিটামিন থাকে পৃথককৈ দেখুৱাবনে?

শ্রীনুৰজামাল সৰকাৰ (মীন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ বিভিন্ন বজাৰত সাধাৰণতে অন্যান্য কৃষিজাত সামগ্রীসমূহৰ লগতে মাছৰো বেচা-কিনা হয়।

এই বজাৰ-হাটসমূহ স্থানীয় নিকায় যেনে— পৌৰ নিগম, পৌৰ সভা, নগৰ সমিতি, জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাওঁ পঞ্চায়তৰ অধীনত পৰিচালিত হয়।

(খ) অন্ধ্রপ্রদেশ, উত্তৰ প্রদেশ, পশ্চিমবঙ্গ আদি ৰাজ্যৰ পৰা চালানী মাছ আমদানি কৰা হয়।

সাধাৰণতে ৰৌ, বাহু (ভকুৰা), চিতল, আৰি, বৰালী, ইলিচ, কচ আদি মাছ অসমলৈ আহে।

মাছসমূহ অসম আহি পাওঁতে সাধাৰণতে ৭/৮ দিন সময় লাগে।

চালানী মাছ প্রতিদিনে গড়ে ৪৫ মেট্রিকটন আৰু শুকান মাছ ৬ মেট্রিকটন অসমলৈ আহে।

(গ) বিদেশৰ পৰা অসমলৈ কিছু পৰিমাণে ইলিচ, কচ আৰু চিতল মাছ আহে।

(ঘ) বাহিৰৰ পৰা অহা মাছসমূহ সাধাৰণতে স্বাস্থ্যৰ বাবে অনুপযোগী নহয়। কেতিয়াবা কেতিয়াবা বিশেষ কাৰণবশতঃ খাদ্যৰ অনুপযোগী মাছ অহাটো নুই কৰিব নোৱাৰি। নষ্ট হৈ যোৱা মাছ বাহ্যিক পৰীক্ষাৰ দ্বাৰাই গম পোৱা যায় যদিও এনে মাছৰ বিভিন্ন আনুসাঙ্গিক গুণাগুণ পৰীক্ষা কৰাৰ সুবিধা Public Analyst-ৰ Laboratory-ত আছে।

ৰৌ, ভকুৰা, আৰি, চিতল, বৰালি, শিঙি, কাৰৈ আৰু মাগুৰ মাছত ভিটামিন 'A', 'B' Complex 'D', 'E', আৰু 'K' পোৱা যায়।

উল্লেখযোগ্য যে ঋতু আৰু সময় সাপেক্ষে ভিটামিনৰ পৰিমাণ একেটা মাছতে পৰিৱর্তন হৈ থাকে।

বিষয় ঃ বি,টি,এ,ডি এলেকা উন্নয়নৰ কাম।

শ্রীহাফিজ বছিৰ আহমেদে সুধিছে ঃ

৭৭৮। মাননীয় পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ২৬ নং বিলাসীপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত B.T.A.D. এলেকাত যোৱা ২০০৬-০৭ আৰু ২০০৭-০৮ চনত বিভিন্ন শিতানত চৰকাৰে কিমান টকা উন্নয়নৰ বাবে আৱণ্টন দিছে?

(খ) উক্ত টকাৰ ভিতৰত কোন কোন শিতানত কিমান টকা খৰচ কৰা হ'ল আৰু উক্ত টকাবোৰ কোনে ৰূপায়ণ কৰিলে? (Action Plan, Operation Plan Executing Agency আদিৰ বিতং তালিকা সদনত দাখিল কৰিব)

(গ) ২৬ নং বিলাসীপাৰা পশ্চিম সমষ্টিৰ অন্তৰ্গত মহামায়া উন্নয়ন খণ্ডৰ অধীনত B.T.A.D. এলেকাত পঞ্চায়ত আৰু গ্ৰামান্নয়ন বিভাগে দিয়া বিভিন্ন শিতানত যেনে-- SGRY-SGSY, IBS, SGSY (PI) ধনৰ ৰূপায়ণৰ বাবে স্থানীয় বিধায়কে কোনো আঁচনি দিব পাৰেনে?

(ঘ) যদি পাৰে, তেন্তে যোৱা ২০০৬-০৭ আৰু ২০০৭-০৮ চনত এতিয়ালৈ স্থানীয় বিধায়কৰ কি-কি আঁচনি ৰূপায়ণ কৰা হৈছে? (বিতং তথ্য সহকাৰে সদনত দাখিল কৰিব)

শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বিলাসীপাৰা পশ্চিম সমষ্টিৰ অধীনৰ BTAD এলেকাৰ অন্তৰ্গত মহামায়া উন্নয়ন খণ্ডৰ অধীনত ২০০৬-০৭ আৰু ২০০৭-০৮ লৈকে আৱণ্টন দিয়া ধনৰ হিচাব হ'ল ঃ-

আঁচনিৰ নাম	আৱণ্টন দিয়া ধনৰ পৰিমাণ	
	২০০৬-০৭	২০০৭-০৮ (২৫-৩-০৮) লৈকে
SGRY	৩৪.৪৬ লাখ	৩৮.১৯ লাখ
IAY	৩৩.২৭৫ লাখ	৩৫.৭৫ লাখ

(খ) উক্ত ধনৰ হিচাব বিত্তীয় বর্ষ হিচাবে তলত দিয়া হ'ল ঃ-

আঁচনিৰ নাম	আৱণ্টন দিয়া ধনৰ পৰিমাণ	
	২০০৬-০৭	২০০৭-০৮ (২৫-৩-০৮) লৈকে
SGRY	৩৪.৪৬ লাখ	৩৮.১৮ লাখ
IAY	৩৩.২৭৫ লাখ	৩৫.৭৫ লাখ

SGRY ৰ Action Plan আৰু Operation Plan Annexure–'A' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল। উল্লেখ থাকে যে এলেকাৰ আঁচনিসমূহ সংশ্লিষ্ট খণ্ড উন্নয়ন বিষয়া আৰু MCLA (Member of Council Legislative Assembly)ৰ জৰিয়তে ৰূপায়ন কৰা হয়। IAY ৰ অধীনত উপকৃত হোৱা হিতাধিকাৰী সমূহ IAY Permanent Wait List-ৰ পৰা Score ক্ৰমত নিৰ্বাচন কৰা হৈছে আৰু এই আঁচনিখনো BTAD এলেকাৰ MCLA ৰ জৰিয়তে ৰূপায়ন কৰা হয়।

(গ) দিব নোৱাৰে।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ বাছৰ সংখ্যা।

শ্ৰীৰছুল হকে সুধিছে ঃ

৭৭৯। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ধুবুৰী পৰিবহন আস্থানৰ পৰা দিনে কিমানখন ডাঙৰ বাছ অসমৰ বিভিন্ন স্থানলৈ চলাচল কৰে?

(খ) বাছসমূহৰ ভিতৰত কিমানখন পৰিবহনৰ বাছ, কিমানখন ডাঙৰ বাছ আৰু কিমানখন মিনি বাছ?

(গ) ধুবুৰী জিলাত মুঠ কিমানটা পৰিবহনৰ বাছ আস্থানত তেলৰ ডিপো আছে? (সমষ্টি ভিত্তিত উল্লেখ কৰিব)

(ঘ) জিলাখনৰ কোনকেইটা বাছ আস্থানত চৰকাৰে তেল ডিপো স্থাপন কৰাৰ প্রস্তাৱ কৰিছে?

(ঙ) ধুবুৰী জিলাত পৰিবহন নিগমৰ অধীনত মুঠ কিমানখন বে-চৰকাৰী বাছ চলাচল কৰে? (সমষ্টি ভিত্তিত জনাব)

(চ) ধুবুৰী জিলাত বর্ত্তমানে কিমানখন পৰিবহন নিগমৰ বাছ অচল অৱস্থাত আছে?

(ছ) বর্ত্তমান ধুবুৰী জিলাত পৰিবহন নিগমত মুঠ কিমানজন বিষয়া কর্মচাৰী আছে?

(জ) ধুবুৰী জিলাত পৰিবহনৰ অধীনত কিমানটা পদ খালী হৈ আছে?

(ঝ) উক্ত পদসমূহ পূৰণৰ বাবে চৰকাৰে ব্যৱস্থা হাতত লৈছেনে?

(ঞ) যদি লৈছে, উক্ত পদসমূহ কিমান দিনৰ ভিতৰত পূৰণ কৰা হ'ব?

শ্রীচন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী পৰিবহন আস্থানৰ পৰা এখন ডাঙৰ আৰু চাৰিখন সৰু বাছকে ধৰি মুঠ ৫ খন বাছ অসমৰ বিভিন্ন স্থানলৈ চলাচল কৰে।

(খ) বাছসমূহৰ ভিতৰত পৰিবহন নিগমৰ এখন ডাঙৰ নিজা বাছ আৰু সৰু চাৰিখন ব্যক্তিগত মালিকাধীন বাছ।

(গ) ধুবুৰী জিলাৰ ধুবুৰী সমষ্টিৰ অন্তর্গত ধুবুৰী পৰিবহন কাৰখানা চৌহদত এটা তেলৰ ডিপো আছে।

(ঘ) গৌৰীপুৰ আৰু চাপৰত নিগমে তেল ডিপো স্থাপনৰ বিষয়টো বিবেচনাধীন হৈ আছে।

(ঙ) ধুবুৰী সমষ্টি — ৪ (চাৰি) খন।
গৌৰীপুৰ পূৱ সমষ্টি — ২ (দুই) খন।
বিলাসীপাৰা সমষ্টি — ১ (এক) খন।
গোলকগঞ্জ সমষ্টি — নাই।

(চ) ৩ (তিনি) খন অচল হৈ আছে।

(ছ) ধুবুৰী জিলাত পৰিবহন নিগমত ২ (দুজন) বিষয়াসহ মুঠ ৬১ (এষষ্ঠি) জন কর্মচাৰী আছে।

(জ) ধুবুৰী জিলাত পৰিবহন নিগমৰ অধীনত কোনো পদ খালী নাই।

(ঝ) প্রশ্ন নুঠে।

(ঞ) প্রশ্ন নুঠে।

Subject : Scheme under S.C.C.P.

Shri Sambhu Sing Mallah asked :

780. Will the Minister of WPT & BC be pleased to State :

a) Whether the Govt. have got any proposal from Commissioner P.W.D. for sanctioning three (3) nos. of Roads in Karimganj District under S.C.C.P. Scheme during the last financial year, 2006-07 ?

b) If so, State the improvement of S.S. Road Bishnupur improvement of Anipur Dullab Cherra via Bidyanagar P.M.G.S.Y. Road to Dullab Cherra State Veterinary Hospital, improvement of C.R. Road to Singlachung Tiniali to Dullab-cherra via Dargorbonda ?

c) How much fund has sanctioned under S.C.C.P. Scheme for Ratabari S.C. Constituency.

Smti. Pramila Rani Brahma (Minister, WPT & BC) replied:

a) Yes, Received at the fag end of the year.

b) As the proposal of the schemes were received on 26th March/07, and by this time fund under SCSP for the Financial year 2006-07 had already been exhausted and the scheme could not be considered.

c) Fund is not sanctioned Constituency wise.

Subject : Population data base.

Dr. Alaka Sarma asked :

781. Will the Minister of Panchayat and Rural Development be pleased to State :

(a) Is it a fact that under Panchayat & Rural Development, several schemes for beneficiaries are allotted to SC/ST or other people on the basis of population ?

(b) If so, which year census data are used to determine the population figure ?

(c) Whether the Govt. have used latest census data ? If not, what are the reasons ?

(d) Whether department has any plan to update the data base ?

Shri Chandan Brahma (Minister of Panchayat & Rural Development) replied :

(a) Yes.

(b) 2001.

(c) Yes.

(d) Yes.

বিষয় ঃ সমবায় সমিতিৰ চাউল।

শ্রীবলিন চেতিয়াই সুধিছে ঃ

৭৮২। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ইংৰাজী ২০০৬-০৭ চনত কাকপথাৰ সমবায় সমিতিলৈ বিভিন্ন আঁচনিৰ চাউল কিমান দিয়া হৈছিল তথ্য সহকাৰে জনাবনে?

(খ) যিসকল সমবায় সমিতিৰ Agent আছে, তেওঁলোকে এই চাউলবোৰ সংগ্রহ কৰি উপভোক্তা সকলক সমবিতৰণ কৰিছেনে?

(গ) এই সমবায় সমিতিখনৰ অংশীদাৰ কিমান জনাবনে?

(ঘ) সমবায় সমিতিৰ সম্পাদকজনৰ শিক্ষাগত অর্হতা কিমান হ'ব লাগে জনাবনে?

(ঙ) ইচ্ছুক ব্যক্তিয়ে সমবায়ৰ অংশীদাৰ হ'বলৈ কিয় দিয়া নহয় জনাবনে?

শ্রীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ইংৰাজী ২০০৬-০৭ চনত কাকপথাৰ সমবায় সমিতিলৈ বিভিন্ন আঁচনিৰ অধীনত মুঠ ১৬,১০১.০১ কুইণ্টল চাউল আৱণ্টন দিয়া হৈছিল। (বিতং তথ্য তালিকা 'ক'ত সন্নিবিষ্ট কৰা হ'ল)
(See Annexure–XXII)

(খ) হয়, আৱণ্টিত সামগ্রীৰ বিপৰীতে উঠোৱা চাউল এজেণ্ট সকলে উপভোক্তা সকলক সম-বিতৰণ কৰিছে। এই সন্দর্ভত অভিযোগ পোৱা হোৱা নাই।

(গ) কাকপথাৰ সমবায় সমিতিৰ অংশীদাৰ ২,৭৬৪ জন।

(ঘ) সমবায় সমিতিৰ সম্পাদকৰ শিক্ষাগত অর্হতা সম্পর্কত সমিতিৰ উপ-বিধিত কোনো উল্লেখ নাই। কাকপথাৰ সমবায় সমিতিৰ সম্পাদকজন সমিতিখনৰ পৰিচালনা কমিতিয়ে গ্রহণ কৰা প্রস্তাৱ সাপেক্ষে নিয়োজিত সম্পাদক।

(ঙ) গাঁও পঞ্চায়ত পর্য্যায়ৰ সমবায় সমিতিৰ উপবিধিৰ ৬ নং ধাৰাত উল্লেখিত নিয়ম অনুযায়ী সমিতিৰ পৰিসৰৰ ভিতৰত বাস কৰা যোগ্যতা থকা ১৮ বছৰৰ ওপৰৰ সকলো ব্যক্তিয়েই সভ্যপদ (অংশীদাৰ) হোৱাত বাধা নাই।

বিষয় ঃ অসমৰ গ্রামসেৱক/সেৱিকাৰ সংখ্যা।

শ্রীদুর্গা ভূমিজে সুধিছে ঃ

৭৮৩। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়াই অনুগ্রহ কৰি জনাবনে?

(ক) অসমত সর্বমুঠ কিমানজন গ্রামসেৱক/গ্রামসেৱিকা আছে?

(খ) তেওঁলোকৰ দ্বাৰা বিগত ১০ বছৰত অসমৰ কৃষিৰ শতকৰা কিমান উৎপাদন বৃদ্ধি হোৱাত সহায়ক হৈছে?

(গ) নতুনকৈ গ্ৰামসেৱক/গ্ৰামসেৱিকা নিযুক্তিৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

(ঘ) যদি কৰিছে, কেনে ধৰণে কৰিছে?

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ কৃষি বিভাগত বৰ্ত্তমানলৈ সৰ্বমুঠ ২৪৬৩ গৰাকী কৃষি সম্প্ৰসাৰণ কৰ্মী (V.L.E.W.) আছে।

(খ) যোৱা ১০ বছৰত নানা প্ৰাকৃতিক দুৰ্য্যোগ স্বত্বেও কৃষিজাত সামগ্ৰীৰ উৎপাদন একে আছে। বৰং উদ্যান শস্যৰ উৎপাদন যোৱা ১০ বছৰত ৯% বাঢ়িছে। কৃষি ভূমি কমি যোৱা স্বত্বেও কৃষি উৎপাদন ১০ বছৰত একে থকালৈ চাই কৃষি সামগ্ৰীৰ উৎপাদন তুলনামূলকভাৱে বৃদ্ধি হোৱাকে সূচায়।

(গ) হয়, কৰিছে। ইতিমধ্যে ২৯ গৰাকী কৃষি সম্প্ৰসাৰণ কৰ্মী (V.L.E.W.) নতুনকৈ নিযুক্তি দিয়া হৈছে আৰু ১৫৩ গৰাকীক নতুনকৈ নিযুক্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হৈ আছে।

(ঘ) চৰকাৰী নিয়ম-নীতিৰ জৰিয়তে।

বিষয় ঃ বিকল আঁচনিৰ সংখ্যা।

শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

৭৮৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ডিব্ৰুগড় জিলাৰ অন্তৰ্গত কিমানটা জলসিঞ্চন আঁচনি বিকল হৈ

আছেহঁক (বিকল হৈ থকা আঁচনি সমূহৰ নাম সদনৰ মেজত) দাখিল কৰিব)

(খ) দুলীয়াজান সমষ্টিৰ কিমানটা জলসিঞ্চন আঁচনি আছে আৰু কিমানটা জলসিঞ্চন আঁচনি বিকল হৈ আছে? (বিতংভাৱে জনাব)

(গ) ২০০১ চনৰ পৰা ২০০৭ চনৰ ডিচেম্বৰলৈ দুলীয়াজান সমষ্টিত জলসিঞ্চনৰ নামত কিমান টকা আৱণ্টন দিছে? (বিতংভাৱে জনাব)

শ্ৰীনুৰজামালি সৰকাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ডিব্ৰুগড় জিলাৰ অধীনত ২১ খন ক্ষুদ্ৰ জলসিঞ্চন আঁচনি বিকল অৱস্থাত আছে। বিকল হৈ থকা আঁচনিসমূহৰ নাম তলত উল্লেখ কৰা হ'ল।

বিকল হৈ থকা আঁচনিসমূহৰ নাম ঃ

L.I.S.

1. L.I.S. from river Desang in Joypur area.
2. L.I.S. from river Buridehing in Tipling area.
3. L.I.S. from river Buridehing in Sassoni area.
4. Rehabilitation of Khowang L.I.S. Azarguri Pt.(Old)

D.T.W.

1. Chiringkhat M.D.T.W. Scheme (14 Pts.)
2. Rehabilitation of M.D.T.W. Schemes at Rongsonai Pathar (2 Pts.) (A.R.I.A.S.P.)
3. Kapahua D.D.T.W. Schemes (3 pts.)

4. M.D.T.W. Scheme at Garukhunda (2 pts.)

S.T.W.

1. Jamirah S.T.W. Scheme (16 Pts.)
2. Laruah S.T.W. Scheme (32 Pts.)
3. Joon gaon S.T.W. Scheme (16 Pts.)
4. Pithunagar S.T.W. Scheme (16 Pts.)
5. Bagadharia S.T.W. Scheme (16 Pts.)
6. Dhamon Pilot S.T.W. Scheme (7 Pts.)
7. Tengakhat Pilot S.T.W. Scheme (7 Pts.)
8. Pilot S.T.W. Scheme at Panitola (7 Pts.)
9. Kharamia S.T.W. Scheme (23 Pts.)
10. Chiringholla S.T.W. Scheme (50 Pts.)
11. Muluk gaon S.T.W. Scheme (7 Pts.)
12. Chagalikata S.T.W. Scheme (23 Pts.)
13. No-Khat Sonowal S.T.W. Scheme (50 Pts.)

(খ) দুলিয়াজান সমষ্টিত ১১ খন ক্ষুদ্র জলসিঞ্চন আঁচনি আছে। এই আঁচনিৰ ভিতৰত ৬ খন বিকল অৱস্থাত আছে। আঁচনিসমূহৰ নাম তলত উল্লেখ কৰা হ'ল।

মুঠ আঁচনিৰ নাম ঃ—

1. M.D.T.W. Scheme at Chiringkhat (14 Pts.)
2. Pithunagar S.T.W. Scheme (16 Pts.)

3. Pilot S.T.W. Scheme at Tengakhat (7 Pts.)
4. M.D.T.W. Scheme at Rongsongi Pathar (2 Pts.)
5. Kheremia S.T.W. Scheme (23 Pts.)
6. Lezioni Pathar D.T.W. Scheme (2 Pts.)
7. L.I.S. from river Buridehing in Tipling area.
8. M.D.T.W. Scheme at Borbam Pathar (2 Pts.)
9. M.D.T.W. Scheme at Kapahua (3 Pts.) (N.L.C.P.)
10. L.I.S. from river Buridehing in Tengakhat.
11. M.D.T.W. Scheme at Dighalia (8 Pts.)

বিকল হৈ থকা আঁচনি সমূহৰ নাম ঃ—

1. M.D.T.W. Scheme at Chringkhat (14 Pts.)
2. Pithunagar S.T.W. Scheme (16 Pts.)
3. Pilot S.T.W. Scheme at Tengakhat (7 Pts.)
4. M.D.T.W. Scheme at Rangsongi Pathar (2 Pts.)
5. Kheremia S.T.W. Scheme (23 Pts.)
6. L.I.S. from river Buridehing in ïipling area.

(গ) ২০০১ চনৰ পৰা ২০০৭ চনলৈ দুলীয়াজান সমষ্টিৰ অন্তৰ্গত জলসিঞ্চন আঁচনি সমূহৰ নামত মুঠ ১৪,৭৪,৮০৭.০০ টকা আৱণ্টন দিয়া হৈছিল। বিতং তথ্য প্ৰ-পত্ৰ 'ক', 'খ'ত দিয়া হ'ল।

(See Annexure – XXIII)

বিষয় ঃ কার্য্যক্ষম আৰু বিকল আঁচনিৰ সংখ্যা।

মোঃ মহিবুল হকে সুধিছে ঃ

৭৮৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) গৌৰীপুৰ সমষ্টিত কোন কোন আঁচনি কার্য্যক্ষম হৈ আছে আৰু কোন কোন আঁচনি বিকল হৈ আছে?

(খ) নিষ্ক্রিয় হৈ থকা আঁচনিসমূহ পুনৰ উজ্জীৱিত কৰাৰ বাবে চৰকাৰে কি কি ব্যৱস্থা লৈছে?

(গ) গৌৰীপুৰ সমষ্টিত ৰাজ্যিক পৰিকল্পনা, A.I.B.P. আৰু নাৰার্ডৰ অধীনত বর্তমানে কি কি আঁচনি গ্রহণ কৰা হৈছে?

(ঘ) এই সমষ্টিৰ পৰিত্যক্ত কৃষিভূমি পুনৰ উদ্দীপনৰ বাবে চলিত বছৰটোৰ বাবে কি কি আঁচনি হাতত লোৱা হৈছে?

(ঙ) সমষ্টিবোৰ কিমান হেক্টৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে?

(চ) কিমান হেক্টৰ মাটি এতিয়াও উক্ত আঁচনিৰ পৰা বঞ্চিত হৈ আছে?

শ্রীনুৰজামাল সৰকাৰ (জলসিঞ্চন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) গৌৰীপুৰ সমষ্টিত মুঠ ১৩ খন ক্ষুদ্র জলসিঞ্চন আঁচনি আছে। ইয়াৰ ভিতৰত ১১ খন আঁচনি আংশিকভাৱে কার্য্যক্ষম আৰু বাকী ২ খন আঁচনি বিকল অৱস্থাত আছে। আঁচনিসমূহৰ তালিকা তলত দিয়া হ'ল ঃ-

<u>কার্য্যক্ষম আঁচনি</u> ঃ-

১) ফুলকুমাৰী চাপগৰ উত্তোলন আঁচনি (২টা পইণ্ট)

২) বেগুনতলী গেৰামাৰী উত্তোলন আঁচনি।

৩) চিস্তি প্ৰৱাহিত আঁচনি (BTAD অঞ্চল)

৪) আষাড়ীকান্দি উত্তোলন আঁচনি।

৫) দাওভাঙ্গিঁ উত্তোলন আঁচনি।

৬) গদাধৰ উত্তোলন আঁচনি (৫টা পইণ্ট)।

৭) ডুমৰদহ উত্তোলন আঁচনি (২টা পইণ্ট)।

৮) মংলাঝোৰা প্ৰৱাহিত আঁচনি (BTAD অঞ্চল)।

৯) মধুশৌলমাৰী, টিয়ামাৰী, আদাবাৰী মাথাউৰি আৰু অগভীৰ নলী-নাদ।

১০) গাইখোৱা গভীৰ নলী-নাদ আঁচনি (১নং পইণ্ট)।

১১) নীলবৰুৱাৰ গাওঁ গভীৰ নলী-নাদ আঁচনি (১নং পইণ্ট)।

<u>বিকল আঁচনি</u> ঃ-

১) গৌৰীপুৰ উত্তোলন আঁচনি (বলদমাৰা পইণ্ট)।

২) জলদোৱা উত্তোলন আঁচনি (BTAD অঞ্চল)।

(খ) নিষ্ক্রিয় হৈ থকা আঁচনি সমূহ নির্দিষ্ট শিতানৰ পুঁজি সাপেক্ষে উজ্জীৱিত কৰাৰ বাবে বিভাগৰ ফালৰ পৰা AIBP ত আৰু মেৰামতি শিতানত (২০০৮-২০০৯) প্ৰস্তাৱ লোৱা হৈছে।

(গ) গৌৰীপুৰ সমষ্টিত বৰ্ত্তমানে ৰাজ্যিক পৰিকল্পনাৰ অধীনত কোনো আঁচনি গ্ৰহণ কৰা হোৱা নাই। AIBP ৰ অধীনত ৩টা আঁচনি অন্তর্ভুক্ত কৰাৰ বাবে আঁচনি প্ৰস্তুত কৰি অনুমোদনৰ বাবে প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

আঁচনি সমূহ হ'ল ঃ-

১) বেগুনতলী গেৰামাৰী উত্তোলন আঁচনি।

২) দাওভাঙ্গিঁ উত্তোলন আঁচনি।

৩) গদাধৰ উত্তোলন আঁচনি।

NABARD ৰ অধীনত কোনো আঁচনি লোৱা হোৱা নাই।

(ঘ) গৌৰীপুৰ সমষ্টিৰ পৰিত্যক্ত কৃষি ভূমি পুনৰাজ্জীৱনৰ বাবে চলিত বছৰটোত উঃ ৰামপুৰ ১ম খণ্ডত, উত্তৰ ৰামপুৰ গভীৰ নলী-নাদ আঁচনি পইণ্ট নং ৩ নামেৰে এখন আঁচনিৰ প্ৰাক্‌কলন বিভাগীয় কৰ্তৃপক্ষলৈ অনুমোদনৰ বাবে প্ৰেৰণ কৰা হৈছে। এই আঁচনি কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমোদন পালে কাম হাতত লোৱা হ'ব।

(ঙ) গৌৰীপুৰ সমষ্টিত মুঠ ২৪৩৯ হেক্টৰ খেতিৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা হৈছে।

(চ) উক্ত আঁচনিবোৰৰ পৰা এতিয়া বছৰি ১৩৯৮ হেক্টৰ মাটি জলসিঞ্চনৰ পৰা বঞ্চিত হৈ আছে।

Subject : New Development Block with Headquarter of Nilambazar.

Shri Mission Ranjan Das asked :

786. Will the Minister of Panchayat and Rural Development be pleased to State :

(a) Whether the Govt. has received a public respresentation dtd. 6/10/2007 for the organisation "Nilambazar

Development & Block Demand Committee" for creation of New Development Block of Nilambazar ?

(b) If so, whether the Govt. has taken any step in this direction ? (Please state it in detail)

(c) Whether the Govt. is aware of the fact that South Karimganj Development Block consisting of 21 G.P.s with office at Vill-Shyamnagar under Badarpur LAC and out of which 11 G.P.s are only under South Karimganj LAC ?

(d) If so, whether Govt. will consider creation of a new development Block with office at Nilambazar or around Nilambazar ?

Shri Chandan Brahma (Minister of Panchayat & Rural Development) replied :

(a) No.

(b) Does not arise.

(c) Yes.

(d) The matter is under consideration of the Government.

বিষয় ঃ পৰিচালক মণ্ডলীৰ সদস্য সংখ্যা।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱাহি সুধিছে ঃ

৭৮৭। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসম সমবায় এপেক্স বেংকৰ পৰিচালক মণ্ডলী কেইজন সদস্যৰ দ্বাৰা গঠিত হয়?

(খ) পৰিচালক মণ্ডলী গঠনৰ নীতি সমূহ জনাবনে ?

(গ) বৰ্ত্তমানৰ পৰিচালক মণ্ডলী কেইজনমান সদস্যৰ বিৰুদ্ধে শ্রীবলীন্দ্র শর্মা নামৰ জনৈক ব্যক্তিয়ে মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ তৰাটো সঁচানে?

(ঘ) মাননীয় উচ্চ ন্যায়ালয়ে দুজনমান সঞ্চালক মণ্ডলীৰ সদস্যৰ বিৰুদ্ধে ৰায় দিয়াটো সঁচানে?

(ঙ) যদি সঁচা, তেনেহ'লে উক্ত ব্যক্তিসকলৰ বিৰুদ্ধে কি কি অভিযোগ আছিল জনাবনে?

(চ) অভিযুক্ত ব্যক্তি সকলৰ নাম, ঠিকনা জনাবনে?

(ছ) অভিযুক্ত সকলক পৰিচালক মণ্ডলীৰ সদস্য পদৰ পৰা অব্যাহতি দিয়া হ'লনে?

শ্রীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম সমবায় এপেক্স বেংকৰ পৰিচালক মণ্ডলী সর্বমুঠ ১২ (বাৰ) গৰাকী সদস্যৰে গঠিত হয়।

(খ) অসম সমবায় এপেক্স বেংকৰ উপবিধিৰ ধাৰা ২৫ (১) অনুযায়ী গঠিত প্রশাসনীয় পৰিষদে ইয়াৰ সদস্যৰ মাজৰ পৰা তলত উল্লেখ কৰা সদস্য বর্গক লৈ পৰিচালক মণ্ডলী গঠন কৰা হয়।

(১) প্রশাসনীয় পৰিষদৰ সভাপতি গৰাকী।

(২) প্রশাসনীয় পৰিষদৰ উপসভাপতি গৰাকী।

(৩) পৰিচালক সঞ্চালক।

(৪) প্রশাসনীয় পৰিষদে নির্বাচন কৰিবলগীয়া সমবায় সমিতি সমূহৰ পৰা ৩ (তিনি) গৰাকী প্রতিনিধি সদস্য।

(৫) অসম চৰকাৰৰ দ্বাৰা মনোনীত ৩ (তিনি) গৰাকী সদস্য, ইয়াৰে এগৰাকী সমবায় সমূহৰ পঞ্জীয়ক।

(৬) প্রশাসনীয় পৰিষদে নির্বাচন কৰিবলগীয়া ব্যক্তিগত সভ্যৰ পৰা এগৰাকী প্রতিনিধি সদস্য ।

(৭) প্রশাসনীয় পৰিষদত অন্তর্ভূক্ত কর্মচাৰী সংঘ/সস্থাৰ এগৰাকী প্রতিনিধি ।

(৮) ৰাষ্ট্রীয় কৃষি আৰু গ্রাম্য উন্নয়ন বেংক (নাবার্ড)ৰ এগৰাকী প্রতিনিধি।

(গ) হয়, সঁচা ।

(ঘ) হয়, সঁচা ।

(ঙ) বেংকৰ খিলাপী ধৰুৱা হোৱা স্বত্বেও প্রশাসনীয় পৰিষদলৈ নির্বাচিত হোৱাৰ অভিযোগ।

(চ) (১) শ্রীপ্রবীৰ কুমাৰ ৰয় ।
মৰঙি চাহ মজদুৰ সমবায় সমিতি লিঃ
মৰঙি, পোঃ অঃ ৰঙাজান, জিলা - গোলাঘাট (অসম)

(২) শ্রীঅপূর্ব কুমাৰ বৰুৱা ।
শ্বহীদ কুশল কোঁৰৰ সূতাকল সমবায় সমিতি লিঃ
পোঃ অঃ গোলাঘাট জিলা, গোলাঘাট (অসম)

(৩) শ্রীৰিপু দমন সিং।

অসম টি প্লেন্টাৰচ কোঃ অপাৰেটিভ চোছাইটি লিঃ

প্রযত্নে - এপেক্স বেংক লিঃ, শিলপুখুৰী, গুৱাহাটী - ৭৮১০০৩ (অসম)

(ছ) হয়, অব্যাহতি দিয়া হৈছে ।

বিষয় ঃ বিধায়কৰ পদমর্য্যদা ।

শ্রীকৰেন্দ্র বসুমতাৰীয়ে সুধিছে ।

৭৮৮। মাননীয় ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৬ষ্ঠ অনুসূচিত সাংবিধানিক বিধি তথা আইন অনুসৰি বি,টি,চিৰ অন্তর্গত নির্বাচিত জনগণৰ প্রতিনিধি বিধায়ক সকলৰ পদমর্য্যদা কি ?

(খ) তেওঁলোকক বিভিন্ন চৰকাৰী বোর্ড, সমিতি তথা নিকায়-নিগম সমূহত পদেন সদস্য হিচাপে বি, টি, চি কর্ত্তৃপক্ষই নিযুক্তি কৰি ৰাখেনে ?

(গ) যদি নাৰাখে, কিয়? কিহৰ ভিত্তিত, কোনখন আইনৰ গন্দীত বিধায়ক সকলক উন্নয়ন আৰু বিকাশমূলক কামত জড়িত কৰা নহয় ?

(ঘ) বি, টি, চিৰ বিকাশমূলক কামবোৰ কোনে অনুমোদন দিয়ে আৰু কেনেকৈ কার্য্যকৰী কৰে ?

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ মন্ত্রী)ই উত্তৰ দিছে ।

(ক) বি, টি, চি এলেকাৰ বিধায়ক সকলৰ পদমর্য্যদা সংবিধান অনুসৰি অন্যান্য বিধায়ক সকলৰ সৈতে একে ।

(খ) বিধায়ক সকলক বিভিন্ন চৰকাৰী বোৰ্ড, সমিতি তথা নিকায়-নিগম সমূহত পদেন সদস্য হিচাপে বি, টি, চি কৰ্ত্তৃপক্ষই নিযুক্তি কৰি ৰখাত কোনো বাধা নাই ।

(গ) 'খ' প্ৰশ্নৰ উত্তৰত কোৱা হৈছে ।

(ঘ) বি, টি, চিৰ বিকাশ মূলক কামবোৰ বি, টি, চিৰ কাৰ্য্যবাহী পৰিষদে (Executive Council) অনুমোদন দিয়ে আৰু বিভাগ সমূহৰ জৰিয়তে কাৰ্য্যকৰী কৰে ।

বিষয় ঃ স্বায়ত্ব শাসিত পৰিষদ ।

শ্ৰীঅনুপ ফুকনে সুধিছে ।

৭৮৯। মাননীয় ভৈয়াম জনজাতি ও পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মেচ কছাৰী সকল আৰু অসমৰ এনে কেইবাটাও জনজাতিৰ বাবে "স্বায়ত্ব শাসিত পৰিষদ" গঠনৰ চিন্তা কৰা হৈছে নেকি ? যদি হৈছে, কেনেদৰে কৰা হৈছে ? যদি নাই কৰা, কিয় কৰা হোৱা নাই ? (তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

(খ) মৰাণ, মটক, আহোম, চুতীয়া, কোচ-ৰাজবংশী আৰু চাহ-জনগোষ্ঠী এই ছয়টা জনসমষ্টিৰ জনজাতিকৰণৰ ক্ষেত্ৰত বৰ্ত্তমান চৰকাৰৰ স্থিতি কি জনাবনে? বিভিন্ন পদ্ধতিৰে জনজাতিকৰণৰ এই দাবী চৰকাৰে অৱহেলা কৰিছে বুলি ৰাইজৰ মাজত উঠা অভিযোগৰ ভিত্তি আছে বুলি ভাবেনে?

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নাই কৰা।

(খ) অসম চৰকাৰে বিভিন্ন সময়ত কেন্দ্রীয় চৰকাৰক মৰাণ, মটক, আহোম, চুতীয়া, কোচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠীক জনজাতিকৰণ সন্দর্ভত স্মাৰকপত্র যোগে, প্রস্তাৱ যোগে বাৰে বাৰে অনুৰোধ জনাই আহিছে। জনজাতি হ'ব পৰা চাৰিত্রিক বৈশিষ্ট্যৰ কথা উল্লেখ কৰি এক বিশদ প্রতিবেদন যোৱা ০৫-০৮-২০০৫ তাৰিখে কেন্দ্রীয় চৰকাৰলৈ প্রেৰণ কৰি জনজাতি তালিকাভুক্ত কৰিবলৈ অনুৰোধ জনোৱা হৈছে। তাৰোপৰি ১০ ডিচেম্বৰ/২০০৭ত বিধান সভাৰ মাননীয় অধ্যক্ষৰ নেতৃত্বত এক বিধায়কৰ সজাতি দল দিল্লীত গৈ অসম চৰকাৰৰ মনোভাবৰ কথা ব্যক্ত কৰি আহিছে। গতিকে অৱহেলা কৰা বুলি কৰা অভিযোগ সত্য নহয়।

বিষয় ঃ কল্যাণমূলক আঁচনি গ্রহণ।

ডঃ মনোৰঞ্জন দাসে সুধিছে ।

৭৯০। মাননীয় ভৈয়াম জনজাতি ও পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসমৰ ভৈয়াম জনজাতি ও পিছপৰা শ্রেণীসমূহৰ কল্যাণৰ বাবে চৰকাৰৰ হাতত কি কি আঁচনি আছে ?

(খ) এনে আঁচনি সমূহ বিশেষকৈ ভৈয়াম জনজাতিৰ ক্ষেত্রত NON BTAD এলেকাত থকা জনজাতি লোকৰ বাবেও প্রযোজ্য হয়নে ?

(গ) যদি প্রযোজ্য হয়, তেতিয়াহ'লে ২০০৬-০৭ আৰু ২০০৭-০৮ বিত্তীয় বর্ষত ভৱানীপুৰ সমষ্টিৰ NON BTAD এলেকাৰ জনজাতি আৰু পিছপৰা শ্রেণীৰ লোকৰ বাবে কি কি কল্যাণমূলক আঁচনি লোৱা হৈছিল? (বিতংভাৱে জনাব)

(ঘ) এই আঁচনিবোৰ ক'ত কিদৰে কার্য্যকৰী কৰা হ'ল আৰু ইয়াৰ দ্বাৰা ভৰানীপুৰ সমষ্টিৰ অন্তর্গত NON BTAD এলেকাৰ ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ লোক কিদৰে উপকৃত হ'ল? (হিতাধিকাৰীৰ নামসহ উল্লেখ কৰিব)

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণী বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীসমূহৰ বাবে চৰকাৰৰ হাতত অনুবদ্ধ 'ক'ত দেখুৱা আঁচনি সমূহ আছে।
(See Annexure–XXIV)

(খ) হয়।

(গ) ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্রেণীৰ লোকৰ বাবে চৰকাৰৰ কোনো আঁচনি এই বিভাগৰ দ্বাৰা সমষ্টি ভিত্তিত ৰূপায়ণ কৰা নহয়। গতিকে ভৰানীপুৰ সমষ্টিৰ Non BTAD এলেকাৰ লোকৰ বাবে লোৱা আঁচনিৰ ২০০৬-০৭ আৰু ২০০৭-০৮ বর্ষৰ তালিকা বর্তমান দাখিল কৰিব পৰা নগ'ল। আঁচনি সমূহৰ বাবে বিভাগসমূহৰ পৰা বিচৰা হৈছে আৰু পোৱাৰ পিছত সদনত দাখিল কৰিব পৰা হ'ব।

(ঘ) উক্ত আঁচনিবোৰ প্রকল্প সঞ্চালক, সমন্বিত জনজাতি উন্নয়ণ প্রকল্প আৰু মহকুমা কল্যাণ বিষয়াৰ অধীনত অঞ্চলসমূহত প্রকল্প ৰূপায়ণ কমিটি (PIC) আৰু মহকুমা কল্যাণ পৰিষদ (SDW Board)ৰ অনুমোদন মর্মে কার্য্যকৰী কৰা হয়।

আঁচনি সমূহৰ দ্বাৰা ভৰানীপুৰ সমষ্টিৰ অন্তর্গত Non BTAD এলেকাৰ ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ লোক সামগ্রীকভাৱে উপকৃত হৈছে।

সমষ্টি ভিত্তিত হিতাধিকাৰীৰ নাম বৰ্ত্তমান দাখিল কৰিব পৰা নগ'ল। বিভাগসমূহৰ পৰা পোৱাৰ পিছত হিতাধিকাৰীৰ নাম সদনত দাখিল কৰিব পৰা হ'ব।

বিষয় ঃ পথ দুৰ্ঘটনা ।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ।

৭৯১। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজ্যখনত সঘনে সংঘটিত হৈ থকা শোকাবহ পথ দুৰ্ঘটনাসমূহ ৰোধ কৰিবলৈ চৰকাৰে বৰ্ত্তমানলৈকে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) যোৱাটো বছৰত ৰাজ্যখনত কিমানজন ব্যক্তিয়ে পথ দুৰ্ঘটনাত আহত হৈছে আৰু নিহত হৈছে? (জিলা ভিত্তিত সবিশেষ তথ্য দাখিল কৰিব)

(গ) চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বাছ চালক আৰু কৰ্মচাৰী সকলে চৰকাৰী নীতি-নিয়ম পালন কৰি কৰ্ত্তব্য নিৰ্বাহ কৰি থকাটো নিশ্চিত কৰাৰ বাবে চৰকাৰে বৰ্তমানলৈকে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(ঘ) দোষী বাছ চালক, কৰ্ম্মচাৰী আৰু মালিক তথা ইয়াৰ লগত জড়িত অইন দোষী ব্যক্তিসকলক চৰকাৰে দৃষ্টান্তমূলক শাস্তি দিয়াৰ কথা বিবেচনা কৰিবনে?

শ্ৰীচন্দন ব্ৰহ্ম (পৰিবহন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত সঘনে সংঘটিত হৈ থকা শোকাবহ পথ দুৰ্ঘটনা ৰোধ কৰাৰ বাবে বৰ্তমানলৈকে নিম্নলিখিত ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে।

(১) ৰাষ্ট্ৰীয় ঘাই পথ, ৰাজ্যিক ঘই পথ আৰু প্ৰধান ৰাষ্টা সমূহৰ দাঁতিত

থকা সংকেত চিহ্নৰ ফলক যেনে বাধ্যতামূলক (mandatory road signs) সাৱধানতাৰ ফলক (cautionary road signs) আৰু জাননী ফলক (informatory road signs) আদি জন-সাধাৰণ ও গাড়ী চালক সকলৰ জ্ঞাতাৰ্থে চকুত পৰা স্থানত সংস্থাপন কৰাৰ ব্যৱস্থা লোৱা হৈছে যাতে যান-বাহনৰ দুর্ঘটনা সমূহ ৰোধ হয়।

(২) দুচকীয়া যান-বাহন চালক ও উঠি অহা আৰোহী সকলক হেলমেট পৰিধান কৰাটো বাধ্যতামূলক কৰা হৈছে।

(৩) গাড়ীচালক সকলৰ জ্ঞাতাৰ্থে সময়ে সময়ে গুৱাহাটী মহানগৰকে ধৰি অসমৰ বিভিন্ন জিলাত গাড়ীৰ চালক, গাড়ীৰ পৰিচালক সকলক প্রশিক্ষণৰ ব্যৱস্থা পৰিবহণ বিভাগ, আৰক্ষী তথা গাড়ীৰ মালিক সস্থাই কৰি আহিছে।

(৪) গাড়ীচালক তথা পৰিচালক সকলৰ অনুজ্ঞাপত্র আদি সময়ে সময়ে আৰক্ষীৰ দ্বাৰা ও পৰিবহন বিভাগৰ দ্বাৰা পৰীক্ষা কৰি থকা হৈছে। উক্ত অনুজ্ঞাপত্র সমূহ সঠিক নহ'লে তেওঁলোকৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হয় আৰু আৰক্ষীৰ দ্বাৰা Spot fine কৰাৰ ব্যৱস্থা হৈ আছে।

(৫) অধিক যান-বাহন চলাচল কৰা ৰাস্তা সমূহত বিধিসন্মত ভাৱে Road divider, Speed breaker আৰু Road marking আদিৰ ব্যৱস্থা কৰা হৈছে।

(৬) প্রধান প্রধান ট্রাফিক পুলিচ পইণ্টত কর্ত্তব্য পালন কৰা আৰক্ষী সকলক ৰাতি লাইটৰ পোহৰত জিলিকি থকাকৈ পোছাক আদি পৰিধান কৰোৱাৰ ব্যৱস্থা কৰা হৈছে।

(৭) প্ৰতি বছৰে জানুৱাৰী মাহত ১ম সপ্তাহত ভাৰত চৰকাৰৰ (Ministry of Shipping, Road Transport & Highway Deptt.) নিৰ্দ্দেশনাক্ৰমে Road Safty-ৰ জৰিয়তে সকলো শ্ৰেণীৰ ৰাইজক পথ নিৰাপত্তা ও সুৰক্ষা সম্পৰ্কে অৱগত কৰা হয়। এই দিৱস আৰক্ষীৰ দ্বাৰাও পালন কৰি থকা হৈছে।

(৮) সময়ে সময়ে জনসাধাৰণ আৰু স্কুলীয়া ল'ৰা-ছোৱালীৰ জ্ঞাতাৰ্থে যান-বাহনৰ দুৰ্ঘটনা আদিৰ পৰা জীৱন ৰক্ষাৰ কাৰণে Poster, Banner, Audio Visual আদিৰ ব্যৱস্থা কৰা হৈছে।

(খ) যোৱা ২০০৭ চনৰ বছৰটোত অসমত পথ দুৰ্ঘটনাত আহত আৰু নিহতৰ সংখ্যা লগতে পথ দুৰ্ঘটনাৰ সংখ্যা জিলা ভিত্তিক দিয়া হ'ল।

জিলাৰ নাম	দুৰ্ঘটনাৰ সংখ্যা	আহতৰ সংখ্যা	নিহতৰ সংখ্যা
১। ধুবুৰী	৩৪০	৬৬৯	৭৭
২। কোকৰাঝাৰ	৯৯	১১৬	৪০
৩। বঙাইগাওঁ	১৬৮	২২৫	৫৭
৪। গোৱালপাৰা	১১৫	৯৪	৫০
৫। বৰপেটা	১৬৩	৩২৬	৪৩
৬। নলবাৰী	৮৮	১৫৮	৩৬
৭। কামৰূপ	২২৫	২৬৫	১০৩
৮। নগৰ গুৱাহাটী	৬২৬	৫৩২	২০৭
৯। এচ,আৰ,পি (পাণ্ডু)	৪০	৩১	৬
১০। দৰং	১২৫	১৮০	৪৬

জিলাৰ নাম	দুর্ঘটনাৰ সংখ্যা	আহতৰ সংখ্যা	নিহতৰ সংখ্যা
১১। শোণিতপুৰ	২৩৪	২৮৬	১০২
১২। লক্ষীমপুৰ	১০৫	১৮৫	৩৫
১৩। ধেমাজী	৬০	৩৭	২৪
১৪। মৰিগাওঁ	১০৫	১২০	৩১
১৫। নগাওঁ	৩৪৭	৩৪৮	১৮০
১৬। গোলাঘাট	১৪৫	২৭৯	৮৮
১৭। যোৰহাট	১৩৮	১৬৯	৪৩
১৮। শিৱসাগৰ	১৭৩	১৪৮	৬৪
১৯। ডিব্রুগড়	২০৯	১৩১	৯৪
২০। তিনিচুকীয়া	৮৯	১৩৩	৭৮
২১। কার্বিআংলং	৫৯	৪৩	৩৬
২২। হাফলং (উঃ কাছাৰ)	২১	৪১	১৩
২৩। কৰিমগঞ্জ	১২০	২০৯	৩২
২৪। হাইলাকান্দি	৭৮	১৪৭	২১
২৫। শিলচৰ	৩৭৮	৬৫৮	৬০
২৬। বাচকা	৪২	৪৬	১৬
২৭। চিৰাং	৮৪	১০৮	১৫
২৮। ওদালগুৰি	২৭	১৩	৭
	৪৪০৩	৫৬৯৭	১৬০৪

(গ) চৰকাৰী তথা ব্যক্তিগত খণ্ডৰ বাহ চালক আৰু কৰ্মচাৰী সকলক অনুজ্ঞাপত্ৰ প্ৰদানৰ বেলিকা পৰিবহন বিভাগৰ পৰা কঠোৰতম নীতি অৱলম্বন কৰা হয়। এই নীতি-নিয়ম অৱলম্বন কৰাটো চালক বা পৰিচালকসকল বাধ্য। অন্যথা এই ক্ষেত্ৰত চালক সকলক গাড়ী চলোৱা প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণ দি, স্বাস্থ্য পৰীক্ষা কৰা আৰু ৰাষ্ট্ৰীয় পথ সুৰক্ষা দিৱসৰ জৰিয়তে জ্ঞান দিয়াই অন্যতম।

(ঘ) দোষী বাহচালক, কৰ্মচাৰী আৰু মালিক তথা ইয়াৰ লগত জড়িত অইন দোষী ব্যক্তিসকলক প্ৰচলিত আইন অনুযায়ী শাস্তিৰ ব্যৱস্থা আছে। দুৰ্ঘটনা সংঘটিত হোৱাৰ খবৰ পোৱাৰ লগে লগে পৰিবহন বিভাগৰ তৰফৰ পৰা চৰজমিন তদন্ত কৰা হয় আৰু উক্ত তদন্তৰ ভিত্তিত বিধিসন্মত সকলো দোষী ব্যক্তিৰ বিৰুদ্ধে শাস্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

বিষয় ঃ মহাবিদ্যালয় স্থানান্তৰ ।

শ্ৰীগুনেশ্বৰ দাসে সুধিছে ঃ

৭৯২। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) এইটো সঁচানে, ১৯৮৭ চনতে অসম কৃষি বিশ্ববিদ্যালয়ে ৰহাত প্ৰতিষ্ঠা কৰা অসমৰ একমাত্ৰ মীন বিশ্ববিদ্যালয়খন ৰহাৰ পৰা উঠাই নি অন্য ঠাইত পতাৰ ব্যৱস্থা কৰা হৈছে।

(খ) যদি সঁচা, তেন্তে তাৰ কাৰণ কি?

শ্ৰীনুৰজামাল সৰকাৰ (মীন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনস্থ মীন মহাবিদ্যালয়খনৰ এটা নতুন

কেম্পাচ (Campus) নগাঁও জিলাৰ কাছমাৰী মৌজাত নিৰ্ম্মাণ কৰিবৰ বাবে কৃষি বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষৰ পৰামৰ্শ ক্ৰমে প্ৰস্তাৱ বিবেচনা কৰা হৈছে।

(খ) ৰহাৰ বৰ্ত্তমান ঠাইত দেখা দিয়া আন্তঃগাঠনি সম্প্ৰসাৰণৰ অসুবিধা আৰু বানপানীৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলে পাই অহা অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি কৃষি বিশ্ববিদ্যালয়ে এনে পৰামৰ্শ আগবঢ়াইছে।

বিষয় ঃ পশুপালন বিভাগৰ পুঁজি ।

শ্ৰীআব্দুল আজিজে সুধিছে ঃ

৭৯৩। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ২০০১ চনৰ পৰা ২০০৭ চনলৈ কেন্দ্ৰীয় চৰকাৰে পশুপালন বিভাগৰ বাবে কিমান পুঁজি আগবঢ়াইছে? (বছৰ ভিত্তিক তালিকা দাখিল কৰিব)

(খ) উক্ত পুঁজিৰে কি কি স্কীমৰ কাম কৰিছে? (জিলা ভিত্তিক স্কীমৰ নাম উল্লেখ কৰি সদনত দাখিল কৰিব)

(গ) কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা অনুদান সম্পূৰ্ণভাৱে কাৰ্য্যত ব্যৱহাৰ হৈছেনে?

(ঘ) পশুপালন বিভাগে ২০০১ চনৰ পৰা ২০০৭ চনলৈ কিমান টকা কেন্দ্ৰলৈ ঘুৰাই পঠাইছে? (বছৰ হিচাপত তালিকা দাখিল কৰিব)

(ঙ) নগাওঁ জিলাৰ ৰূপহীহাট সমষ্টিত ২০০১ চনৰ পৰা ২০০৭ চনলৈ কি কি স্কীমৰ জৰিয়তে কিমান টকাৰ কাম কৰিছে? (বছৰ জিলা ভিত্তিত স্কীমৰ নাম উল্লেখ কৰি সদনত দাখিল কৰিব)

শ্রীখৰছিং ইংতি (পশুপালন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০১ চনৰ পৰা ২০০৭ চনলৈ কেন্দ্রীয় চৰকাৰে পশুপালন বিভাগৰ বাবে দিয়া বছৰ ভিত্তিক পুঁজিৰ তালিকা সংযোজনা-'ক' ত দিয়া হ'ল আৰু দুগ্ধ উন্নয়ন বিভাগৰ তালিকা তলত দিয়া হ'ল ঃ-
(See Annexure)

২০০১-০২	———	১৪৯.৩৪ লাখ
২০০২-০৩	———	×
২০০৩-০৪	———	×
২০০৪-০৫	———	৩০৪.০৬ লাখ
২০০৫-০৬	———	৮.৫২ লাখ
২০০৬-০৭	———	২০.০০ লাখ
	মুঠ =	৪৮১.৯২ লাখ

(খ) উক্ত পুঁজিৰে কার্য্যকৰী কৰা পশুপালন বিভাগৰ আঁচনিবোৰৰ তালিকা সংযোজনা-'ক' ত (ক্রমিক নং ২ৰ বাহিৰে) বাকীবোৰ ৰাজ্যিক ভিত্তিৰ আঁচনি। ক্রমিক নং ২ৰ আঁচনিখন ১১ খন গাহৰি পামৰ বিপৰীতে জিলাকেইখনৰ নাম সংযোজনা-'খ'ত দাখিল কৰা হ'ল। আৰু দুগ্ধ উন্নয়নৰ পুঁজি তলত দিয়া আঁচনিৰ জৰিয়তে ব্যয় কৰা হৈছে।
(See Annexure-XXV)

১) সংহত দুগ্ধ উন্নয়ন আঁচনি প্রথম পর্য্যায়ৰ ঃ- ধুবুৰী, বঙ্গাইগাও, বৰপেটা, দৰং, শোণিতপুৰ, লক্ষিমপুৰ, কাছাৰ, হাইলাকান্দি, কৰিমগঞ্জ আৰু উত্তৰ কাছাৰ পার্বত্য জিলাৰ বাবে ব্যৱহৃত হৈছে।

২) সংহত দুগ্ধ উন্নয়ন আঁচনি ২য় পর্য্যায়ৰ ঃ- যোৰহাট, ডিব্রুগড়, তিনিচুকীয়া, জিলাৰ বাবে।

৩) বিশুদ্ধ দুগ্ধ উৎপাদন আঁচনি ১ম পর্য্যায়ৰ ঃ- সীতাজখলা দুগ্ধ উৎপাদক সমবায় সমিতি, মৰিগাও জিলা।

৪) বিশুদ্ধ দুগ্ধ উৎপাদন আঁচনি ২য় পর্য্যায়ৰ ঃ- দৰং আৰু ওদালগুৰি জিলাৰ বাবে ব্যৱহৃত হৈছে।

(গ) হয়, হৈছে।

(ঘ) কেন্দ্রীয় চৰকাৰৰ পৰা পোৱা পুঁজি ঘূৰাই পঠোৱা নাই।

(ঙ) নগাওঁ জিলাৰ ৰূপহীহাট সমষ্টিৰ ২০০১ চনৰ পৰা ২০০৭ চনলৈ লোৱা আঁচনি সমূহ সংযোজনা-'গ' ত দিয়া হ'ল।
(See Annexure–XXVI)

বিষয় ঃ আন্তঃৰাজ্যিক বাছ টার্মিনেল উদ্বোধন।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

৭৯৪। মাননীয় পৰিবহন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) আন্তঃৰাজ্যিক বাছ টার্মিনেল (ISBT) খন ম নীয় মুখ্যমন্ত্রী ডাঙৰীয়াই আনুষ্ঠানিক ভাবে মুকলি কৰা নাছিলনে? কোন চনৰ কিমান তাৰিখে আনুষ্ঠানিক ভাবে মুকলি কৰিছিল জনাবনে?

(খ) আনুষ্ঠানিক ভাবে মুকলি কৰাৰ পিছত উক্ত বাছ টার্মিনেলৰ কাম-কাজ আৰম্ভ কৰা হৈছেনে?

(গ) যদি হোৱা নাই, তেনেহ'লে কিয় হোৱা নাই?

(ঘ) বৰ্ত্তমান উক্ত বাছ টাৰ্মিনেলটো কি অৱস্থাত আছে?

(ঙ) উক্ত বাছ টাৰ্মিনেলটো সম্পূৰ্ণ হওঁতে কিমান টকা ব্যয় হ'ল আৰু উক্ত টকা কোন শিতানৰ পৰা খৰচ কৰা হ'ল?

শ্রীচন্দন ব্রহ্ম (পৰিবহন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) কৰিছিল। ২০০৬ চনৰ ৮ ডিচেম্বৰত।

(খ) হৈ উঠা নাই।

(গ) ISBT-ৰ সন্মুখত ৰাষ্টীয় ঘাই পথৰ ওপৰত সাজি থকা উৰণীয়া সেঁতুৰ কাম সম্পূৰ্ণ নোহোৱাৰ বাবে ISBT-টো কার্য্যক্ষম কৰিব পৰা নাই।

(ঘ) বৰ্ত্তমান চৰকাৰে লোৱা সিদ্ধান্ত মৰ্মে ইং ১ এপ্রিল ২০০৮ৰ পৰা পর্য্যায়ক্রমে বাছসমূহ ISBT ৰ পৰা চলোৱা হব।

(ঙ) মুঠ ২৬৫৭.৮০ লাখ টকাৰ বিপৰীতে ২৩৮২.০৫ লাখ টকা উত্তৰ পূৱ পৰিষদৰ (NEC) পৰা পোৱা হ'ল।

বিষয় ঃ World Heritage Site ঘোষণা।

শ্রীপ্রদীপ হাজৰিকাই সুধিছে ঃ

৭৯৫। মাননীয় সাংস্কৃতিক পৰিক্রমা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) নদীদ্বীপ মাজুলীক World Heritage Site হিচাপে ঘোষণা কৰা হৈছে নেকি?

(খ) যদি হৈছে, কেতিয়া হৈছে?

(গ) মাজুলীক World Heritage Site ৰ মানদণ্ডৰ পর্য্যায়লৈ আনিব পৰা হৈছেনে?

(ঘ) যদি হোৱা নাই, কিয় হোৱা নাই?

(ঙ) ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

শ্ৰীগৌতম বৰা (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নাই হোৱা।

(খ) প্ৰশ্ন নুঠে।

(গ) বিশ্ব ঐতিহ্য স্থান কেন্দ্ৰ হিচাপে নিৰ্ণয় কৰাৰ ক্ষেত্ৰত UNESCO ৰ নিজাববীয়া মানদণ্ড থাকে। মাজুলী নদীদ্বীপৰ সাংস্কৃতিক ঐতিহ্য তথা বৈশিষ্টৰ প্ৰতি গুৰুত্ব আৰোপ কৰি তথা ইয়াৰ ৰক্ষণাবেক্ষণ আৰু উন্নীতকৰণৰ বাবে এই দ্বীপক বিশ্ব ঐতিহ্যৰ তালিকাভূক্ত কৰিবলৈ ভাৰতৰ প্ৰত্নতাত্বিক জৰীপে UNESCO-ত তথ্য সম্বলিত প্ৰস্তাৱ দাখিল কৰিছে।

(ঘ) 'গ' প্ৰশ্নৰ উত্তৰ প্ৰযোজ্য।

(ঙ) কেন্দ্ৰীয় চৰকাৰে বিচৰা সকলো ধৰণৰ তথ্য ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক যোগান ধৰিছে; প্ৰয়োজনীয় নথি-পত্ৰ প্ৰস্তুত কৰি দিয়া হৈছে। মাজুলী নদী-দ্বীপক বিশ্ব ঐতিহ্যৰ তালিকাভূক্ত কৰিবলৈ বিশ্ব প্ৰতিস্থান UNESCOক ইতিমধ্যে ভাৰতৰ প্ৰত্নতাত্বিক জৰীপে বিস্তৃত প্ৰস্তাৱ তথা অতিৰিক্ত তথ্যৰ যোগান ধৰিছে। এই প্ৰস্তাৱ আৰু তথ্যসমূহ যোগান ধৰা বিষয়ত ৰাজ্য চৰকাৰে সক্ৰিয় ভূমিকা লৈ আহিছে।

বিষয় ঃ অনুসূচীত জনজাতিত তালিকা ভূক্তৰ দাবী।

শ্রীৰাজু চাহুয়ে সুধিছে ঃ

৭৯৬। মাননীয় ভৈয়াম জনজাতি ও অন্যান্য পিছপৰা শ্রেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসম চৰকাৰে গ্রহণ কৰা খিলঞ্জীয়া জনগোষ্ঠী সকলৰ উন্নয়নৰ নীতি নির্দ্ধাৰণৰ আধাৰত অসমৰ পিছপৰা ছয় জনগোষ্ঠীয়ে তেওঁলোকক অনুসূচীত জনজাতি তালিকাভূক্ত কৰিবলৈ যি দাবী উত্থাপন কৰিছে, তাৰ সমাধানৰ বাবে চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা গ্রহণ কৰিছে?

(খ) উক্ত দাবীৰ সন্দর্ভত এতিয়ালৈকে ৰাজ্য চৰকাৰে কেন্দ্রৰ লগত আলাপ-আলোচনাৰ জৰিয়তে কিমানদুৰ আগবাঢ়িছে বিস্তৃতভাৱে জনাবনে?

শ্রীমতী প্রমিলা ৰাণী ব্রহ্ম (ভৈয়াম জনজাতি আৰু পিছপৰা শ্রেণীৰ কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰে বিভিন্ন সময়ত কেন্দ্রীয় চৰকাৰক অসমৰ ছয় জনগোষ্ঠীক জনজাতিকৰণৰ সন্দর্ভত স্মাৰকপত্র যোগে, প্রস্তাৱ যোগে বাৰে বাৰে অনুৰোধ জনাই আহিছে, জনজাতি হ'ব পৰা চাৰিত্রিক বৈশিষ্ট্যৰ কথা উল্লেখ কৰি এক বিশদ প্রতিবেদন প্রেৰণ কৰি অসম চৰকাৰৰ দাবী পূৰণৰ বাবে অনুৰোধ জনাইছে। তাৰোপৰি যোৱা ১০ ডিচেম্বৰ ২০০৭ত বিধান সভাৰ মাননীয় অধ্যক্ষৰ নেতৃত্বত এক বিধায়কৰ দল দিল্লীত গৈ এই ছয় জনগোষ্ঠীক জনজাতি তালিকাভূক্ত কৰিবলৈ অনুৰোধ জনাই আহিছে। তাৰোপৰি বিধান সভাত দুবাৰকৈ গৃহীত প্রস্তাৱ প্রেৰণ কৰি এই ছয় জনগোষ্ঠীক জনজাতি তালিকাভূক্ত কৰিবলৈ কেন্দ্রীয়

চৰকাৰক অনুৰোধ জনোৱা হৈছে। মাননীয় মুখ্য মন্ত্রীয়ে এই সন্দর্ভত আনকি প্রধান মন্ত্রীৰ লগতো আলোচনা-বিলোচনা কৰি ৰাজ্য চৰকাৰৰ মনোভাৱ ব্যক্ত কৰি আহিছে।

(খ) উত্তৰ 'ক' ত দিয়া হ'ল।

বিষয় ঃ SGRY আৰু Spl. SGRYৰ দ্বাৰা চাউল আৱন্টন।

শ্রীৰছুল হকে সুধিছে ঃ

৭৯৭। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) ধুবুৰী জিলাত SGRY আৰু Spl. SGRY আঁচনিৰ অধীনত ২০০৩ চনৰ পৰা ২০০৭ চনৰ ডিচেম্বৰ মাহলৈ মুঠ কিমান পুঁজি আৰু চাউল আৱণ্টন দিয়া হৈছিল? (২০০৩-০৭লৈ বছৰ অনুযায়ী সমষ্টি ভিত্তিত হিতাধিকাৰীৰ নাম, ঠিকনা বিতং তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) চাউল আৰু পুঁজি বিতৰণ বিভাগৰ বিষয়া-কর্মচাৰীসকলে যথেষ্ট দুর্নীতিত লিপ্ত হোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) যদি জ্ঞাত, ইয়াৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰিবনে?

(ঘ) চাউল বিতৰণত যথেষ্ট কেলেংকাৰী হোৱা হেতুকে আগন্তুক ২০০৮-০৯ বর্ষত চাউলৰ মূল্যৰ পুঁজি দিয়াৰ ব্যৱস্থা [illegible]ণ কৰিবনে?

শ্রীচন্দন ব্রহ্ম (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০৩ চনৰ পৰা ২০০৭ চনৰ ডিচেম্বৰ মাহলৈ SGRY আৰু Spl. SGRY শিতানৰ বিপৰীতে আৱণ্টন পোৱা পুঁজি আৰু চাউলৰ পৰিমাণ হ'ল ঃ—

বিত্তীয় বর্ষ	আৱণ্টিত পোৱা ধনৰ পৰিমাণ			
	SGRYৰ শিতান		Spl. SGRYৰ শিতান	
	পুঁজি (লাখ টকাত)	চাউল (মেঃ টন)	পুঁজি (লাখ টকাত)	চাউল (মেঃ টন)
২০০৩-২০০৪	১৯১১.৬২	১৫৬৭৫.০০	নাই	১০৩০০.০০
২০০৪-২০০৫	১৮৯৩.৩৬	১৪৩৪১.০০	নাই	৯৯১০.০০
২০০৫-২০০৬	১৯৩৪.৪৩	১২৪০৬.০০	নাই	নাই
২০০৬-২০০৭	২৩৪৩.৪২	৮২৫৬.০০	নাই	নাই
২০০৭-২০০৮	১০৬১.৪৮	৪০৭৯.০০	নাই	নাই

উক্ত আঁচনিৰ অন্তর্গত পুঁজি আৰু চাউল পোৱা শ্রমিক সকলৰ বিতং তালিকা বিচৰা হৈছে।

(খ) অৱগত নহয়।

(গ) প্রশ্ন নুঠে।

(ঘ) প্রশ্ন নুঠে।

Subject : Unutilized Fund.

Dr. Rumi Nath asked :

798. Will the Minister of Panchayat and Rural Development be pleased to State :

(a) Is it true that, the PD-DRDA, Cachar did not release

the Fund timely to the programme officer for execution of works instead kept a huge amount of unutilized fund in DRDA Account despite timely submitting of the plan and estimates for technical sanction and Administrative approval by every NREGA Programme Officer of Cachar Dist. Resulting in non-time completion of work and also depriving a huge labours from works ?

(b) If so, why the fund cound not be release on time and what action will be taken-up by the Govt. against the concern officers ? (Please furnish details in this regards)

(c) What is the total quantity/Nos. of Job Cards issued to the labourers under NREGA in the dist. of Cachar till 15th March, 2008 ? (Please furnish details showing Block-wise and G.Ps wise on the table of the House)

(d) What are the schemes proposed received by DRDA from the Programme Officer (Block-wise) ? What was the amount technically sanctioned, administrative approved and what was the ar. ount release to the concern programme officers in the Dist. of Cachar ? (Please furnish in details showing Block-wise and G.Ps wise)

(e) What is the amount of fund unutilized for Printing

Trainings & I.E.C. under Head of Account (Please furnish in details in this regards).

(f) Is there any fund yet to be received from the Govt. of India under NREGA for the year 2007-08 and 2008-09 ? What is the amount ? (Please furnish in details)

(g) Is it true that the APO(T) DRDA, Cachar, applied for voluntary retirement but was rejected as he was accused for his involvement in scandal and misappropriations of Govt. money to the tune of more than crores vide deptt. Letter No. RDD 12/2005/50-A dtd. 8th March, 2005 ?

(h) If so, is there any enquiry in this regards against the accused ?

(i) Who else are involved in this case and what action has been taken by the Govt. to recover the misappropriate Govt. money from the accused till date? (Please furnish the copy of the letter and details of the report with position on the table of the House).

(j) Is the Govt. aware that the APO(T) DRDA, Cachar has again re-appealed for his voluntary retirement to PD, DRDA, Cachar vide letter No. DRDC-47/Estt/Pt/96-97/30-A dtd. 07/03/2008 which is duly signed and forwarded by PD, Cachar ?

(k) If so (a) will the Govt. release the accused to go on voluntary retirement ? (b) How could PD, Cachar, recommend or entertained the accused appeal ? What action will be taken in this regards ? Please furnish in details regarding action taken ?

Shri Chandan Brahma (Minister of Panchayat & Rural Development Department) replied :

(a) No. The fund under NREGA are released to the Programme Officers for execution of schemes.

(b) Does not arise.

(c) The blockwise and GP wise details of JOB CARD issued are given at **Annexure-A** and the same are placed on the table of the House.
(See Annexure – XXVIII)

(d) The blockwise and Gp wise proposed schemes, already sanctioned schemes and release of fund against schemes are given at **Annexure-"B" & "C"** and the same are placed on the table of the House.
(See Annexure – XXIX & XXX

(e) The details of fund utilized under printing, training and IEC Head of A/c are given below :-

i) Printing : Rs. 54.13 lakh

ii) Training : Rs. 4.69 lakh

iii) IEC : Rs. 13.28 lakh

(f) There is no time schedule for release and receipt of fund from the Govt. of India under the programme. The Govt. releases fund on receipt of utilization certificates since this is a demand driven programme.

(g) Yes, One APO(T) in DRDA, Cachar had applied for voluntary retitement but the Govt. has not considered his prayer since some enquiries are pending against the officer and conveyed the decision of the Government vide letter No. RDD 12/2005/50 dtd. 08/3/2006.

(h) Yes.

(i) The Govt. has received the enquiry report and the same is under examination.

(j) Yes.

(k) (a) The matter is under consideration of the Government.

(b) As stated at (k) (a) above.

বিষয় ঃ প্রশাসনীয় কার্য্যালয় স্থাপন।

শ্রীকৰেন্দ্র বসুমতাৰীয়ে সুধিছে ঃ

৭৯৯। মাননীয় ভৈয়াম জনজাতি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসম চৰকাৰে ভূমি সংৰক্ষণ বিভাগৰ প্ৰশাসনীয় ক্ষমতা বি,টি,চি,লৈ হস্তান্তৰ কৰিছেনে?

(খ) যদি কৰিছে, বি,টি,চিত অন্তৰ্গত ক্ৰমে নৱগঠিত বাস্কা, চিৰাং আৰু ওদালগুৰি জিলাৰ প্ৰশাসনীয় কাৰ্য্যালয়, প্ৰতিষ্ঠান সমূহ স্থাপন হৈছেনে? সংমণ্ডল বিষয়া নিযুক্তি হৈছেনে? (সংমণ্ডল বিষয়া সকলৰ নাম জনাব)

(গ) ইংৰাজী ২০০৭-০৮ চন বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে বি,টি,চিলৈ কিমান টকা মোকলাই দিছিল জনাবনে?

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়, কৰা হৈছে।

(খ) বি.টি,চি এলেকাৰ নৱগঠিত জিলা বাস্কা, চিৰাং আৰু ওদালগুৰিত ভূমি সংৰক্ষণ বিভাগৰ জিলা পৰ্য্যায়ৰ সংমণ্ডল সমূহ স্থাপন কৰা হৈছে। সংমণ্ডল বিষয়াসমূহৰ নাম তলত উল্লেখ কৰা হ'ল ঃ—

১। বাস্কা ভূমি সংৰক্ষণ সংমণ্ডল মুছলপুৰ — শ্ৰীশিবানন্দ চৌধুৰী

২। চিৰাং ভুমি সংৰক্ষণ সংমণ্ডল — শ্ৰীআলাউদ্দিন আহমেদ

৩। ওদালগুৰি ভূমি সংৰক্ষণ সংমণ্ডল — শ্ৰী নৰ্মল সিন্‌হা।

(গ) ২০০৭-২০০৮ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে বি,টি,চিলৈ পৰিকল্পনা শিতানত মুঠ ১৩০০০.০০ লাখ টকা আৰু পৰিকল্পনা বৰ্হিভূত (Non-plan) শিতানত সকলো বিভাগ সামৰি ৫৪৫০১.০০ লাখ টকা মোকোলাই দিছে।

বিষয় ঃ আত্মসহায়ক গোটৰ সংখ্যা।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

৮০০। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজ্যখনত বৰ্ত্তমানলৈকে কিমানটা পঞ্জীয়নভুক্ত আত্মসহায়ক গোট (Registered Self Help Group) আছে। (জিলা ভিত্তিত তথ্য দাখিল কৰিব)

(খ) বৰ্ত্তমানলৈকে এই আত্মসহায়ক গোট সমূহক কিমান পৰিমাণৰ Revolving Fund দিয়া হ'ল? (জিলা ভিত্তিত সবিশেষ তথ্য দাখিল কৰিব)

(গ) তাৰ ভিতৰত কিমানটা আত্মসহায়ক গোটে বেংকৰ পৰা ঋণ (Loan) লাভ কৰিলে? (জিলা ভিত্তিত সবিশেষ তথ্য দাখিল কৰিব)

শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৰাজ্যখনত বৰ্ত্তমানলৈকে ১,৪৭,২২৯ টা পঞ্জীয়নভুক্ত আত্মসহায়ক গোট আছে। জিলা ভিত্তিত তথ্য পৰিশিষ্ট-'ক'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল।

(খ) বৰ্ত্তমানলৈকে এই আত্মসহায়ক গোটসমূহক মুঠ ৮১৪৭.৯৭ লাখ টকা Revolving fund হিচাবে দিয়া হৈছে। জিলা ভিত্তিত তথ্য পৰিশিষ্ট-'ক'ত সন্নিবিষ্ট হৈ আছে। (See Annexure–XXXI)

(গ) বৰ্ত্তমানলৈকে ৩৩,৯৬২ টা আত্মসহায়ক গোটে বেংকৰ পৰা ঋণ লাভ কৰিছে। জিলা ভিত্তিত তথ্য পৰিশিষ্ট-'ক'ত সন্নিবিষ্ট কৰা হৈ আছে।

বিষয় ঃ গলিয়া দুগ্ধ পাম।

ড° মনোৰঞ্জন দাসে সুধিছে ঃ

৮০১। মাননীয় পশুপালন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসমত কিমানখন দুগ্ধ পাম আছে আৰু এইবোৰ ক'ত ক'ত অৱস্থিত জনাবনে?

(খ) ভৱানীপুৰ সমষ্টিৰ গলিয়াত অৱস্থিত দুগ্ধ পামখন কেনে অৱস্থাত আছে জনাবনে?

(গ) যোৱা ২৬/১২/০৭ ইং তাৰিখে উক্ত দুগ্ধ পামখনত হোৱা অগ্নিকাণ্ড সম্পর্কে চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, এই অগ্নিকাণ্ড কিদৰে সংঘটিত হ'ল আৰু ইয়াৰ ক্ষয়-ক্ষতি কিমান হ'ল জনাবনে?

(ঙ) এই অগ্নিকাণ্ড সম্পর্কত চৰকাৰী তদন্ত হ'লনে? যদি হৈছে, ইয়াৰ ফলাফল কি জনাবনে?

(চ) গলিয়া দুগ্ধ পাম কেতিয়া কার্য্যক্ষম হ'ব জনাবনে?

শ্রীখৰছিং ইংতি (পশুপালন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত কোনো দুগ্ধ পাম নাই। কিন্তু ১৫ খন দুগ্ধ শীতলীকৰণ কেন্দ্র আৰু ৮ খন দুগ্ধ শালা আছে।

দুগ্ধ শীতলীকৰণ কেন্দ্রসমূহ ঃ- ঢলা, তিনিচুকীয়া, াহোৱাল, জয়সাগৰ, জাগীৰোড, দুধনৈ, সৰভোগ, নলবাৰী, খাৰুপেটীয়া, ঢেকীয়াজুলি, লক্ষীমপুৰ, বিশ্বনাথ চাৰিআলি, হাইলাকান্দি, কাছাৰ, কৰিমগঞ্জ।

দুগ্ধশালা ঃ- পানবাৰী, ভৱানীপুৰ, তেজপুৰ, যোৰহাট, বোকাখাট, নগাওঁ, খানাপাৰা, শিলচৰ।

(খ) ভৱানীপুৰ সমষ্টিৰ গলিয়াত অৱস্থিত দুগ্ধশালা খনৰ যাৱতীয় নির্মাণৰ কাম চলি আছে। ইয়াৰ বাবে আৱশ্যকীয় যন্ত্ৰ-পাতিসমূহ যোগান ধৰা হৈছে আৰু ২০০৮ চনৰ মে' মাহৰ ভিতৰত শালাখন কার্য্যক্ষম কৰাৰ ব্যৱস্থা লোৱা হৈছে।

(গ) গলিয়াত অৱস্থিত দুগ্ধ শালাখনত যোৱা ২৬-১২-০৭ ইং তাৰিখে হোৱা অগ্নিকাণ্ড সম্পর্কে চৰকাৰ অৱগত।

(ঘ) অগ্নিকাণ্ড হোৱাৰ কাৰণ তদন্ত প্ৰতিবেদন পোৱাৰ পাছতহে জনাব যাব। অগ্নিকাণ্ড সংঘটিত হোৱাৰ লগে লগে, স্থানীয় ভৱানীপুৰ আৰক্ষী চকীত এখনি F.I.R. দাখিল কৰা হৈছে। এই অগ্নিকাণ্ডত আনুমানিক ৩০,০০০.০০ (ত্ৰিশ হাজাৰ) টকাৰ যন্ত্ৰ-পাতিৰ ক্ষতি হৈছে? ইতিমধ্যে এই যন্ত্ৰ-পাতিসমূহ যোগানকাৰী সংস্থাটোৱে মেৰামতি কৰি কার্য্যক্ষম কৰিছে।

(ঙ) এই অগ্নিকাণ্ড সম্পর্কে ভৱানীপুৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক তদন্তৰ বাবে এখনি আবেদন দিয়া হৈছে। তদন্তৰ প্ৰতিবেদন পোৱাৰ পিছত পৰৱর্তী ব্যৱস্থা লোৱা হ'ব।

(চ) গলিয়া দুগ্ধ পামখন সম্পূর্ণৰূপে অহা মে' মাহৰ ভিতৰত কার্য্যক্ষম কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

বিষয় ঃ ১০০ দিনৰ কামৰ নিশ্চয়তা।

শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ

৮০২। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) NREGA আঁচনিত এতিয়ালৈ বিভিন্ন জিলাত কিমান পুঁজি নির্দ্ধাৰিত হৈছে? (জিলা ভিত্তিক তথ্য দিব)

(খ) নির্দ্ধাৰিত পুঁজিৰ কিমান বিভিন্ন জিলাত ব্যয় কৰা হৈছে?

(গ) এনৰেগা আঁচনিত এতিয়ালৈ কিমান হিতাধিকাৰী উপকৃত হ'ল আৰু কিমানজনে ১০০ দিনৰ কামৰ নিশ্চয়তা পালে?

(ঘ) আঁচনিৰ অধীনত আবেদন কৰা সকলোৱে জবকার্ড পাইছেনে? জবকার্ড পোৱা অথচ কাম নোপোৱাকৈ থকা কিমান লোকে ৰাজ্যখনত নিবনুৱা ভাট্টা পালে?

শ্রীচন্দন ব্রহ্ম (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) NREGA আঁচনিৰ অধীনত এতিয়ালৈকে মোকলাই দিয়া পুঁজিৰ পৰিমাণ (জিলাভিত্তিত কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ তৰফৰ পৰা) পৰিশিষ্ট-'ক'ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল। (See Annexure–XXXII)

(খ) উক্ত আঁচনিৰ অধীনত ২০০৬-০৭ আৰু ২০০৭-২০০৮ বর্ষত ব্যয় হোৱা ধনৰ পৰিমাণ জিলা ভিত্তিত তলত দিয়া হ'ল।

(লাখ টকা হিচাপত)

জিলা	২০০৬-২০০৭	২০০৭-২০০৮
১	২	৩
১। বঙ্গাইগাওঁ জিলা	৭২৩৫.১	৬৭১৪.৯৫
২। ধেমাজী জিলা	৭৮০০.৭৫	৪৫৩১.৯০
৩। গোৱালপাৰা জিলা	৩৮৭৯.৬৮	২৪৪৬.৬১
৪। কার্বি আংলং জিলা	১২৮৮২.৪১	৮৫০৮.৫৩
৫। কোকৰাঝাৰ জিলা	১০৯৬৯.১৬	১১৭২৩.৩০

জিলা	২০০৬-২০০৭	২০০৭-২০০৮
১	২	৩
৬। উত্তৰ কাছাৰ পার্বত্য জিলা	৭২৩১.৮৭	১৯৪৯.৩৫
৭। বৰপেটা জিলা	------	১৫৯০.৯২
৮। কাছাৰ জিলা	------	৩১৩.৫০
৯। দৰং জিলা	------	১৪৭৮.৬৬
১০। হাইলাকান্দি জিলা	------	৩২৫.২৬
১১। মৰিগাওঁ জিলা	------	২৪০২.০৭
১২। নলবাৰী জিলা	------	২০৯৩.১৭
১৩। লক্ষীমপুৰ জিলা	৭৯৮৮.৩৪	৩৭৪২.৭৫
	৫৭,৯৮৭.৪০	৪৫৯৩৭.১১৭

(গ) উক্ত আঁচনিত উপকৃত হোৱা হিতাধিকাৰীৰ সংখ্যা হ'ল ঃ—

২০০৬-০৭ বর্ষত = ৭,৯২,২৭০ টা পৰিয়াল।

২০০৭-০৮ বর্ষত = ১০,৬৪,২২০ টা পৰিয়াল।

১০০ দিনৰ কামৰ নিশ্চয়তা পোৱা পৰিয়ালৰ সংখ্যা হ'ল ঃ—

২০০৬-০৭ বর্ষত = ১,৮৫,১৬০ টা পৰিয়াল।

২০০৭-০৮ বর্ষত = ১০,৬৪,২২০ টা পৰিয়াল।

(ঘ) হয়, পাইছে। কাম বিচাৰি আবেদন কৰা লোকৰ ভিতৰত সকলোৱে কাম পাইছে। সেয়েহে নিবনুৱা ভাট্টা দিয়াৰ পৰিস্থিতি উদ্ভৱ হোৱা নাই।

বিষয় ঃ পঞ্চায়ত নির্বাচনৰ পুঁজি।

শ্রীআব্দুল আজিজে সুধিছে ঃ

৮০৩। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসমত সদ্যসমাপ্ত পঞ্চায়ত নির্বাচনত কিমান টকা নির্বাচনী পুঁজি হিচাপে চৰকাৰৰ পৰা পাইছে?

(খ) নগাওঁ জিলা প্রাশাসনে সদ্যসমাপ্ত পঞ্চায়ত নির্বাচনত সর্বমুঠ কিমান টকা নির্বাচনী পুঁজি হিচাপে চৰকাৰৰ পৰা পাইছিল?

(গ) নির্বাচনী পুঁজি আৰু DRDA অনুদান নির্বাচনৰ নামত বিভিন্ন শিতানত খৰচ কৰা টকাৰ সম্পূর্ণ তথ্য সদনৰ মেজত দাখিল কৰিবনে?

(ঘ) যান-বাহন আৰু তেল শিতানত সর্বমুঠ কিমান টকা খৰচ কৰা হৈছে? (তথ্য সহকাৰে জনাব)

(ঙ) নির্বাচনী পুঁজিৰ কিমান টকা কোন ঠিকাদাৰৰ কি কামৰ বাবদ দিয়া হৈছে? কিমান টকাৰ বিল কাৰ নামত পৰিশোধ কৰা হ'ল? কিমান টকাৰ বিল পৰিশোধ কৰিবলৈ বাকী আছে? (ঠিকাদাৰ সকলৰ নাম, ঠিকনা সহ তালিকা দিব)

শ্রীচন্দন ব্রহ্ম (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত ২০০৭ চনৰ পঞ্চায়ত নির্বাচনত নির্বাচনী পুঁজি হিচাপে চৰকাৰৰ পৰা ৩৭,০০,৬৭,০৩৫.০০ টকা দিয়া হৈছে।

(খ) সদ্যসমাপ্ত পঞ্চায়ত নির্বাচনত নগাওঁ জিলা প্রশাসনে মুঠ ২,০২,৭২,৪২৬.০০ টকা চৰকাৰৰ পৰা লাভ কৰিছে।

(গ) নির্বাচনী পুঁজিৰ বিভিন্ন শিতানত খৰছ হোৱা টকাৰ পৰিমাণ সংশ্লিষ্ট ফার্ম সমূহৰ পৰা এতিয়াও সম্পূর্ণকৈ পোৱা হোৱা নাই। DRDAৰ কোনো পুঁজি বা অনুদান নির্বাচনৰ নামত খৰচ কৰা নাই।

(ঘ) যান-বাহন শিতানত খৰছ হোৱা বিল এতিয়ালৈ পোৱা হোৱা নাই। কিন্তু তেল (POL) শিতানত সর্বমুঠ ১০,৩৯,০৭৫.০০ টকা খৰচ হৈছে।

(ঙ) নির্বাচনী পুঁজিৰ পৰা বিভিন্ন শিতানত পৰিশোধ কৰা টকাৰ পৰিমাণ ৪৮,৮৮,৫৯৬.০০ টকা। বিভিন্ন ফার্মৰ বিপৰীতে পৰিশোধ কৰা ধনৰ পৰিমাণপৰিশিষ্ট-'ক'ত গাঠি দিয়া হ'ল।
(See Annexure–XXXIII)

নির্বাচনী সংক্রান্তীয় বিলসমূহ সম্পূর্ণকৈ নোপোৱা পর্য্যন্ত কিমান টকা পৰিশোধ কৰিবলৈ বাকী আছে সঠিককৈ ক'ব পৰা নাযাব।

বিষয় ঃ কৃষি উন্নয়ণৰ আঁচনি।

শ্রীগিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

৮০৪। মাননীয় কৃষি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) কৃষি উন্নয়ণৰ বাবে বিভাগৰ তৰফৰ পৰা নতুনকৈ আঁচনি গ্রহণ কৰা হৈছে নেকি?

(খ) যদিহে নতুন আঁচনি গ্রহণ কৰা হৈছে তেনেহ'লে কি কি আঁচনি গ্রহণ কৰা হৈছে জনাবনে?

(গ) উক্ত নতুন আঁচনি সমূহৰ পৰীক্ষা মূলক খেতি কৰা হৈছে নেকি?

(ঘ) কৃষক সকলক আধুনিক পদ্ধতিৰ লগত পৰিচয় ঘটোৱাৰ উদ্দেশ্য প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে নে?

(ঙ) যদিহে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে, তেনেহ'লে কোন স্থানত প্ৰশিক্ষণ দিয়া হয় জনাব নে?

(চ) ২০০৭ৰ বিত্তীয় বৰ্ষত ৰাজ্যখনত সৰ্বমুঠ কিমানজন কৃষকক প্ৰশিক্ষণ দিয়া হ'ল জনাবনে?

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হয়, কৃষিৰ উন্নতিৰ বাবে কৃষি খণ্ডত নতুন আঁচনি গ্ৰহণ কৰা হৈছে।

(খ) চলিত বছৰত কৃষি বিভাগে গ্ৰহণ কৰা নতুন আঁচনি সমুহ হ'ল—

১। ৰাজ্যিক অগ্ৰাধিকাৰ খণ্ড আঁচনি

২। গ্ৰাম্য বীজ আঁচনি

৩। ৰাষ্ট্ৰীয় খাদ্য শস্য সুৰক্ষা আঁচনি

৪। ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা

৫। অসম কৃষি বিকাশ যোজনা

(গ) উক্ত আঁচনি সমূহৰ জৰিয়তে কৃষিৰ আ[illegible]গাঠনি উন্নয়ণৰ বাবে বিভিন্ন কৃষি সা-সঁজুলি বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) আছে।

(ঙ) বিভাগীয় প্ৰশিক্ষণ কেন্দ্ৰ, গাওঁ পৰ্য্যায়ৰ কৃষি সম্প্ৰসাৰণ কৰ্মীৰ এলেকা সমূহৰ খণ্ডবোৰত (Block) আৰু ৰাজ্যৰ বাহিৰতো যিকোনো কৃষি

বিশ্ববিদ্যালয় বা প্রশিক্ষণ কেন্দ্রত কৃষকক দলবদ্ধ ভাৱে প্রশিক্ষণ দিয়াৰ ব্যৱস্থা আছে।

(চ) ২১,২০৪ জন।

বিষয় ঃ বৃদ্ধ পেঞ্চন।

ড° মনোৰঞ্জন দাসে সুধিছে ঃ

৮০৫। মাননীয় পঞ্চায়ত ও গ্রামোন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসমৰ বর্ত্তমান কিমান সংখ্যক লোকে বৃদ্ধ পেঞ্চন ভোগ কৰি আছে। (জিলা ভিত্তিক তথ্য দাঙি ধৰিব)

(খ) ৰৰপেটা জিলাৰ অন্তর্গত ভৱানীপুৰ সমষ্টিত বৃদ্ধ পেঞ্চন ভোগ কৰি থকা লোকৰ সংখ্যা কিমান আৰু তেওঁলোকে মাহিলী কিমানকৈ পেঞ্চন লাভ কৰে জনাবনে? (পেঞ্চন লাভ কৰা সকলৰ এখন তালিকা সদনৰ মেজত দাখিল কৰিব)

(গ) এনে পেঞ্চন লাভ কৰা ব্যক্তি কিছুমানৰ পেঞ্চন মাজতে বন্ধ কৰি দিয়া কথা সত্যনে?

(ঘ) যদি সত্য, ইয়াৰ কাৰণ কি?

(ঙ) তেওঁলোকে পুনৰ এনে পেঞ্চন পাবনে?

শ্রীচন্দন ব্রহ্ম (পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বর্ত্তমান ৬,২৮,৯৪৯ জন হিতাধিকাৰীয়ে বৃদ্ধ পেঞ্চন ভোগ কৰি আছে। জিলা ভিত্তিত তথ্যৰ তালিকা পৰিশিষ্ট-'ক' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল।

(খ) বৰপেটা জিলাৰ অন্তৰ্গত ভৱানীপুৰ সমষ্টিত মুঠতে ১৫৭৪ জন হিতাধিকাৰীক বৃদ্ধ পেঞ্চন দি থকা হৈছে। প্ৰতিগৰাকী হিতাধিকাৰীয়ে মাহিলী কেন্দ্ৰীয় চৰকাৰৰ শিতানৰ পৰা ২০০/- টকা আৰু ৰাজ্যিক চৰকাৰৰ শিতানৰ পৰা ৫০/- টকাকৈ মুঠ ২৫০/- টকাকৈ লাভ কৰে।

ভৱানীপুৰ সমষ্টিত বৃদ্ধ পেঞ্চন লাভ কৰি থকা হিতাধিকাৰীৰ তালিকা পৰিশিষ্ট-'খ' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল।

(গ) সত্য নহয়।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) প্ৰশ্ন নুঠে।

বিষয় ঃ SGRYৰ চাউল যোগান।

শ্ৰীৰছুল হকে সুধিছে ঃ

৮০৬। মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ধুবুৰী জিলাত যোৱা ২০০৬-০৭ আৰু ২০০৭-০৮ বিত্তীয় বৰ্ষত DRDA ৰ প্ৰকল্প সঞ্চালকৰ অধীনত মুঠ কিমানটা উন্নয়ন খণ্ডৰ নামত SGRY ৰ চাউল যোগান ধৰা হৈছিল? (উন্নয়ন খণ্ডৰ লগত যোগান ধৰা চাউলৰ পৰিমাণ আৰু হিতাধিকাৰীৰ বিতং তথ্য সমষ্টি ভিত্তিত দাখিল কৰিব)

(খ) ধুবুৰী জিলাৰ DC,APO আৰু PDৰ অধীনত যোৱা ২০০৬-০৭, ২০০৭-০৮ বিত্তীয় বৰ্ষত SGRYৰ শিতানত মুঠ কিমান সামগ্ৰী আৱণ্টিত হৈছিল? (সামগ্ৰীৰ লগতে আৱণ্টিত পুঁজি আৰু যোগান ধৰা হিতাধিকাৰীৰ বিতং তালিকা সমষ্টি ভিত্তিত সদনত দাখিল কৰিব)

(গ) যোৱা ৮ ফেব্রুৱাৰী ২০০৮ ৰ 'প্ৰতিদিন' বাতৰি কাকতত প্ৰকাশিত গ্ৰামোন্নয়নৰ পুঁজিৰ অপব্যৱহাৰ আৰু আঁচনি ৰূপায়ণত ব্যৰ্থতা DC আৰু PDৰ কৈফিয়ৎ তলব বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছেনে?

(ঘ) যদি হৈছে, উপৰোক্ত বিষয়া সকলৰ সত্যতা প্ৰমাণ হোৱাৰ পাছতো চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ কাৰণ কি?

শ্ৰীচন্দন ব্ৰহ্ম (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) জিলা গ্ৰামোন্নয়ন অধিকৰণৰ জৰিয়তে ২০০৬-০৭ আৰু ২০০৭-০৮ বৰ্ষত জিলাখনৰ ১৪টা উন্নয়ন খণ্ডলৈ SGRY আঁচনিৰ আৱণ্টন দিয়া চাউলৰ হিচাপ পৰিশিষ্ট- 'ক' ত সন্নিবিষ্ট কৰি সদনৰ মেজত পেচ্ কৰা হ'ল। (See Annexure-XXIV)

(খ) ২০০৬-০৭ আৰু ২০০৭-০৮ বিত্তীয় বৰ্ষত SGRYৰ শিতানত কোনো সামগ্ৰী ধুবুৰী জিলাৰ DC,APO আৰু PD ৰ অধীনত কোনো হিতাধিকাৰীলৈ যোগান ধৰা হোৱা নাই।

(গ) দৃষ্টিগোচৰ হৈছে।

(ঘ) DRDAৰ জৰিয়তে ৰূপায়িত হোৱা আঁচনিৰ বিপৰীতে আৱণ্টন পোৱা পুঁজিৰ অপব্যৱহাৰ আৰু আঁচনি ৰূপায়ণৰ ব্যৰ্থতা হোৱা প্ৰশ্নই নুঠে।

বিষয় ঃ পথাৰ পৰিচালনা সমিতিৰ সংখ্যা।

শ্ৰীৰছুল হকে সুধিছে ঃ

৮০৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ধুবুৰী জিলাৰ মুঠ কিমানখন পথাৰ পৰিচালনা সমিতি আছে? (সমষ্টি ভিত্তিত তালিকা দাখিল কৰিব)

(খ) ধুবুৰী জিলাত ২০০৪-২০০৫, ২০০৫-২০০৬, ২০০৬-২০০৭ আৰু ২০০৭-২০০৮ বিত্তীয় বৰ্ষত পথাৰ পৰিচালনা সমিতিয়ে কি কি সামগ্ৰী লাভ কৰিলে? (সমষ্টি ভিত্তিত সামগ্ৰীৰ তালিকা দাখিল কৰিব)

(গ) ধুবুৰী সমষ্টিত ২০০৪ ৰ পৰা ২০০৮ বিত্তীয় বৰ্ষলৈ মুঠ কিমান সামগ্ৰী পথাৰ পৰিচালনা সমিতিয়ে লাভ কৰিলে? (পথাৰ পৰিচালনা সমিতিৰ নামৰ লগতে লাভ কৰা সামগ্ৰীৰ বিতং তালিকা দাখিল কৰিব)

শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ধুবুৰী জিলাৰ পথাৰ পৰিচালনা সমিতিৰ সৰ্ব্বমুঠ সংখ্যা- ৪৫৬৫ টা বিধান সভাৰ সমষ্টি ভিত্তিত পথাৰ পৰিচালনা সমিতিৰ সংখ্যা তলত উল্লেখ কৰা হ'ল ঃ—

ক্ৰমিক নং	সমষ্টিৰ নাম	সংখ্যা	ক্ৰমিক নং	সমষ্টিৰ নাম	সংখ্যা
১	ধুবুৰী	৫৪৩ টা	৫	বিলাসীপাৰা পশ্চিম	৫৮৯ টা
২	গৌৰীপুৰ	৮৩৪ টা	৬	দক্ষিণ শালমাৰা	৭৪৬ টা
৩	গোলকগঞ্জ	৫৯১ টা	৭	মানকাচাৰ	৬৪১ টা
৪	বিলাসীপাৰা পূৱ	৪৬৮ টা	৮	জলেশ্বৰ (আংশিক)	১৫৩ টা

(খ) ২০০৪-০৫, ২০০৬-০৭ আৰু ২০০৭-০৮ বিত্তীয় বৰ্ষত ধুবুৰী জিলাৰ পথাৰ পৰিচালনা সমিতিৰ নামত কোনো সামগ্ৰী বিতৰণ কৰা নাই।

২০০৫-০৬ বিত্তীয় বর্ষত জিলা কৃষি বিষয়াৰ জৰিয়তে ৫০% ভাগ ৰেহাই মূল্যত ৮ খন ট্রেক্টৰ পথাৰ পৰিচালনা সমিতিক বিতৰণ কৰে। সমষ্টি ভিত্তিত ট্রেক্টৰৰ সংখ্যা উল্লেখ কৰা হ'ল ঃ-

১। গোলক গঞ্জ সমষ্টি — ২ খন,

২। দক্ষিণ শালমাৰা সমষ্টি — ৩ খন

৩। মানকাছাৰ সমষ্টি — ১ খন

৪। জলেশ্বৰ সমষ্টি — ২ খন

(গ) ২০০৪ৰ পৰা ২০০৮ বিত্তীয় বর্ষত ধুবুৰী সমষ্টিৰে অন্তর্গত পথাৰ পৰিচালনা সমিতিয়ে কোনো সামগ্রী লাভ কৰা নাই।

SHORT NOTICE
QUESTIONS AND ANSWERS

Mr. Speaker : Now, Short Notice Question NO.46, Hon'ble Member, Shri Rameswar Teli.

বিষয় ঃ সমবায় সমিতি সম্পর্কে।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

৪৬। মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে?

(ক) অসমত কিমানখন সমবায় সমিতি আছে? ইয়াৰ কিমানখন নির্বাচিত আৰু কিমানখন তদর্থ কমিতিয়ে পৰিচালনা কৰি আছে। সমিতিৰ বিপৰীতে নির্বাচন অনুষ্ঠিত হোৱাৰ আৰু তদর্থ কমিতি গঠন হোৱাৰ তাৰিখ উল্লেখ কৰি জিলা ভিত্তিক তথ্য দিব নে?

(খ) ২০০১ চনৰ পৰা ২০০৭ চনৰ ডিচেম্বৰ মাহলৈ কোনে কোনে সমবায়

সমিতিৰ কার্য্যকাল চৰকাৰে কিমান দিনলৈ বঢ়াই দিলে? (জিলা ভিত্তিত তালিকা প্ৰস্তুত কৰি তথ্য দিব)?

(গ) ডিব্ৰুগড় জিলাৰ দুলীয়াজান সমষ্টিৰ অন্তৰ্গত দিঘলীয়া সমবায় সমিতিৰ কার্য্যালয় আৰু গুদাম ঘৰ অন্য ঠাইলৈ উঠাই লৈ যোৱা বিষয়ে চৰকাৰ অৱগত নে? যদি অৱগত, কিয় উঠাই লৈ গ'ল বিতংভাৱে জনাবনে?

শ্ৰীগৌতম বৰা (সমবায় বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত মুঠ ১০,১৩৪ খন বিভিন্ন ধৰণৰ সমবায় সমিতি আছে। ইয়াৰে ৭০৯ খন গাওঁ পঞ্চায়ত পর্য্যায়ৰ বহুমুখী সমবায় সমিতি। (GPSS) আছে। উক্ত ৭০৯ খন GPSSৰ ভিতৰত ৬১৯ খন নির্বাচিত পৰিচালনা কমিতিয়ে, ৬৮ খন তদর্থ কমিতিয়ে পৰিচালনা কৰি আছে। ৪ খন সমবায় সমিতিৰ পৰিচালনা সম্পৰ্কীয় বিষয়ত আদালতৰ বিচাৰাধীন আৰু বাকী ১৮ খন BTAD এলেকাভূক্ত হোৱা হেতু নির্বাচনৰ বিষয়টো BTCৰ কর্তৃপক্ষৰ ওপৰত নির্ভৰশীল।

অসমৰ মুঠ ২৪৮৬ খন বহুমুখী মহিলা সমবায় সমিতিৰ ১৩৩৬ খনত নির্বাচিত কমিতি, ২৪৬ খন তদর্থ কমিতি আছে। ৯০৪ খন প্ৰায় নিষ্ক্ৰিয় অৱস্থাত থকা সমিতিত এই বছৰ নির্বাচন অনুষ্ঠিত কৰাৰ বাবে ব্যৱস্থা লোৱা হ'ব।

মুঠ ৩৮৭ খন ফিচাৰী আৰু পিচিকালচাৰ সমবায়ৰ ভিতৰত ২৪৮ খনত নির্বাচিত আৰু ৩৯ খনত তদর্থ পৰিচালনা কমিতি আছে। বাকী ১০০ খন ফিচাৰী নিষ্ক্ৰিয় অৱস্থাত আছে।

মুঠ ৩৮ খন পাইকাৰী গ্ৰাহক সমবায় সমিতিৰ ২০ খনত

নির্বাচিত পৰিচালনা কমিটি থকাৰ বিপৰীতে ৫ খন তদর্থ কমিতিয়ে পৰিচালনা কৰি আছে। অন্য ১৩ খন পাইকাৰী গ্ৰাহক সমবায় সমিতিত নির্বাচন পতাৰ বাবে ব্যৱস্থা লোৱা হ'ব এই বছৰৰ মে'ৰ ভিতৰত। উল্লেখিত সমবায় সমিতিসমূহৰ নির্বাচন তাৰিখ, তদর্থ কমিতি গঠনৰ তাৰিখ সম্বলিত বিতং তালিকা।

পৰিশিষ্ট-১, পৰিশিষ্ট-২, পৰিশিষ্ট-৩, আৰু পৰিশিষ্ট-৪ সদনৰ মেজত দাঙি ধৰা হ'ল।

অন্য হাতেদি বাকী অন্য ধৰণৰ (other types) ৬,৫১৪ খন সমবায় সমিতিৰ নির্বাচন তাৰিখ, তদর্থ কমিতি গঠনৰ তাৰিখ সন্নিবিষ্ট তথ্য প্ৰস্তুতকৰণৰ বাবে সময়ৰ প্ৰয়োজন হব।

(খ) ২০০১ চনৰ পৰা ২০০৭ চনৰ ডিচেম্বৰ মাহলৈ সমবায় সমিতিক চৰকাৰে কার্য্যকাল বঢ়াই দিয়াৰ তথ্য প্ৰস্তুত কৰণৰ কাৰণে যথেষ্ট সময়ৰ প্ৰয়োজন। সেয়েহে উত্তৰটো সদনৰ পৰবর্তী অধিবেশনত দাখিল কৰা হ'ব।

(গ) হয় অৱগত। দীঘলীয়া সমবায় সমিতিৰ কার্য্যালয় আৰু গুদাম ঘৰটো ব্যৱসায়ৰ সুবিধা আৰু নিৰাপত্তাজনিত কাৰণত বেলবাৰীৰ পৰা টেঙাখাতলৈ স্থানান্তৰিত কৰা হয়। এই সন্দর্ভত দীঘলীয়া সমবায় সমিতিৰ ২০০৬-০৭ বর্ষৰ বার্ষিক সাধাৰণ সভাই গ্ৰহন কৰা ৩ নং প্ৰস্তাৱনা 'পৰিশিষ্ট ৫' সদনৰ মেজত দাঙি ধৰা হ'ল। ডিব্ৰুগড় জিলাৰ উপাযুক্তই দীঘলীয়া সমবায় সমিতিৰ আবেদন আৰু সহকাৰী পঞ্জীয়কৰ অনুমোদন মর্মে সমিতিৰ কার্য্যালয় স্থানান্তৰৰ কাৰণে দিয়া নির্দ্দেশ পৰিশিষ্ট-৬ আৰু আৰু পৰিশিষ্ট-৭ সদনৰ মেজত দাঙি ধৰা হ'ল।

MISCELLANEOUS

✱ **শ্রীজিতেন গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, গ্রাম্য নিয়োগ নিশ্চিত আঁচনিৰ ওপৰত মই অলপ ক'ব বিচাৰিছো। অনুমতি পাম নেকি?

অধ্যক্ষ মহোদয় ঃ এইটো আলোচনা কৰা হৈ গৈছে। এতিয়া প্ৰশ্নোত্তৰ কাল গতিকে আপুনি শূণ্য কালত ক'ব।

✱ **শ্রীচন্দ্র মোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি প্ৰত্যেকখন দৈনিক বাতৰিতে "তেল উৎপাদনকাৰী অসমক বঞ্চিত কৰি ৰায়বেৰিলিত পাতিব পেট্ৰ'লিয়াম প্ৰতিষ্ঠান। অসম বাসীক উপেক্ষা কৰি দিল্লীৰ সিদ্ধান্ত।"

মাননীয় অধ্যক্ষ মহোদয়, ডিগবৈৰ তেল শোধনাগাৰ ইতিমধ্যে ডেৰশ বছৰ পাৰ হৈ গ'ল। গতিকে এই ঐতিহ্যমণ্ডিত অনুষ্ঠানটোৰ সম্পৰ্কে এটা বিবৃতি চৰকাৰে দিব লাগে।

✱ **শ্রীভৰত চন্দ্র নৰহ ঃ (মন্ত্রী)** কোন ডিপার্টমেণ্টে বিবৃতি দিব।

✱ **শ্রীচন্দ্র মোহন পাটোৱাৰী ঃ** চৰকাৰে বিবৃতি দিব।

✱ **শ্রীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয় এচ,জি,আৰ,ওৱাইৰ দ্বিতীয় কিস্তিৰ ধন কাৰ গাফিলতিত মুকলি হৈ নাহিল। শোণিতপুৰ জিলাকে ধৰি ১৪ খন জিলাত টকাটো ৩১ মার্চৰ পৰা আগষ্টলৈকে সময় আগবঢ়াই দিছিল। এই বছৰো ৩১ আগষ্টলৈ. আগবঢ়াই দিব নেকি?

✱ **ড° হিমন্ত বিশ্ব শর্মা ঃ** (মন্ত্রী) মাননীয় অধ্যক্ষ মহোদয় মাননীয় সদস্য পদ্ম হাজৰিকা ডাঙৰীয়াই এটা গুৰুত্বপূর্ণ পৰামর্শ আগবঢ়াইছে। আমাৰ পঞ্চায়ত বিভাগৰ মন্ত্রী মহোদয়ে উত্তৰ দিব।

✱ Speech not corrected

DISCUSSION ON ZERO HOUR MATTER

মাননীয় অধ্যক্ষ ঃ তলত উল্লেখ কৰা মাননীয় সদস্যৰ পৰা সৰ্বমুঠ ৬ খন শূন্যকালীন জাননী প্ৰাপ্তি হৈছে।

১। শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

২। শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত।

৩। শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী

ডাঃ আদিত্য লাংথাছা

শ্ৰীৰঞ্জিত দত্ত

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত

শ্ৰীদ্ৰুপদ বৰগোহাঁই

৪। শ্ৰীপ্ৰণৰ কলিতা

৫। মোঃ মহিবুল হক।

উক্ত জাননী সমূহৰ পৰা নিয়মানুসৰি মই ৩ খন শূণ্যকালীন ঘণ্টাৰ জাননী উপস্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰিলোঁ।

১। এতিয়া মই, মাননীয় সদস্য, শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াক ইংৰাজী ২৬/০৩/২০০৮ তাৰিখৰ "ৰাইজৰ সংবাদ" বাতৰি কাকত প্ৰকাশিত "গুৱাহাটীৰ 'জ্যোতিপ্ৰসাদ আগৰৱালা উৰণীয়া সেতু'ত এক নাভূত-নাশ্ৰুত গাড়ী পাৰ্কিং স্থাপনেৰে ভয়ংকৰ

দুর্ঘটনাৰ লগতে বোমা বিস্ফোৰণৰ সম্ভাৱনা নিশ্চিত" শীর্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

* **শ্রীৰমেন্দ্র নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৬/০৩/২০০৮ তাৰিখৰ "ৰাইজৰ সংবাদ" বাতৰি কাকতত প্রকাশিত — বাতৰিটোৰ প্রতি দৃষ্টি আকর্ষণ কৰি মই ক'বলৈ বিচাৰিছো যে গুৱাহাটী ট্রেফিক আৰক্ষী আইন অনুসৰি ঘাই পথৰ এফালে বৈধ আৰু আনফালে অবৈধ। মাননীয় অধ্যক্ষ মহোদয়, বৈধ স্থানত গাড়ীসমূহ পার্কিং কৰিব লাগে কিন্তু জ্যোতিপ্রসাদ আগৰৱালা উৰণীয়া সেঁতুৰ ওচৰত যিকোনো স্থানত দুচকীয়া, চাৰিচকীয়া, অন্যান্য যান-বাহন সকলোবোৰ গাড়ী পার্কিং কৰা হয়। তাৰ উপৰি অটো ৰিক্সা, মিনিট্রাক আনকি চিটি বাছ আস্থানো সেই একে ঠাইতে। গতিকে চাৰ, সেই ঠাই ডোখৰ এটা নাভূত-নাশ্রুত অৱস্থাৰ সৃষ্টি হয়। অন্যহাতে চাৰ, ইয়াৰ ফলত ৰাাাতিপুৱা ১০ টাৰ পৰা ১২ টালৈ এইখিনি সময় আৰু পিছবেলা উলুবাৰীৰ পৰা পল্টন বজাৰ পাওঁতে প্রায় ডেৰ ঘণ্টা সময় লাগি যায়। অন্যহাতে এইটো এটা ব্যৱসায়িক অঞ্চল। গতিকে ব্যৱসায়িক যিবোৰ যান-বাহন সেইবোৰ সেই ঠাইতেই ৰখোৱা হয়। গতিকে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ক অনুৰোধ জনালো যাতে এইটোৰ এটা বিহিত ব্যৱস্থা লয়।

মাননীয় অধ্যক্ষ মহোদয়, এ-টি ৰোডত যিটো যানজঁটৰ সৃষ্টি হৈছে এই যান-জঁট অৱস্থাৰ পৰিপেক্ষিতত আমি দেখিছো যে ৰাস্তাৰ একাষে গাড়ী ৰাখিব লাগে। কিন্তু ৰাস্তাৰ দুয়োকাষে

---

* Speech not corrected

গাড়ী ৰাখে। তাত উৰণীয়া সেঁতু নিৰ্ম্মাণ হ'ল যদিও যান-জঁটৰ সমস্যা আছেই। এটি ৰোডত গাড়ী ৰাখিছে। উৰণীয়া সেঁতু পাৰ নহওঁতেই অট'ৰিক্সাৰ পার্কিং আছে। মিনিট্রাকৰ পার্কিংও আছে। আৰু উৰণীয়া সেঁতুখনৰ আগতে চিটি বাছৰ ষ্টেণ্ডো আছে। আজি তাত এটা অৰাজকতাৰ সৃষ্টি হৈছে। যাৰ ফলত উৰণীয়া সেঁতু পাৰ হবলৈ ১০/১২ মিনিট সময় লাগে। এজন মানুহে গুৱাহাটীৰ ভৰলুৰ পৰা পল্টন বজাৰলৈ আহিবলৈ হ'লে একৰ পৰা দুঘণ্টা সময় লাগে। আজি যিটো অৱস্থাৰ সৃষ্টি হৈছে কাৰ পার্কিং দিয়াত আমাৰ আপত্তি নাই। এই অৱস্থাটোৰ সন্দর্ভত মাননীয় মন্ত্রী মহোদয়ে অনুধাৱন কৰিব পাৰিছে। আঠগাওঁ এটা ব্যৱসায়িক অঞ্চল। এই অঞ্চলত মহাবীৰ জৈনৰো ব্যৱসায়িক এজেঞ্চী আছে। ব্যৱসায়ী গোষ্ঠীটোৱেও সেই অঞ্চলতে ট্রাক থিয় কৰাই ৰাখে। উৰণীয়া সেঁতুৰ ওপৰতো একাংশই গাড়ী ৰখাৰ ফলত এই অৱস্থাৰ সৃষ্টি হৈছে। এই বিশৃংখল অৱস্থাৰ সমাপ্তি হ'ব লাগে। বিগত বছৰত এ-টি ৰোডত পাঁচ বাৰ পাঁচ ঠাইত বোমা বিস্ফোৰণ হৈছে। ব্যৱসায়িক গোষ্ঠীৰ গাড়ী ৰাখি যান-জঁট সৃষ্টি কৰাৰ ফলতে তাত অসামাজিক কাম-কাজকে ধৰি যান-জঁটৰ সৃষ্টি হৈছে। এইবিলাক চোৱাচিতা কৰিবৰ কাৰণে আমাৰ জি.এম.চি আৰু জি.এম.ডি.এ দুটা বিভাগ আছে। আঠ গাওঁৰ উৰণীয়া সেঁতুৰ দুয়োকাষে কাৰ পার্কিং কৰাৰ কাৰণে যান-জঁটৰ সৃষ্টি হৈছে। গুৱাহাটী পৌৰ নিগম এটা অটনমাচ্ বডি হ'লেও গুৱাহাটী উন্নয়ন বিভাগৰ বিভাগীয় মন্ত্রী হিচাবে এই ক্ষেত্রত হস্তক্ষেপ কৰিবলৈ অনুৰোধ কৰিলো যাতে এই যান-জঁটৰ বিশৃংখল অৱস্থাৰ

সমাধান হয়। অন্যথাই ভৱিষ্যতে পুনৰ বোমা বিস্ফোৰণৰ দৰে ঘটনা হোৱাৰ সম্ভাৱনা আছে। যি বিলাক পার্কিং প্লেছ কৰা হৈছে সেই বিলাকত ফিজ ধৰা আছে ৫ টকা/৮ টকা। কিন্তু ৫ টকাৰ ঠাইত ১০ টকা দিব লগা হয়। এই ক্ষেত্রত মই নিজেও ভূক্তভোগী। ৰচিদত লিখা আছে ৮ টকা, কিন্তু দুটকা বেছি গ্রহণ কৰাৰ ব্যৱস্থা কৰা হৈছে। যি ৰেট নির্ধাৰিত কৰা আছে তাতকৈ লেচীয়ে বেছিকৈ আদায় কৰি মানুহক যথেষ্ট হাৰাশাস্তি কৰিছে। কাৰ পার্কিঙৰ ক্ষেত্রত বিশেষ ব্যৱস্থা গ্রহণ কৰিবলৈ মই মন্ত্রী মহোদয়ক অনুৰোধ জনাইছো। গুৱাহাটীৰ বিভিন্ন অঞ্চলত কিছুমান ঠাইত দুমহলীয়া কাৰ পার্কিং কৰাৰ কাৰণে ঠাই চিনাক্ত কৰা হৈছে।

শিলঙৰ পুলিচ বজাৰত বহুমহলীয়া কাৰ পার্কিং বিজ্ঞান সন্মতভাৱে কৰা হৈছে। গুৱাহাটী মহানগৰীতো কিছুমান নির্দ্দিষ্ট স্থানত যদি তেনেধৰণৰ বহুমহলীয়া কাৰ পার্কিঙৰ ব্যৱস্থা চৰকাৰে গ্রহণ কৰে তেতিয়াহ'লে গুৱাহাটীৰ ট্রেফিক জামে যি সমস্যাৰ সৃষ্টি কৰিছে সি বহু পৰিমাণে লাঘব হ'ব। প্রয়োজন হ'লে মাটি অধিগ্রহণৰ ব্যৱস্থা কৰিও এনেকুৱা ব্যৱস্থা গ্রহণ কৰক। গুৱাহাটীৰ বিলপাৰত অৰবিন্দ হাইস্কুলৰ ওচৰত মাটি আছে। তাতো পার্কিং প্লেচৰ ব্যৱস্থা কৰিব পাৰে।

* **ড° হিমন্ত বিশ্ব শর্মা ঃ** (মন্ত্রী) মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বহুল প্রচাৰিত বাতৰি কাকত 'ৰাইজৰ সংবাদ'ত প্রকাশিত "গুৱাহাটীৰ জ্যোতি প্রসাদ আগৰৱালা উৰণীয়া সেঁতুত এক নাভূত-নাশ্রুত গাড়ী পার্কিং

* Speech not corrected

স্থাপনেৰে ভয়ংকৰ দুৰ্ঘটনাৰ লগতে বোমা-বিস্ফোৰণৰ সম্ভাৱনা নিশ্চিত" বাতৰিৰ সন্দৰ্ভত মাননীয় বিধায়ক শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই উত্থাপন কৰা বাতৰিটোৰ প্ৰতি মোৰ দৃষ্টিগোচৰ হৈছে। ইয়াৰ ওপৰত মোৰ দৃষ্টিভংগী জনাব বিচাৰিছো। গুৱাহাটীৰ বিভিন্ন স্থানত আমাৰ ৪০ টা পার্কিং প্লেচ্ আছে। ইয়াৰ কাৰণে নির্দ্দিষ্ট ফিজ লোৱা হৈছে। গোটেই বিষয়টোৰ ওপৰত ৰাইজৰ অভিযোগ পোৱাৰ পিছত সকলোবোৰ পার্কিং প্লেচ্ ক্ৰেপ কৰা হৈছে। গুৱাহাটীত যি কেইখন উৰণীয়া সেঁতু আছে তাৰে দুখন গুৱাহাটী উন্নয়ন নিগমে চলায়। আঠ গাৱঁৰ উৰণীয়া সেঁতুৰ পার্কিং প্লেচ্ পৌৰ নিগমে চলায়। পার্কিং প্লেচ্ৰ বাহিৰত পুলিচ-চি.আৰ.পি.য়েও যাতে গাড়ী পার্কিং কৰিব নোৱাৰে পৌৰ নিগম কর্ত্তৃপক্ষক দৃষ্টিগোচৰ কৰিম। পৌৰ নিগমৰ পার্কিং প্লেচ্ত নীতি-বহির্ভূত ভাবে পার্কিং কৰিব নোৱাৰিব। কৰিলে এইটো ইল্লিগেল হ'ব আৰু তাৰ ওপৰত ব্যৱস্থা ল'ব পাৰিব। ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই প্ৰয়োজন হ'লে ম্যাদী মাটি অধিগ্ৰহণ কৰি হ'লেও পার্কিং প্লেচ্ৰ ব্যৱস্থা কৰাৰ কথা কৈছে। এইটো ভাল কথা কৈছে। বহুমহলীয়া পার্কিং প্লেচ্ৰ কাৰণে কিছুমান মাটি আইডেণ্টিফাই কৰিছো। আৰু ইয়াৰ সমাধান কৰিব পৰা যাব বুলি আশা কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰ উন্নয়ন কর্ত্তৃপক্ষৰ দ্বাৰা বহুমূলীয়া কিছুমান মাটি আইডেনটিফাই কৰা হৈছে। সেই মাটি একুয়াৰ কৰাৰ কাৰণে ব্যৱস্থা হাতত লোৱা হৈছে। মই ব্যক্তিগতভাৱে মাটি কিনা নাই, চৰকাৰে কিনিব। গুৱাহাটী উন্নয়ন কর্ত্তৃপক্ষই চাইন বোর্ড লগাইছে। এই ক্ষেত্ৰত

হাই কোর্ট কৰা হৈছে। ৰাজনৈতিক সন্মানীয় ব্যক্তি এজনে টি, ভি,ত উঠি কৈছে হিমন্ত বিশ্ব শর্ম্মাই মাটি দখল কৰিছে। এইটো নহয়, এই ক্ষেত্রত আইনসন্মত প্রক্রিয়া আছে। মূল দামৰ ওপৰত ৪০ পাৰচেণ্ট প্রিমিয়াম পাব। মানুহজনৰ ক্ষতি হ'ব নালাগে। যি মাটি লোৱা হৈছে চৰকাৰীকৰণ কৰিব লাগিব। এইটো যদি কৰা নহয় অসমৰ কাম কেনেকৈ হ'ব। গুৱাহাটী মহানগৰীত কাম কৰাৰ কাৰণে বহুত অসুবিধা আছে। যদি কোনোবা এডোখৰ মাটি ল'ব খোজা হয়, তেতিয়া কয় ইয়াৰ মালিক আছে। সেই কাৰণে পৌৰ নিগমে ৰাস্তাৰ ওপৰতে পার্কিং প্লেচ্ কৰিছে। সেই মাটি দখল কৰিলে আমাৰ বিপদ হ'ব, কাৰণ সেই মানুহবিলাক শক্তিশালী। মাননীয় সদস্য ৰমেন্দ্র নাৰায়ণ কলিতা ডাঙৰীয়াই যি কৈছে সেইটো কৰা হ'ব, কিন্তু পিছত তেখেতে বিচলিত হ'লে নহ'ব। মাটি চৰকাৰীকৰণ কৰি পার্কিং প্লেচ্ দিম, পিচত আপুনি হিমন্ত বিশ্ব শর্মাই মাটি চৰকাৰীকৰণ নকৰিলে বুলি ক'লে নহ'ব। এই সকলো কথা চাব লাগিব। এই ক্ষেত্রত মই বিচাৰো তিক্ততা হ'ব নালাগে। ভালে ভালে হ'ব লাগে। আপোনালোক চাৰিজন বিধায়কে লগ হৈ মাটি দেখুৱাই দিয়ক, সহযোগ কৰক। টেক্স-বুক কৰপোৰেশ্বনৰ জোনজোনালী বৰুৱা ডাঙৰিয়ানী অধ্যক্ষা, আমি কৰপোৰেশ্বনৰ মাটি ল'ম বুলি কৈছে, তেখেতে আমাক অনুমতি দিছে। সেই কাৰণে মই চাৰিজন বিধায়ককে কৈছো আপোনালোকে দহ-বাৰ ডোখৰ মাটি দেখুৱাই দিয়ক, আমি পার্কিং প্লেচ্ কৰিম। মাননীয় সদস্য কলিতা ডাঙৰীয়াৰ লগতে জে, চি, ডাঙৰীয়াই যি লিখিছে তাৰ বাবে ধন্যবাদ জনাইছো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই মাননীয় সদস্য, শ্রীপ্রণৱ কলিতা ডাঙৰীয়াক ইং ১-৪-২০০৮ তাৰিখৰ "আমাৰ অসম" বাতৰি কাকতত প্রকাশিত— "শিশুৰ পৰিপুষ্টিৰ বাবে কেন্দ্রই দিয়া ধনত গুৰুতৰ কেলেংকাৰি" শীর্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

কলিতা ডাঙৰীয়া, এই বিষয়টো স্বাস্থ্য বিভাগত দিছে যদিও সমাজ কল্যাণ বিভাগৰ হয় নেকি?

* **ড° হিমন্ত বিশ্ব শর্মা ঃ** (মন্ত্রী) অধ্যক্ষ মহোদয়, এই বিষয়টো স্বাস্থ্য বিভাগৰ নহয়, সমাজ কল্যাণ বিভাগৰহে। তেওঁলোকে ক'ব।

* **শ্রীপ্রণৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত গর্ভৱতী মহিলাৰ কথাও আছে।

* **ড° হিমন্ত বিশ্ব শর্মা ঃ** (মন্ত্রী) অধ্যক্ষ মহোদয়, এই বিষয়টো কোন বিভাগৰ হ'ব বিৰোধী দলৰ মাননীয় দলপতিয়ে ক'লে ভাল হয়।

* **শ্রীচন্দ্র মোহন পাটোৱাৰী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, বিষয়টো সমাজ কল্যাণ বিভাগৰ যদিও মাননীয় সদস্যই চৰকাৰে উত্তৰ দিব বুলি ক'লে ভাল হ'ব।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য, কলিতা ডাঙৰীয়াক চমুকৈ ক'বলৈ অনুৰোধ কৰিলো।

* **শ্রীপ্রণৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই চমুকৈ ক'ম। ইং ১-৪-২০০৮ তাৰিখে "আমাৰ অসম" বাতৰি কাকতত প্রকাশিত "শিশুৰ পৰিপুষ্টিৰ বাবে কেন্দ্রই দিয়া ধনত গুৰুতৰ কেলেংকাৰি" এই বিষয়টো

---

* Speech not corrected

উৎথাপন কৰিব বিচাৰিছো। শিশু আৰু গৰ্ভৱতী মহিলা সকলক উপযুক্ত আহাৰ দিয়াৰ যি ব্যৱস্থা হাতত লৈছে ইয়াৰ ওপৰত দুটামান কথা ক'বলৈ ওলাইছো। মাক-দেউতাকে সন্তান জন্ম দিয়াটো শান্তিৰ কথা। এই ক্ষেত্ৰত তেওঁলোকৰ যিমান দায়িত্ব আছে, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ সমান দায়িত্ব। তথাপিও ৰাজ্যত শিশু হত্যা হৈ আছে। শিশু হত্যাকাৰী সকলৰ মৃত্যুদণ্ড পৰ্যন্ত হৈছে। এই ক্ষেত্ৰত চৰকাৰে শিশু সকলক কিমান ৰক্ষণা-বেক্ষণ দিব পাৰিছে? কেগৰ ৰিপোৰ্টত আছে, অতিৰিক্ত সাহায্য ১৩৫ কোটি টকা দিছিল। ২০০২ চনৰ অতিৰিক্ত ধন মোকোলাই দিয়াৰ পিছত অসম চৰকাৰে খৰচ কৰাত ব্যৰ্থ হৈছে। ২০০২ চনৰ পৰা ২০০৬-০৭ চনলৈ ২৩৬ কোটি টকা মোকোলাই দিলেহে ৩ লাখ শিশু আৰু মহিলা উপকৃত হ'লহেঁতেন।

অধ্যক্ষ মহোদয়, এই গোটেইখিনি ধন যদি ৰাজ্য চৰকাৰে মুকলি কৰি দিলেহেঁতেন তেতিয়াহলে ৫৪.৩ লাখ শিশু আৰু গৰ্ভৱতী মাতৃ উপকৃত হ'লহেঁতেন আৰু এই আঁচনিখনো ফলৱতী হ'লহেঁতেন। এই আঁচনিৰ যোগেদি শিশু আৰু গৰ্ভৱতী মহিলাক বছৰত ৩০০ দিনৰ খাদ্য যোগান ধৰিব লাগে। কিন্তু এতিয়া ৰাজ্য চৰকাৰে গোটেই টকা মুকলি কৰি নিদিয়াৰ বাবে মাত্ৰ ৪৫ দিনৰ বাবেহে খাদ্য যোগান ধৰিব পাৰি আছে। ইয়াৰোপৰি আৰু এটা আটাইতকৈ ডাঙৰ কথা এই আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰ আৰু এই বিভাগৰ বিষয়াসকলে শিশু জন্ম পোৱাৰ পিছত ঘৰে ঘৰে গৈ শিশু সকলৰ ওজন ল'ব লাগে। কিন্তু বিভাগৰ হাতত শিশুৰ ওজন লোৱা যন্ত্ৰটো নোহোৱাৰ বাবে ওজন ল'ব পৰা নাই।

(Mr. Speaker Vacated the Chair and Madam Dy. Speaker Occupied the Chair.)

উপাধ্যক্ষা মহোদয়া, মই আপোনাৰ জৰিয়তে এটা কথা দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে আজি ৰাজ্য চৰকাৰে শিশু জন্ম দিবৰ কাৰণেও পইচা দিছে আৰু জন্ম নিদিলেও টকা দিব। উপাধ্যক্ষা মহোদয়া, ২০ বছৰ পিছত মানুহ আৰু নমৰে। মানুহ মৰিলেও ইঞ্জিনিয়াৰিঙৰ সহায়ত চেল প্ৰয়োগ কৰি মানুহ জীয়াব। মানুহ যদি নমৰে তেতিয়াহ'লে এজন মানুহ এজনৰ ওপৰত থিয় হৈ থাকিব লাগিব। উপাধ্যক্ষা মহোদয়া, আৰু এটা খবৰ পাইছো, কিন্তু মোৰ বিশ্বাস হোৱা নাই, মহিলা সকলক লৰা-ছোৱালী জন্ম দিয়াৰ বাবে টকা দিয়া হ'ব। এইটো যদি হয়, তেতিয়া কিমান মহিলাই কিমান ল'ৰা-ছোৱালী জন্ম দিব তাৰ কোনো হিচাব নাথাকিব। আজি এটা কথা বৰ দুখেৰে জনাইছো যে অসমত প্ৰতিদিনে ২ জন শিশু নিখোজ হৈ আছে। এই নিখোজ হোৱা শিশু সকলক নিশ্চয় কোনোবাই দিল্লী, মুম্বাই বা মধ্য প্ৰাচ্যৰ দেশলৈ লৈ গৈছে। গতিকে এই বিষয়ে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। মাননীয় উপাধ্যক্ষা মহোদয়া, ১৯৭৬ চনত ভাৰত চৰকাৰে সংবিধানৰ ৪২ নং দফা সংশোধন কৰিছিল একমাত্ৰ শিশু সকলৰ পৰিপুষ্টিৰ বাবে আৰু সেই অৰ্থতে এই টকাখিনি কেন্দ্ৰীয় চৰকাৰে মোকলাই দিছিল। কিন্তু ৰাজ্য চৰকাৰে এই আঁচনিৰ গোটেইকিনি টকা মুকলি কৰি নিদিয়াটো গুৰুতৰ অপৰাধ। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ পৰা উত্তৰ পাম বুলি আশা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* **শ্রীভৰত চন্দ্র নৰহ (মন্ত্রী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য শ্রীপ্রণৱ কলিতা ডাঙৰীয়াই শূণ্যকালীন ঘণ্টাত যিটো বিষয় উত্থাপন কৰিছে "আমাৰ অসম" কাকতত ইং ১-৪-২০০৮ তাৰিখে প্রকাশিত- "শিশুৰ পৰিপুষ্টিৰ বাবে কেন্দ্রই দিয়া ধনৰ গুৰুতৰ কেলেংকাৰী" এই বিষয়টো আমাৰ সমাজ কল্যাণ বিভাগৰ পৰা কালিলৈ সদনত এটা বিবৃতি দিয়া হ'ব।

মাননীয় উপাধ্যক্ষা ঃ এতিয়া মই, মাননীয় সদস্য শ্রীচন্দ্র মোহন পাটোৱাৰী, ডাঃ আদিত্য লাংথাছা, শ্রীৰঞ্জিত দত্ত, শ্রীপ্রফুল্ল কুমাৰ মহন্ত আৰু শ্রীদ্রুপদ বৰগোহাঁই ইং ১-৪-২০০৮ তাৰিখৰ "অসমীয়া প্রতিদিন" বাতৰি কাকতত প্রকাশিত— "অভাৱনীয় মূল্যবৃদ্ধি ঃ গভীৰ সংকটত ৰাজ্য" শীর্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

* **শ্রীচন্দ্র মোহন পাটোৱাৰী ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি আমি এই শূণ্যকালীন ঘণ্টাত সকলো বিৰোধী দলে এটা গুৰুত্বপূর্ণ বিষয়, যিটো বিষয় অসমৰ আটাইকেইখন বাতৰি কাকতত প্রকাশিত হৈছে। মই 'প্রতিদিন কাকত'ত প্রকাশিত— "অভাৱনীয় মূল্যবৃদ্ধি ঃ গভীৰ সংকটত ৰাজ্য" শীর্ষক বাতৰিটোৰ প্রতি মই বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিছো। আজি মূল্য বৃদ্ধিৰ ক্ষেত্রত ৰাজ্যখনত এটা ভয়াবহ সমস্যা হৈছে। আজি এটা বছৰত ৰাজ্যখনত ইমান মূল্য বৃদ্ধি হৈছে অথচ ৰাজ্য চৰকাৰে নির্বিকাৰ ভূমিকা গ্রহণ কৰি আছে। মূল্য বৃদ্ধিৰ ক্ষেত্রত যোৱা বিধান সভাত আৰু চলিত বিধান সভাতো আলোচনা হৈছে, কিন্তু চৰকাৰ নির্বিকাৰ হৈ আছে। আজি অতি দুখ আৰু পৰিতাপৰ কথা যে সর্বসাধাৰণ

* Speech not corrected

ৰাইজে আজি বজাৰত সোমাব ভয় কৰা হৈছে, ইমান মূল্য বৃদ্ধি হৈছে। এই বিষয়টো প্ৰতিখন বাতৰি কাকতৰ হেড লাইন হৈছে। মূল্য বৃদ্ধিৰ বাবে মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ে ইমাৰজেন্সি কেবিনেট মিটিং কল কৰি তেখেতৰ উদ্বিগ্নতা প্ৰকাশ কৰিছে। ইয়াৰ বাবে Oil ৰ ওপৰত থকা টেক্স উঠাই দিয়া হৈছে। ৰিফাইন তেলৰ ক্ষেত্ৰত টেক্স কমাই দিয়া হৈছে। কিন্তু আমাৰ ইয়াত ৰাজ্য চৰকাৰে এখন ধুনীয়া বাজেট দিয়া বুলি কৈছে যদিও মিঠাতেল, আটা আদি খাদ্য সামগ্ৰীৰ ওপৰত এণ্টি টেক্স লগোৱা হৈছে। ভেট উইড্ৰ কৰাৰ পিছত মাননীয় মূখ্য মন্ত্ৰীৰ হৈ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই কৈছে যে ভেট কমাই দিলেও খাদ্য সামগ্ৰীৰ মূল্য নকমে। আগতে আমি মূল্য বৃদ্ধিৰ বাবে যোগান বিভাগক কৈছিলো। মাননীয় উপাধ্যক্ষা মহোদয়া, মই এটা কথা ক'ব বিচাৰিছো যে যি সময়ত চৰকাৰে বিকশিত অসমৰ শ্লোগান দি অসমখন নদন-বদন হোৱা বুলি কৈ আছে, সেই সময়তে খাদ্য সামগ্ৰীৰ অভাৱনীয় মূল্য বৃদ্ধিৰ ফলত সৰ্বসাধাৰণ ৰাইজে অনাহাৰত অনিদ্ৰাত দিন কটাই পঙ্গু হ'বলগীয়া হৈছে। উপাধ্যক্ষা মহোদয়া, আজি এইখন সঁচা ছবি। আপুনি শুনি আচৰিত হ'ব যে যোৱা বছৰ ৩১ মাৰ্চ ২০০৭ত এই বছৰ ৩১ মাৰ্চ ২০০৮ত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ মূল্য বৃদ্ধি এনে ধৰণৰ— যোৱা বছৰত জহা চাউলৰ প্ৰতি কিঃগ্ৰাঃ দাম আছিল ২২-২৪ টকা এই বছৰ হৈছে ৩৪-৩৬ টকা। আইজং চাউল যোৱা বছৰ ১৬ টকা আৰু এইবাৰ হৈছে ১৮-২২ টকা। মচুৰ দাইল সৰু যোৱা বছৰ আছিল ৩৬ টকা আৰু এইবাৰ ৫৬-৫৮ টকা। মচুৰ দাইল ডাঙৰ যোৱা বছৰ আছিল ৩২-৩৫ টকা আৰু এই বছৰ হৈছে ৩৬-৪৮ টকা। বুট দাইল যোৱা বছৰ আছিল ৩০-৩২ টকা। এই বছৰ হৈছে

৪০ টকা। ৰহৰ দাইল যোৱা বছৰ আছিল ৪০ টকা আৰু এই বছৰ হৈছে ৪৬-৪৮ টকা। ইঞ্জিন মিঠাতেল যোৱা বছৰ আছিল ৬৬ টকা আৰু এই বছৰ হৈছে ৭৯-৮৫ টকা নিভাজ তেল যোৱা বছৰ আছিল ৫৪ টকা আৰু এই বছৰ হৈছে ৮১ টকা। ধাৰা মিঠাতেল যোৱা বছৰ আছিল ৫৯ টকা আৰু এই বছৰ হৈছে ৭৯-৮৩ টকা। ৰিফাইন যোৱা বছৰ আছিল ৫৫-৬০ টকা আৰু এই বছৰ হৈছে ৭২-৮৯ টকা। আটা যোৱা বছৰ আছিল ১৪ টকা আৰু এই বছৰ হৈছে ১৭ টকা। ময়দা যোৱা বছৰ আছিল ১৫ টকা আৰু এই বছৰ হৈছে ১৮ টকা।

উপাধ্যক্ষা মহোদয়া, আজি আমি যদি চাওঁ অসমৰ জনসাধাৰণৰ পাৰ কেপিটা ইনকম ভাৰতবৰ্ষৰ জনসাধাৰণতকৈ কম। আন বহুতো ৰাজ্যৰ তুলনাত আমাৰ পাৰ কেপিটা ইনকম কম। আমাৰ ৰাজ্যত ৰাজ্যত নিবনুৱা সমস্যা বেছি। উদ্যোগীকৰণৰ ক্ষেত্ৰত আগবঢ়াই নিব পৰা নাই আমাৰ ৰাজ্যক। ফলত পাৰ কেপিটা ইনকম কম হৈ আছে। এনে ধৰণে মূল্য বৃদ্ধি হ'লে দুখীয়া ৰাইজ কেনেকৈ চলিব, সেইটো এটা সমস্যা হৈছে। উপাধ্যক্ষা মহোদয়া, মই আপোনাৰ জৰিয়তে চৰকাৰৰ বিভাগীয় মন্ত্রী ডাঙৰীয়াক অনুৰোধ জনাইছো। আমাৰ ইয়াত গুৱাহাটীৰ দৰহে এইটো মই কৈছো। কিন্তু ইয়াৰ পৰা আপোনাৰ আমাৰ মিষ্টিৰ ভিতৰুৱা গাওঁ অঞ্চললৈ যাওঁতে এই মূল্য আৰু বাঢ়ি যায়। ফলত ইয়াত আশী টকা হ'লে তাতগৈ গাওঁ অঞ্চলত এশ টকা হ'বগৈ। ইয়াৰ কাৰণ হৈছে চৰকাৰে এই মূল্যবিলাক নিয়ন্ত্রণত ৰাখিব পৰা নাই। এণ্টি টেক্স আটা আৰু হুইটৰ ওপৰত টেক্স লগোৱাৰ কাৰণে ভিতৰুৱা

অঞ্চলত আৰু দাম বাঢ়িব। আমাৰ বৰ্তমান ভাৰতৰ প্ৰধান মন্ত্ৰী অসমৰ পৰা প্ৰতিনিধিত্ব কৰি গৈছে। তাঁলৈ আমাৰ সৰ্বদলীয় কমিটি গৈছিল। লগ কৰি আলোচনাও কৰিছে। ভাৰতবৰ্ষৰ খাদ্য মন্ত্ৰীকো লগ ধৰি আলোচনা কৰিছে। ৰেলওৱেৰ ক্ষেত্ৰতো অসমক স্পেচিয়েল কেটাগুৰিৰ ৰাজ্য আজি পৰ্য্যন্ত কৰিব পৰা নাই। খাদ্য সামগ্ৰীৰ দাম আকাশলংঘী হৈছে। কিন্তু এই বৃদ্ধি নিয়ন্ত্ৰণ কৰিব পৰা নাই। চৰকাৰ এই কাৰ্য্যত ব্যৰ্থ হৈছে। ৰাইজৰ কি অৱস্থা হৈছে সকলোৱে উপলব্ধি কৰিব পাৰিব। এশ টকা লৈ বজাৰলৈ গ'লেই লাগতিয়াল দুই-এপদ বস্তুতে শেষ হয়। এই টকাৰ কোনো মূল্যই নাই যেন হৈছে। যোৱাকালি কেন্দ্ৰীয় চৰকাৰে অৰ্থাৎ প্ৰধান মন্ত্ৰীয়ে কেবিনেট চাবকমিটিৰ মিটিং দিছে। মূল্য বৃদ্ধিৰ কাৰণে ভাৰত চৰকাৰে নিয়ন্ত্ৰণ কৰিবলৈ ব্যৱস্থা লৈছে। ফুড্ ক্ৰাইচিচ্ হৈছে। অসমত কিন্তু কোনো নিয়ন্ত্ৰণৰ কথা চিন্তা কৰা নাই। আমাৰ ইয়াত ব্যৱসায়ী সকলক নিয়ন্ত্ৰণ কৰিব পৰা নাই। সৰ্বসাধাৰণৰ চিন্তা হৈছে চৰকাৰখনে ব্যৱসায়ীৰ পকেটত সোমাই পৰিছে। সেই কাৰণে মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিব পৰা নাই। আটাইবোৰ বাতৰি কাকতত সকলো কথা পৰিষ্কাৰকৈ প্ৰকাশ কৰি থকাৰ পিচতো আজি সদনত মই মাননীয় মুখ্য মন্ত্ৰীক প্ৰশ্ন কৰাৰ প্ৰয়াস কৰিছো। ইয়াৰ কাৰণে এই মূল্যবৃদ্ধিৰ কাৰণে কিমানজন ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিছে? কিমানজন ব্যৱসায়ীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে? আমাৰ সদনত ক'বলৈ অনুৰোধ জনাইছো। চাপ্লাই মিনিষ্টাৰৰ লগত চাপ্লাই বিষয়াসকল লগ হৈ একো কৰিব পৰা নাই। কিয়নো চাপ্লাই অফিচাৰ বিলাকৰ কাৰণে ঠাই চাপ্লাই অফিচ নহয়। কিন্তু তেওঁলোক বহে হোলচেলৰ গাদীতহে।

তেওঁলোকৰ অফিচত নবহে। ফাচী বজাৰৰ ডাঙৰ ডাঙৰ ব্যৱসায়ীৰ ওচৰত চাপ্লাই অফিচাৰ বিলাক বহি থাকে আৰু তাৰ পৰা কাম চলাই থাকে। মই আনৰ পৰা শুনা কথা নহয়। নিজে দেখা কথা। এই বিলাকৰ কাৰণেই মূল্যবৃদ্ধি ৰোধ কৰিব পৰা নাই। এই বিষয়ত চৰকাৰ ব্যর্থ হৈছে। কেৱল শ্লোগান দিলেই নহ'ব। ৰাইজে পেটত ভাত নাপালে বিকশিত অসমৰ শ্লোগান দিলেই পেট নভৰিব।

(ভইচ ঃ আস্থা অসম)

এতিয়া আজিৰ দিনত কি হৈছে। আস্থা কেনেকৈ নষ্ট নহ'ব। এই বিলাক প্রমাণ আগন্তুক নির্বাচনত পাব নিশ্চয়। ৰাইজৰ প্রতিনিধিসকল ব্যৱসায়ী সকলৰ বিৰুদ্ধে থাকিলে জনসাধাৰণৰ আস্থা পালেহেঁতেন কিন্তু এতিয়া ব্যৱসায়ী সকলৰ পকেটত সোমাই পৰা দেখা গৈছে। আমাৰ অসমত এই অভাৱনীয় মূল্যবৃদ্ধি প্রতিৰোধ কৰিব পৰা নাই। ইয়াৰ কাৰণে মন্ত্রী মহোদয়ে জবাব দিব লাগে। প্রধান মন্ত্রীয়ে কনচার্ন হৈ ব্যৱস্থা ল'বলৈ আগবাঢ়িছে। কিন্তু আমাৰ অসমত সেইটো একো হোৱা নাই। আমাৰ চৰকাৰৰ এই কথা বিলাক গাত লগা নাই। চৰকাৰী বিভাগবোৰ গাত লগা নাই। সেই কাৰণে কৈছো। মূল্যবৃদ্ধি ৰোধত চৰকাৰ ব্যর্থ হৈছে। মই এই বিষয়ত বিভাগীয় মন্ত্রীৰ পৰা এটা উত্তৰ বিচাৰিছো ইয়াৰ কাৰণে ইয়েচ বা নো কিবা এটা খাদ্য শস্যৰ মূল্যবৃ ি ৰ ওপৰত স্পষ্টভাৱে ক'ব লাগে। লগতে এই কথাটো ইয়েচ বা নো কিবা এটা ক'ব লাগে বুলি কৈ মই সামৰিছো।

*** ডাঃ আদিত্য লাংথাচা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি খাদ্য দ্রব্যৰ

---

* Speech not corrected

মূল্যবৃদ্ধিৰ দৰে এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা হৈছে। বিষয়টো হৈছে নিত্য ব্যৱহার্য্য দ্রব্যসমূহৰ দাম অতিকৈ বৃদ্ধি পাইছে আৰু যাৰ ফলত সাধাৰণ শ্রেণীৰ লোকে বজাৰত বস্তু ক্রয় কৰিবলৈ অসুবিধাত পৰিছে। যোৱাবাৰ বিধান সভাতে প্রাইচ ৰাইজ লোৱা কথা স্বীকাৰ কৰিছিল। আমাৰ মাননীয় সদস্য শ্রীপাটোৱাৰী ডাঙৰীয়াই কৈছে ভেট ব্যৱস্থা প্রৱর্ত্তন কৰা আৰু ৰেলওৱেৰ টেক্স ৰেহাইৰ কাৰণে আমাৰ ইয়াত এই ব্যৱস্থা হৈছে। আমি সকলোৱে দেখা পাইছো যে যোৱা বাৰ ৩১ মার্চত আইজুং চাউলৰ যি দাম আছিল সেইটো এইবাৰ ২০০৮ চনৰ মার্চ মাহত ৩৭.৫০ শতকৰা বাঢ়িছে। জহা চাউল শতকৰা পঞ্চাশ, মচুৰ দাইল শতকৰা ৬১ বৃদ্ধি হৈছে। ডাঙৰ মচুৰ শতকৰা ৩৭, বুট শতকৰা ২৫, ধাৰা তেল শতকৰা ৪৮, ৰিফাইন তেল শতকৰা ৫০, আটা-ময়দা শতকৰা ২৩ ভাগ বৃদ্ধি হৈছে। এই ক্ষেত্রত অসমৰ দুখীয়া ৰাইজক সকাহ দিয়াৰ সলনি তেওঁলোকৰ অর্থনৈতিক সংকটৰ অৱস্থালৈ ঠেলি পঠিওৱা হৈছে। এই মূল্যবৃদ্ধি কেনেকৈ নিয়ন্ত্রণ কৰিব পাৰি আৰু এই ব্যৱসায়ী সকলক নিয়ন্ত্রণ কৰিব পাৰি তাৰ কাৰণে চৰকাৰে বলিষ্ঠ পদক্ষেপ লোৱা পৰিলক্ষিত হোৱা নাই। এই ব্যৱস্থা সোনকালে ল'ব লাগে বুলি দাবী জনাইছো আৰু চৰকাৰে অর্থাৎ মুখ্যমন্ত্রী মহোদয়ে ইয়াৰ ওপৰত বিহিত ব্যৱস্থা ল'ব বুলি আশা ৰাখি মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

মাননীয় উপাধ্যক্ষা ঃ এতিয়া শ্রী ৰঞ্জিত দত্ত।

*** শ্রীৰঞ্জিত দত্ত ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি আমাৰ সদনৰ শূন্যকালীন

---

* Speech not corrected

ঘণ্টাত যি প্রশ্ন উত্থাপন কৰিছে, অসমীয়া প্ৰতিদিন কাকতত লিখিছে, "অভাৱনীয় মূল্যবৃদ্ধি গভীৰ সংকটত ৰাজ্য" এই সম্পৰ্কত মই কিছু কথা ক'বলৈ ওলাইছো। উপাধ্যক্ষা মহোদয়া, যেতিয়া ৰাজ্যখন গভীৰ সংকটত, অসম চৰকাৰখন কুম্ভকর্ণৰ টোপনিত লালকাল হৈছে। উপাধ্যক্ষা মহোদয়া কুম্ভকর্ণ যেতিয়া টোপনি যায় ৰাজ্যত কি হৈছে নহৈছে একো বুজি নাপায়। তেনেকৈ অসম চৰকাৰখনেও এতিয়া টোপনিত লাল-কাল হৈছে। এতিয়া আজি আমি বিৰোধী দলৰ সদস্য সকলে একেলগ হৈ এই টোপনিত থকা চৰকাৰখনক জগাব বিচাৰিছো। আজি যদি প্রশ্নবোৰ উত্থাপন নকৰো অসমৰ জনসাধাৰণে আমাক কেতিয়াও ক্ষমা নকৰে। গোটেই অসমজুৰি আজি মূল্যবৃদ্ধি হৈছে। অকল খাদ্য সামগ্রীৰ ওপৰতে নহয়, প্রতিটো বস্তুৰে মূল্যবৃদ্ধি হৈছে। আমাৰ বিৰোধী দলৰ সভাপতি পাটোৱাৰী ডাঙৰীয়াই ইতিমধ্যে খাদ্য সামগ্রীৰ ওপৰত মূল্যবৃদ্ধিৰ কথা উল্লেখ কৰিছে। ২ বছৰৰ ভিতৰত ২০০৬ আৰু ২০০৭ত কেনেকৈ বস্তুৰ মূল্যবৃদ্ধি হৈছে উল্লেখ কৰিছে। মাননীয় উপাধ্যক্ষা মহোদয়া, আজি আমাৰ সর্বসাধাৰণ ৰাইজে খাদ্য বস্তুৰ উপৰিও বিভিন্ন গৃহ নির্মাণৰ সামগ্রীৰ ওপৰতো অধিক দাম ভৰিব লাগিব। এই ৰ'ড, চিমেণ্ট আদিৰ দাম অভাৱনীয় ভাৱে বাঢ়ি গৈছে। ২০০৭ত ১৬ এম,এম ৰ'ডৰ দাম আছিল ২৮৫০, ২০০৮ ত হৈছে ৪৬০০ টকা। তেনেদৰে শিলৰ দাম ২০০৭ত আছিল ৩৫০০, ২০০৮ত হৈছে ৩৮০০ টকা। বালিৰ ২০০৭ত আছিল ২০০০, ২০০৮ত হৈছে ২২০০ টকা। ইটা ২০০৭ত আছিল ৬৬০০, ২০০৮ত হ'লগৈ ৭২০০ টকা। গজাল আগতে আছিল ৪০ টকা এতিয়া ৬০ টকা

হৈছেগৈ। গৃহ নির্মাণৰ সামগ্রীৰ ক্ষেত্রত অভাৱনীয় ভাৱে দাম বাঢ়ি গৈছে। এতিয়া আমাৰ গাওঁলৈ চালে দেখিবলৈ পাব যে যিবিলাক মানুহে দিন হাজিৰা কৰি খায়, তেওঁলোকে ৮০ টকামানহে পায়। তাৰে এটা ৫-৬ জনীয়া পৰিয়াল পোহপাল দিব লাগে। তেওঁলোকে হাজিৰা কৰা পইচা কেইটাৰে চাউল, দাইল, নিমখ, তেল আদি নিত্য ব্যৱহার্য্য বস্তু কিনি কিদৰে পৰিয়ালটো পোহপাল দিব? আজি গুৱাহাটীতে বস্তুৰ দাম বাঢ়িছে। গাওঁত এই বস্তু বিলাকৰ দাম আৰু বেছি হ'ব। অসমৰ সর্বসাধাৰণ ৰাইজ বেয়াকৈ ক্ষতিগ্রস্ত হৈছে। ইয়াত মুখ্যমন্ত্রী ডাঙৰীয়াৰ হৈ উত্তৰ দিয়া স্বাস্থ্য মন্ত্রী ডাঙৰীয়াই নিজে স্বীকাৰ কৰিছে যে 'ভেট' উঠাই দিয়াৰ পিচতো বস্তুৰ দাম কমা নাই। এইটো চৰকাৰে নিজেই স্বীকাৰ কৰিছে। এইটো আমি স্বীকাৰ কৰিবলগা হোৱা নাই। উপাধ্যক্ষা মহোদয়া, যেতিয়াৰে পৰা কেন্দ্রত ইউ,পি,এ চৰকাৰ আহিছে। গোটেই ভাৰততে খাদ্য সামগ্রীৰ দাম, গৃহ নির্মাণ সামগ্রীৰ দাম বৃদ্ধি পাইছে। বিভিন্ন সংবাদপত্রতো এইবোৰ উল্লেখ কৰিছে। আমাৰ পাটোৱাৰী ডাঙৰীয়াৰ লগত মই একমত। খাদ্য সামগ্রীৰ মূল্য ৰোধত যোগান বিভাগ সম্পূর্ণৰূপে ব্যর্থ হৈছে। ইয়াত যোগান বিভাগৰ বিষয়া সকল অফিচত নবহে। কোনোবা মাৰোৱাৰীৰ গোলাত বহি থাকে।

মাননীয়া উপাধ্যক্ষা ঃ একেটাকে ৰিপিট নকৰি বেলেগ আছে যদি কওক।

*** শ্রীৰঞ্জিত দত্ত ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, গতিকে চৰকাৰে মূল্যবৃদ্ধি ৰোধ কৰাত সম্পূর্ণৰূপে ব্যর্থ হৈছে। কোনো উল্লেখনীয় পদক্ষেপ ল'ব

---

* Speech not corrected

পৰা নাই। উপাধ্যক্ষা মহোদয়া, মই এফাঁকি কবিতাৰে মোৰ বক্তব্যৰ সামৰণি মাৰিব খুজিছো। আমি সৰুতে স্কুলত পঢ়িছিলো 'অ ফুল, অ ফুল নুফুল কিয়? গৰুৱেযে আগ খাই মইনো ফুলিম কিয়?' ঠিক তেনেদৰে মই ক'ম— "অ' অসমৰ জনসাধাৰণ অ' অসমৰ জনসাধাৰণ, কংগ্রেছক ভোট নিদিয় কিয়? কংগ্রেছে যে খাদ্য সামগ্রীৰ মূল্য নকমায়, আমিনো ভোট দিম কিয়?"

* **শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি পৱিত্র সদনত যিটো বিষয় উৎথাপিত হৈছে, বিভিন্ন কাকতত ইতিমধ্যে প্রকাশিত হৈ গৈছে। প্রতিদিন কাকতত যিটো প্রকাশিত হৈছে "অভাৱনীয় মূল্যবৃদ্ধি, গভীৰ সংকটত ৰাজ্য" ইতিমধ্যে পাটোৱাৰী ডাঙৰীয়া আৰু দত্ত ডাঙৰীয়াই এই সম্পর্কত বক্তব্য ৰাখিছে বজাৰত নিত্য ব্যৱহার্য্য সামগ্রীৰ দাম কেনেকৈ বাঢ়ি গৈছে। আজি দেখা গৈছে ভাৰত চৰকাৰে এই ক্ষেত্রত চিন্তান্বিত হৈছে, কেনেকৈ বস্তুৰ দাম ৰোধ কৰিব পাৰি। কিন্তু আমাৰ অসম চৰকাৰ চিন্তান্বিত নহয়। মনমোহন সিংৰ ওপৰত নির্ভৰ কৰি হাত সাৱটি বহি আছে। আমাৰ দৈনিক বাতৰি কাকতত হেডলাইনত মূল্যবৃদ্ধিৰ কথা ওলায়ে আছে। প্রতিদিন, খবৰ, দৈনিক বাতৰি, জনসাধাৰণ আদি বিভিন্ন কাকতত বিভিন্ন ধৰণে এই বাতৰিবোৰ প্রকাশ হৈ আছে। কিমান দাম বাঢ়িছে উপাধ্যক্ষা মহোদয়া, হিচাপবোৰ দেখুৱাই দিছে। যোৱা ৩০ মার্চত প্রকাশিত এটা বাতৰিত কোৱা হৈছে যে দেশৰ ভিতৰতে অসমত মূল্যবৃদ্ধি সর্বাধিক। যদি চৰকাৰে এই কথাটো

* Speech not corrected

জানিও নিত্য ব্যৱহার্য্য বস্তুৰ দাম নকমায়, তেনেহ'লে কোনে কমাব? আজি বাজেটত কোৱা হৈছে 'ভেট' প্ৰত্যাহাৰ কৰা হ'ব, দাম কমিব। এণ্ট্ৰি টেক্স উঠাই দিলে দাম নাবাঢ়ে। কিন্তু বজাৰত গ'লে দেখা যায় বস্তুৰ দাম অভাৱনীয় ভাৱে বাঢ়িছে।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি ১ কেজি জহা চাউলৰ দাম কিমান, এমাহ আগতে কিমান আছিল? ১ কেজি আইজং চাউলৰ দাম এতিয়া কিমান, এমাহ আগতে কিমান আছিল? ১ লিটাৰ কেৰাচিন তেলৰ দাম আগতে কিমান আছিল আৰু এতিয়া কিমান হৈছে? বনস্পতি, ঘিউকে আদি কৰি সকলো অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধি হৈছে। চাউল, দাইলকে আদি কৰি আলু, পিয়াজ আদি সকলো খাদ্য সামগ্ৰীৰে মূল্যবৃদ্ধি হৈছে। মূল্যবৃদ্ধি ৰোধৰ ক্ষেত্ৰত চৰকাৰে কোনো ধৰণে ব্যৱস্থা ল'ব পৰা নাই। মাননীয় যোগান বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যিটো পি,ডি,এচ চিষ্টেম আছে, এই চিষ্টেমটো কাৰ্য্যকৰী কৰিবৰ কাৰণে কোনো পদক্ষেপ হাতত লোৱা দেখা নাই। মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি সুলভ মূল্যৰ দোকানৰ বস্তু খাব নো�ৱাৰি। চৰকাৰে কৈছে তেওঁলোকে বিস্কুট ফেক্টৰী খুলিছে, সেইটো ভাল কথা হৈছে। তেওঁলোকে ব্যৱহাৰ কৰাত ঘেঁহু ক'ৰ পৰা গৈছে। পি,ডি,এচ চিষ্টেমটো ঠিক মতে চলি আছে নে নাই। এই বস্তুটো ব্লেক মার্কেটত কেনেকৈ যাব পাৰিলে? মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি সমগ্ৰ দেশৰ ১২.৫ পাৰচেণ্টৰ পৰা ৫০ পাৰচেণ্ট খাদ্য সামগ্ৰী প্ৰডাক্শ্যন হোৱা বুলি কৈছে। আমাৰ চৰকাৰক শোৱাপাটিৰ পৰা জগাবৰ কাৰণে ক'ব লগা হৈছে। মাননীয়া উপাধ্যক্ষা মহোদয়া,

আমাৰ চৰকাৰে নিত্য ব্যৱহার্য্য সামগ্রীৰ দাম কমাব পৰা নাই, চৰকাৰে মাথো কৈ আছে যে কেন্দ্রীয় চৰকাৰে যিমান দৰমহা দিয়ে, তাতকৈ আমি এটকা হ'লেও বেছি দিম। আপোনালোকে দুমুখীয়া নীতি কিয় লয়? আজি গৃহমন্ত্রীয়ে সদনত উত্তৰ দিব লাগে দিয়ে বন মন্ত্রীয়ে। বিত্ত বিভাগৰ দায়িত্বত থকা মন্ত্রীয়ে উত্তৰ দিব লাগে, দিয়ে স্বাস্থ্যমন্ত্রীয়ে। সেই কাৰণে আজি মই কৈছো মাননীয় প্রধানমন্ত্রী ডঃ মনমোহন সিঙে যদি ক'ব পাৰে, আমাৰ মুখ্যমন্ত্রী মহোদয়ে কিয় ক'ব নোৱাৰে? আজি আমাৰ প্রডাকশ্যন যদি বাঢ়িছে তেতিয়া হ'লে চাউলৰ দাম কিয় বাঢ়িছে? আজি নিত্য ব্যৱহার্য্য সামগ্রীৰ যি ভাবে মূল্যবৃদ্ধি হৈছে, এই ক্ষেত্রত পে-ৰিভাইজ কৰিলেও একো লাভ নহ'ব। এই ক্ষেত্রত এটা পজেটিভ দৃষ্টিভংগীৰে চাব লাগিব। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

মাননীয়া উপাধ্যক্ষা ঃ এতিয়া মাননীয় সদস্য শ্রী দ্রুপদ বৰগোহাঁই।

শ্রীদ্রুপদ বৰগোহাঁই ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ এই পবিত্র সদনত এই সম্পর্কে এটা প্রশ্নৰ আলোচনা কালত মই এটা ৰিমার্ক দিছিলো যে বস্তু-বাহানিৰ চৰা দাম নিয়ন্ত্রণ কৰাৰ ক্ষেত্রত অসম চৰকাৰ অসহায়। তেতিয়া এনেকুৱা এটা অৱস্থা আছিল যে তেওঁলোকে বহুত চেষ্টা কৰিও বস্তুৰ দাম কমাব নোৱাৰিলে। তাৰ মূল কাৰণটো হৈছে সর্বভাৰতীয় ভাবে আজি মূল্যবৃদ্ধি হৈ ৱ। ভাৰতবর্ষৰ বর্ত্তমান যি গৰাকী বিত্তমন্ত্রী আছে তেওঁৰ ধাৰণা হৈছে আজি ভাৰতবর্ষৰ বিকাশ হৈছে আৰু বিকাশ হোৱা কাৰণে বস্তুৰ দাম বাঢ়িছে। যদি বিত্তমন্ত্রীয়ে এই কথা কয় তেতিয়াহ'লে ভাৰতবর্ষত বস্তুৰ দাম বাঢ়িবই। আমাৰ বিকাশ হৈছে বুলি কৈ আছে। আচল কথাটো কি

যদি ফেক্টচ্ এণ্ড ফিগাৰৰ জৰিয়তে আমি চাওঁ তেতিয়া হ'লে আমি দেখা পাম যে এইখন ষ্টেটিচটিকেল হেণ্ড বুকত আছে। এই ইনডেক্সখনত এটা কথা কৈছে যে বয়-বস্তুৰ ভীষণভাৱে দাম বাঢ়িছে। এই কথাবিলাক বহুত পুৰণি। মাননীয়া উপাধ্যক্ষা মহোদয়া, এন,ডি,এ চৰকাৰৰ দিনত আৱাজ আছিল চায়নিঙ ইণ্ডিয়া, ইউ,পি,এৰ দিনত ৰাইজিং ইণ্ডিয়া আৰু এতিয়া হৈছে 'ষ্টাৰ্ভিং ইণ্ডিয়া', এই কথাটো আচলতে বৰ্ত্তমান প্ৰতিপন্ন হৈছে। এতিয়া অৰ্থনৈতিক ফেক্টচ্ এণ্ড ফিগাৰবিলাক আমাৰ হাতত আহিছে। এতিয়া ভাৰতৰ জনসংখ্যা ১১০ কোটি মানুহৰ ভিতৰত ৮৩.৬ কোটি মানুহৰ প্ৰত্যেক দিনে এজন মানুহৰ হাতত ২০ টকা বা তাতকৈ কম পইচা আছে। ২০ টকাত তেওঁলোকে কেনেকৈ চলিব? অভাৱনীয় মূল্যবৃদ্ধি হোৱাৰ ফলত এতিয়া ষ্টাৰভিং ইণ্ডিয়া পৰ্য্যায়লৈ গুচি যোৱা নাইনে? এইটো ভাৰতবৰ্ষৰ অৰ্থনীতিৰ পৰা অহা এটা হিচাব। এইটো এটা এভাৰেজ হিচাব। এইটো ভাঙি পেলালে সৰহভাগ মানুহে ১০ টকা বা ৫ টকাহে পাব। বিশেষকৈ এচ,টি,এচ,চিৰ ক্ষেত্ৰত শতকৰা ৮৮ ভাগ, মুছলিমৰ শতকৰা ৮৫ আৰু অ,বি,চিৰ ক্ষেত্ৰত শতকৰা ৮০ পাৰচেণ্ট ১০ টকা ১২ টকাহে দিনে পায়। গতিকে এই অৱস্থাৰ কথা চৰকাৰখনে সামগ্ৰিকভাৱে লক্ষ্য কৰা দৰকাৰ। এইটো নকৰিলে চৰকাৰৰ ওপৰত দায়-দায়িত্ব আহি পৰিব।

কেপিটেলিষ্ট ইকোনমিৰ কাৰণে অসহায় হোৱা বুলি কোৱা হৈছে। অৰ্থনীতিৰ ওপৰত ভিত্তি কৰি বস্তুৰ দাম উঠা-নমা কৰি থাকে। বৰ্তমান গোটেই বিশ্বতে বিশ্বায়ন পলিচী বা অপেন

মার্কেট পলিচী চলি আছে। এই পলিচীৰ আর্কিটেক্ট হ'ল আমাৰ মাননীয় প্রধান মন্ত্রী ডঃ মনমোহন সিং। তেখেতে এই পলিচী ১৯৯২ চনতে লোৱাৰ সিদ্ধান্ত কৰিছিল। এই পলিচী চলি থকাৰ কাৰণে বস্তুৰ দাম নিয়ন্ত্রণ কৰাটো সম্ভৱ হোৱা নাই। বস্তুৰ দাম নিয়ন্ত্রণ কৰাৰ কাৰণে চৰকাৰৰ কোনো নীতি-নিয়ম নাই। কিন্তু চৰকাৰে ফিচকেল পদ্ধতি বা অন্যান্য ধৰণে বস্তুৰ দাম নিয়ন্ত্রণ কৰিব পাৰে। বস্তুৰ দাম নিয়ন্ত্রণ কৰাৰ কাৰণে অসম চৰকাৰ বা ভাৰত চৰকাৰে তেনেকুৱা ধৰণৰ কোনো ব্যৱস্থা গ্রহণ কৰা নাই। আমাৰ মাননীয় সদস্য মহন্ত ডাঙৰীয়াই পি,ডি,এচ চিষ্টেমৰ কথা কৈ গৈছে। পি,ডি,এচ চিষ্টেমটো সম্পূর্ণভাৱে নাইকিয়া হৈ গৈছে। আগতে বাফাৰ ষ্টক কৰি ৰাখিছিল। পি,ডি,এফ চিষ্টেমৰ জৰিয়তে নির্দ্ধাৰিত মূল্যত বস্তু যোগান ধৰাৰ কাৰণে অসাধু ব্যৱসায়ী সকলক নিয়ন্ত্রণ কৰিব পৰা গৈছিল। কিন্তু এই পি,ডি,এচ চিষ্টেম নোহোৱাৰ কাৰণে এই অসাধু ব্যৱসায়ী সকলক ভাৰত চৰকাৰ বা অসম চৰকাৰে নিয়ন্ত্রণ কৰিব পৰা নাই। এই ক্ষেত্রত আমাৰ চৰকাৰ অসহায় হৈ পৰা কাৰণে ইয়াৰ বোজা সাধাৰণ মানুহৰ ওপৰত পৰিছে। বিজনেচ্ ষ্টেণ্ডার্ড নামৰ এখন বাতৰি কাকতত এটা কথা ওলাইছে। সেইটো হৈছে আমাৰ ভাৰতবর্ষৰ ১১০ কোটি মানুহৰ ভিতৰত মাত্র ৪৮টা পৰিয়ালৰ হাতত ১ বিলিয়ন অর্থাৎ চাৰি হাজাৰ কোটি টকা আছে। তাৰ ভিতৰত এে বাৰে মূৰব্বী কেইজন মান মানুহৰ হাতত ৫০ হাজাৰ কোটি টকা গোট খাইছে। ১১০ কোটি মানুহৰ ভিতৰত ৪৮ জন মানুহৰ হাত এই টকা গোট খাইছে। গতিকে বাকী মানুহৰ হাতত কিমান টকা আছে। ভাৰতবর্ষৰ যিখন বাজেট সেইখন বাজেট হৈছে ৭ হাজাৰ কোটি টকাৰ।

গতিকে ৪৮ জন মানুহৰ হাতত যদি এনেকুৱা ধৰণে টকা গোট খাই থাকে তেনেহ'লে আমাৰ দেশখন কেনেকৈ আগবাঢ়িব? ফলস্বৰূপে মূল্যবৃদ্ধি নিয়ন্ত্রণ কৰিব নোৱাৰা কথাটো সাধাৰণ কথা হৈছে। আমাৰ দেশৰ যিখন ষ্টক মার্কেট এইখন কাচিনলৈ ৰূপান্তৰ হৈছে। মুকেশ আম্বানীয়ে কাচিনৰ কাৰবাৰৰ জৰিয়তে কোটি কোটি টকা আত্মসাৎ কৰিব পাৰিছে। এই বজাৰ বিগ কর্পোৰেট চেক্টৰে নিয়ন্ত্রণ কৰে। তাত বহুত মানুহ জড়িত নহ'ব। ভাৰতবর্ষৰ ১১০ কোটি মানুহৰ ভিতৰত আধা কোটি মানুহ তাত জড়িত হৈ আছে। এই আধা কোটি মানুহৰ হাতত লাহে লাহে কোটি কোটি টকা জমা হৈ গৈছে। ১০৯ কোটি ৫০ লাখ মানুহ এনে অৱস্থাত জড়িত নহয়। চেনচেক্সৰ Point বৃদ্ধিৰ কাৰণে অসম তথা আমাৰ দেশখনৰ উন্নতি হোৱা বুলি যিটো কথা কোৱা হৈছে সেইটো শুদ্ধ নহয়। এনে ব্যৱস্থাত আমাৰ অসম চৰকাৰ ভাৰত চৰকাৰে বস্তুৰ দাম নিয়ন্ত্রণ কৰাত সম্পূর্ণ ব্যর্থ হৈছে। আমাৰ মাননীয় মন্ত্রীয়ে পৰহি এনট্রি টেক্স বিল পাছ কৰোতে বাহিৰৰ পৰা অহা বস্তুৰ দাম নাবাঢ়ে বুলি কৈছে। এম,আৰ,পি নির্ণয় বাহিৰত নকৰে। এইটো ইয়াত কৰে। গতিকে বস্তুৰ দাম নাবাঢ়ে বুলি যিটো কথা কৈছে সেইটো শুদ্ধ নহয়। বস্তুৰ দাম যাতে বঢ়াব নোৱাৰে তাৰ কাৰণে যোগান ব্যৱস্থাটো সঠিকভাৱে কৰিব লাগিব। চৰকাৰী নীতি-নিয়ম প্রয়োগ কৰি আৰু সঠিকভাৱে বস্তুৰ যোগান ধৰি মূল্য বৃদ্ধি নিয়ন্ত্রণ কৰিব লাগে। আপোনালোকে এই গোটেই কথাৰিলাক আলোচনা কৰি মূল্য বৃদ্ধি নিয়ন্ত্রণ কৰাৰ কাৰণে ব্যৱস্থা কৰিব লাগে। সর্বভাৰতীয় পর্য্যায়ত ইউ,পি,এ চৰকাৰে যদি বস্তুৰ মূল্য বৃদ্ধি নিয়ন্ত্রণ কৰিব নোৱাৰে তেতিয়াহ'লে আপোনালোকেও নোৱাৰে। বস্তুৰ মূল্য বৃদ্ধি

নিয়ন্ত্রণ কৰাৰ ক্ষেত্রত যিখিনি কৰিব পাৰে সেইখিনি যাতে পৰিকল্পিতভাৱে কৰা হয় তাৰ কাৰণে অনুৰোধ জনালো।

(Madam Deputy Speaker vacated the Chair and Mr. Speaker occupied the Chair.)

* **ডাঃ নজৰুল ইছলাম (খাদ্য মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ইংৰাজী ৩১ মার্চ তাৰিখে অসমীয়া প্রতিদিন কাকতত প্রকাশিত "অভাৱনীয় মূল্যবৃদ্ধি ঃ গভীৰ সংকটত ৰাজ্য" শীর্ষক বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। অত্যাৱশ্যকীয় খাদ্য সামগ্রীৰ মূল্যবৃদ্ধি বর্ত্তমান সময়ৰ এক জলন্ত সমস্যা। অকল অসম বা উত্তৰ পূর্বাঞ্চলৰ ৰাজ্য কেইখনৰ ক্ষেত্রতে নহয় সমগ্র ভাৰতবর্ষতে ই এক বহুল চর্চ্চিত বিষয় হিচাপে পৰিগণিত হৈছে। আমাৰ ৰাজ্য চৰকাৰখনৰ দৰেই কেন্দ্রীয় চৰকাৰেও এই সমস্যা সমাধানৰ বাবে পার্য্যমানে চিন্তা-চর্চ্চা কৰিছে।

সর্বভাৰতীয় স্তৰত ঘটা মূল্যবৃদ্ধিৰ কুফল অসমৰ জনসাধাৰণে ভোগ কৰিব লগীয়া হৈছে। কাৰণ আমাৰ ৰাজ্যত ব্যৱহাৰ কৰা প্রায় সকলোবিধ খাদ্য সামগ্রীয়েই ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা আমদানি কৰি আনিব লগীয়া হয়। আনহাতে ভাৰতবর্ষৰ কৃষি খণ্ডৰ উৎপাদন যোৱা ৩ বছৰমানৰ পৰা পর্য্যাপ্ত নোহোৱাৰ ফলত অন্যান্য দেশৰ পৰা আমদানি কৰি আনি চাহিদা পুৰণ কৰিবলগীয়া হৈছে। গতিকে আন্তঃৰাষ্ট্রীয় মূল্যবৃদ্ধিৰ ফল আমিও ভোগ কৰিবলগীয়া হৈছে।

উদাহৰণ হিচাপে খোৱা তেলৰ কথাকে ধৰিব পাৰি।

---

* Speech not corrected

ভাৰতবৰ্ষৰ মুঠ খোৱা তেল (Edible Oil)ৰ চাহিদা ৫.৫ মিলিয়ন টন। এই চাহিদাৰ ৪০ শতাংশ আমদানি কৰি অনা হয়। প্ৰধানতঃ ইন্দোনেচিয়াৰ পৰা অনা এই খোৱা তেলৰ আমদানি মূল্য যোৱা ফেব্ৰুৱাৰী/২০০৭ মাহৰ পৰা এইবছৰৰ ফেব্ৰুৱাৰী (০৮) মাহ পৰ্য্যন্ত ১৫৪ শতাংশ বৃদ্ধি ঘটিছে। ফলত ভাৰতৰ ঘৰুৱা বজাৰত নৱেম্বৰৰ (০৭) পৰা মাৰ্চ (০৮) মাহৰ সময়ছোৱাত ৩৭.৭৮ শতাংশ বৃদ্ধি ঘটিছে। (Business Standard-18th March-'Edible Oil import soar 186%) Annexure-I

কেন্দ্ৰীয় চৰকাৰে এই মূল্যবৃদ্ধি ৰোধ কৰাৰ বাবে চিন্তা কৰি কেইবাখনো কেবিনেট পৰ্য্যায়ৰ মিটিং পাতি বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে। এই সম্পৰ্কে মাননীয় সদস্যসকল নিশ্চয় অৱগত। যোৱা ১৯ মাৰ্চ তাৰিখৰ Business Standard কাকতত প্ৰকাশিত- 'Govt bans edible Oil export' আৰু একেখন কাকতৰে ২৪ মাৰ্চ তাৰিখে প্ৰকাশিত- "Edible Oil Price decline after import duty Cut" শীৰ্ষক প্ৰৱন্ধ দুটাত উল্লেখিত তথ্যত কেন্দ্ৰীয় চৰকাৰৰ মূল্য নিয়ন্ত্ৰণৰ বাবে লোৱা পদক্ষেপৰ প্ৰমাণ আছে। কেন্দ্ৰীয় চৰকাৰে খোৱাতেলৰ সকলো প্ৰকাৰ ৰপ্তানি বন্ধ কৰিছে আৰু আনদানিকৃত খোৱাতেলৰ ক্ষেত্ৰত আমদানি শুল্ক কমাই দিয়া হৈছে। এই শুল্ক কমাই দিয়াৰ ফলশ্ৰুতি হিচাপে সৰিয়হৰ তেলৰ প্ৰতি কেজিত ২ টকাকৈ কমি গৈছে।

ঠিক একেদৰেই আন্তৰ্জাতিক বজাৰত ঘেঁহুৰ মূল্য ৯২ শতাংশ আৰু চাউলৰ মূল্য ১৯ শতাংশ বৃদ্ধি ঘটাৰ কথা এই বিধান সভাৰে ৪/৩/০৮ তাৰিখৰ অধিবেশনত, অন্য এক শূণ্যকালীন ঘণ্টাৰ প্ৰশ্নোত্তৰত উল্লেখ কৰা হৈছিল।

মুদ্রাস্ফীতিয়েও বর্ত্তমান সময়ত এক বিপদজনক ৰূপ ধাৰণ কৰিছে। বর্ত্তমান মুদ্রাস্ফীতিৰ হাৰ বাঢ়ি গৈ ৬.৬৮ শতাংশ পাইছেগৈ। মুদ্রাস্ফীতিয়ে অত্যাৱশ্যকীয় খাদ্য সামগ্রীৰ মূল্যবৃদ্ধিত বেয়াকৈ প্রভাৱ পেলাইছে।

ভাৰতবর্ষৰ খাদ্য উৎপাদনৰ পৰিমাণ বিগত বছৰসমূহৰ তুলনাত ঘাটি হোৱা বাবে আমদানি কৰি আনিবলগীয়া সামগ্রীৰ পৰিমাণ বৃদ্ধি ঘটিছে। আমাৰ দেশে খাদ্য সামগ্রী আমদানি কৰি আনিবৰ বাবে যি বিলাক দেশৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়, সেই বিলাক দেশতো উৎপাদন বর্ত্তমান সন্তোষজনক নহয়। ফলত আন্তর্জাতিক পর্য্যায়তো খাদ্য সামগ্রীৰ মূল্যবৃদ্ধি ঘটিছে আৰু ইয়াৰ কুফল সমগ্র ভাৰতবাসীয়ে ভোগ কৰিবলগীয়া হৈছে।

অন্যান্য বছৰৰ দৰেই এইবাৰো আমাৰ দেশে চাউল ৰপ্তানিৰ বাবে বাংলাদেশৰ লগত চুক্তিবদ্ধ হৈছিল। ইতিমধ্যে চাউলৰ নাটনি আৰু মূল্যবৃদ্ধিয়ে প্রকট ৰূপ লোৱাত ৩ মিলিয়ন টন চাউল ৰপ্তানি কৰাৰ চুক্তি আধাতে বাতিল কৰি চাউলৰ বর্হিঃগমন ৰোধ কৰিছে।

চাহিদা পূৰণ কৰাৰ বাবে আমাৰ ঘৰুৱা উৎপাদন বৃদ্ধি কৰাৰ বাহিৰে বিকল্প ব্যৱস্থা নাই। সর্বভাৰতীয় স্তৰ তা মূল্য বৃদ্ধিৰ কাৰণ হিচাপে কৃষিখণ্ডৰ ঘাটি উৎপাদনকে চিহ্নিত কৰা হৈছে।

সর্বভাৰতীয় স্তৰৰ এই হতাশাজনক পৰিস্থিতিৰ ফলশ্রুতি অসমৰ ৰাইজেও ভোগ কৰিব লগীয়া হৈছে। কাৰণ আমাৰ ৰাজ্যৰ কৃষি উৎপাদন চাহিদা পূৰণ কৰিব নোৱাৰে। সর্বভাৰতীয় পর্য্যায়ৰ

খাদ্য সামগ্রীৰ মূল্যায়নতকৈ অসমৰ মূল্য কিছু বেছি হয়। কাৰণ আমাৰ ৰাজ্যলৈ আনিবলগীয়া হোৱাত অতিৰিক্ত পৰিবহন ব্যয় আদি অতিৰিক্তভাৱে বহন কৰিব লগীয়া হয়।

মূল্যবৃদ্ধিৰ সমস্যাৰ সৈতে মোকাবিলা কৰাৰ কাৰণে আমাৰ ৰাজ্য চৰকাৰে তথা খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে গ্ৰহণ কৰা ব্যৱস্থা সমূহ হ'ল-

১) শেহতীয়া বাজেটত ১ এপ্ৰিলৰ পৰা কাৰ্য্যকৰী হোৱাকৈ সচৰাচৰ ব্যৱহৃত হোৱা ৮ বিধ খাদ্য সামগ্রীৰ পৰা (Vat) প্ৰত্যাহাৰ কৰা হৈছে। যদিও এই কৰ অতি সামান্য পৰিমাণৰ; চৰকাৰৰ এই ব্যৱস্থাই চৰকাৰৰ সদিচ্ছা আৰু আমাৰ ৰাজ্যখনত এখন প্ৰতীযোগিতামুলক বজাৰ গঢ় দিয়াত সহায়ক হ'ব বুলি বিবেচনা কৰা হৈছে।

২) খাদ্য নিগম, ৰেল কৰ্ত্তৃপক্ষ, বনিক সংস্থা সমূহৰ প্ৰতিনিধি, তেলনিগম আদি কৰ্ত্তৃপক্ষৰ লগত আলোচনা নিয়মিত ভাৱে অনুস্থিত কৰি মূল্যমান নিৰীক্ষণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

৩) সকলো জিলা, মহকুমাতে স্থানীয় বনিক সংস্থাৰ প্ৰতিনিধি, প্ৰশাসনীয় বিষয়া; খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়া আৰু গ্ৰাহক সংস্থা সমূহৰ প্ৰতিনিধিৰ একোখন কমিটি গঠন কৰি মুল্যমান পৰ্য্যালোচনা কৰাৰ ব্যৱস্থা কৰা হৈছে।

৪) অসমৰ বাহিৰৰ ঠাই সমূহৰ অত্যাৱশ্যকীয় খাদ্য সামগ্রীৰ মূল্যমান তুলনামুলক ভাৱে নিয়মিত পৰ্য্যালোচনা কৰিবৰ বাবে সঞ্চালকালয়ত এটা নিৰীক্ষণ কোষ খুলি ইণ্টাৰনেট যোগে

সেই ঠাইবিলাকৰ মূল্য আহৰণ কৰাৰ ব্যৱস্থা কৰা হৈছে।

৫) ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ সামগ্ৰী সময়মতে উঠোৱা আৰু সঠিকভাৱে বিতৰণত গুৰুত্ব আৰোপ কৰা হৈছে। আৱণ্টিত সামগ্ৰী খাদ্য নিগমৰ হেমাহি বা অন্য কাৰণত যাতে উঠাব নোৱাৰা অৱস্থাৰ সৃষ্টি নহয় তাত গুৰুত্ব দিয়া হৈছে। ৰাজহুৱা বিতৰণৰ সামগ্ৰীৰ ক্ষেত্ৰত উত্থাপিত যিকোনো ধৰণৰ অভিযোগ ক্ষীপ্ৰতাৰে তদন্ত কৰাৰ ব্যৱস্থা কৰা হৈছে।

শেহতীয়াকৈ সকলো জিলা মহকুমাক কার্য্যবাহী দণ্ডাধীশৰ লগত খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ বিষয়াক লৈ একোটা তদাৰকী গোট (Enforcement Squad) গঠন কৰি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনস্থ সকলো ব্যৱসায় প্ৰতিষ্ঠান পৰিদর্শন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ইতিমধ্যে ৰাজ্য চৰকাৰৰ বাৰম্বাৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই কেন্দ্ৰই অসমৰ বাবে আৱণ্টিত ৰাজহুৱা বিতৰণৰ চাউলৰ পৰিমাণ বর্ত্তমান এপ্ৰিল মাহৰ পৰা ২৮,২০০ মেট্ৰিক টনৰ পৰা বৃদ্ধি কৰি ৩৪,২৪৮ মেট্ৰিকটনলৈ বৃদ্ধি কৰিছে।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ মন্ত্ৰী মহোদয়ে এই বিবৃতি জৰিয়তে মূল্যবৃদ্ধি জাষ্টিফাই কৰিলে।

(সকলো মাননীয় সদস্যই ক'বলৈ উঠে, বিৰোধী দলৰ সকলো সদস্যই আসনৰ পৰা থিয় হৈ প্ৰতিবাদ কৰে)

(কাৰো কথা শুনা নাযায়)

শ্রীদ্রুপদ বৰগোহাঁই ঃ সর্বভাৰতীয় সংখ্যাৰ তুলনাত অসমত কম আছে, আমাৰ হাতত তথ্য আছে।

(মাননীয় সদস্য শ্রীৰঞ্জিত দত্তই আলু-পিয়াজৰ মালা সদনত দেখুৱায়, সকলো বিৰোধী পক্ষৰ মাননীয় সদস্য অধ্যক্ষৰ মেজলৈ উঠি আহে প্লেকার্ড দেখুৱায়, মূল্য বৃদ্ধি ৰোধ কৰক বুলি শ্লোগান দিয়ে, শাসক পক্ষৰ মাননীয় সদস্য সকলো অধ্যক্ষৰ মেজলৈ উঠি আহে আৰু গো বেক ধ্বনি দিয়ে। কাৰো কথা শুনা নাযায়)

(বিৰাট হুলস্থুল, বিৰোধী দলৰ সদস্য সকলে হাতত প্লে কার্ড লৈ অধ্যক্ষৰ আসনৰ সন্মুখত আহি ধ্বনি দিয়ে, মূল্যবৃদ্ধি ৰোধ কৰক, মূল্য বৃদ্ধি বন্ধ কৰক। মাননীয় সদস্য সকলে আলু-পিয়াজৰ মালা গাঠি আনি সদনত দিচপ্লে কৰে)

Mr. Speaker ঃ The House is adjourned for 10 minutes.

(The House then stood adjourned at 11-30 AM)

(১১-৪০ বজাত বিধান সভাৰ অধিবেশন পুনৰ আৰম্ভ হয়)

* **শ্রীজিতেন গগৈ ঃ** পইণ্ট অব্ অর্ডাৰ চাৰ, মূল্য বৃদ্ধিৰ ওপৰত সদনত বিৰোধী পক্ষই যিটো প্রতিবাদ কৰিছে ই বৰ গুৰুত্বপূর্ণ কথা। আমি সকলোৱে জানো যে মূল্য বৃদ্ধি হোৱাটো ভাল কথা নহয়। আপোনাৰ জৰিয়তে মই এটা কথা ক'ব বিচাৰিছো —

মাননীয় অধ্যক্ষ ঃ ১ মিনিট ক'ব পাৰিব।

---

* Speech not corrected

* **শ্রীজিতেন গগৈ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে যিবিলাক খাদ্য সামগ্রী অসমত উৎপাদিত হয় সেই বিলাকৰ দাম বাঢ়িলে কৃষক সকল উপকৃত হ'ব। অসম এখন কৃষিপ্রধান দেশ। কৃষিৰ ওপৰত গুৰুত্ব দিবৰ কাৰণে মাননীয় কৃষি মন্ত্রীক অনুৰোধ জনাইছো। আজি গোটেই বিশ্বতে খাদ্য সামগ্রীৰ নাটনি হৈছে। গোলকীকৰণৰ কাৰণে মূল্য বৃদ্ধি হৈছে। গতিকে মাননীয়া কৃষি মন্ত্রী মহোদয়া আৰু লগতে অসম চৰকাৰক কৃষিৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিবৰ কাৰণে অনুৰোধ জনাইছো। পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগলৈ বহুত পইচা আহিছে। ইয়াৰ ৮০ শতাংশ কৃষিৰ ওপৰত ব্যৱহাৰ কৰিবলৈ মই আপোনাৰ জৰিয়তে অসম চৰকাৰক অনুৰোধ জনাইছো।

শ্রীভৰত চন্দ্র নৰহ (মন্ত্রী, সংসদীয় পৰিক্রমা বিভাগ) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো। মূল্য বৃদ্ধিৰ ওপৰত ক'বৰ কাৰণে আমি আন্তৰিকতাৰে শূণ্যকালীন সময়ত তেখেত সকলক সুবিধা দিছিলো। ইয়াৰ ওপৰত মাননীয় মন্ত্রী ডাঙৰীয়াইও ভাল উত্তৰ দিছে। মূল্য বৃদ্ধি সকলোতে হৈছে। ওচৰৰে চীন দেশতো মূল্য বৃদ্ধি হৈছে। মাননীয় মন্ত্রী ডাঙৰীয়াই কি উত্তৰ দিব নুশুনাকৈয়ে তেখেতসকলে ধৰ্ণা দিবলৈ ধৰিছে। আলু পিয়াঁজৰ মালা ৰাতিয়েই বনাই ৰাখিছে। আলুৰ দাম অলপ কমিছে, পিয়াঁজৰ দাম কমা নাই। তেওঁলোকে এই কার্য্যৰ দ্বাৰাই চীপ পাব্লিচিটি বিচাৰিছে। মূল্য বৃদ্ধিৰ ওপৰতহে কৈছে, কিন্তু কমোৱাটোৰ ওপৰত

---

* Speech not corrected

কোৱা নাই। বিৰোধী পক্ষই বিধান সভাৰ বাৰান্দাত বা বাহিৰত ধৰ্ণা দিব পাৰে, কিন্তু বাৰান্দাই বাৰান্দাই দিব নালাগে।

মাননীয় অধ্যক্ষ ঃ কার্য্যসূচী নং ২। I. Package No.-AS-15-24 (Phase-V) under PMGSY in Bihpuria LAC is not in progress and time of completion is over due.

II. Package No.-AS-1506 under PMGSY in Bihpuria LAC, two(2) bridges No.7/1 & 9/1 are not constructed till to-day, whereas date of completion is over long time back. ..... এই সম্পর্কে বক্তব্য ৰাখিবলৈ মই মাননীয় সদস্য শ্রীভূপেন কুমাৰ বৰা দেৱক অনুৰোধ জনালো।

* **শ্রীভূপেন কুমাৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ অধীনত এই বিষয়টো উত্থাপন কৰিবলৈ সময় দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আজিৰ পৰা ৪ বছৰ ১ মাহৰ আগতে মোৰ বিহপুৰীয়া সমষ্টিত নাৰায়ণপুৰৰ পৰা তাঁতিবাহাৰ হৈ ৰঙ্গুতিলৈকে ৫/২/০৪ তাৰিখে ৰাস্তাটো নির্মাণ কৰিবলৈ এজন বিশেষ ঠিকাদাৰক দিয়া হৈছিল, ৩১/১২/০৭ তাৰিখে কাম সম্পূর্ণ হ'ব লাগিছিল। ইয়াত দুখন দলঙো আছে। কিন্তু আজি পর্য্যন্ত সম্পূর্ণ নহ'ল। দুখন দলঙ এখনত মানুহে কাঠ পাৰি চলাচল কৰি আছে। আনখন দলঙৰ তলৰ লোহাবিলাক খুলি থৈছে। এনেকৈয়ে পৰি আছে। এতিয়া বাৰিষা আহিছে, তেতিয়া কি অৱস্থা হ'ব

* Speech not corrected

সেইটো ভাবিব নোৱাৰি। এতিয়া লোহাৰ দামো বাঢ়িছে। সেইখন কেনেকৈ বনাব? সেইদৰে ধলপুৰৰ পৰা বনপুৰলৈ সংযোগী গড়কাপ্তানি পথটোৰ কাৰণে ২৬/৭/২০০৬ তাৰিখে ৱর্ক এলোটমেণ্ট দিয়া হৈছিল। এই সংক্রান্তত বিভাগীয়ভাৱে চৰকাৰলৈ প্রশ্ন কেইটামানৰ উত্তৰ আনিছিলো। এই পথটোৰ ৫.৬৫ কিঃমিঃৰ ভিতৰত ৪ কিঃমিঃহে সম্পূর্ণ হৈছে। পি,এম,জি,আৰ,ৱাইৰ অধীনৰ কামটো সম্পূর্ণ কৰাৰ নির্দ্ধাৰিত সময় সীমা ডেৰ বছৰ। মই বিভিন্ন সময়ত টেলিফোনেৰে এচ,ই আৰু কার্য্যকৰী অভিযন্তাৰ লগত কথা পাতিছো ঠিকাদাৰক সোনকালে কাম শেষ কৰিবলৈ ক'বৰ বাবে। তেওঁলোকে জনাইছে যে ঠিকাদাৰে আমাক ভাবুকিহে দিয়ে। মই প্রথমবাৰ বিধায়ক হৈ আহোতে চিঠি লিখিও অনুৰোধ কৰিছিলো। ঠিকাদাৰজনক সলনি কৰি নতুন ঠিকাদাৰ দিবৰ কাৰণে কৈছিলো। মুখ্য অভিযন্তাইও সলনি কৰি দিম বুলি মোক কৈছিল। তাৰ পিছত এচ,ইয়ে ক'লে যে এম,পি ডাঙৰীয়াই অলপ সময় দিবৰ কাৰণে কৈছে। কাৰণ এতিয়া সলনি কৰি দিলে তেওঁ ক'ৰ্টলৈ যাব পাৰে তেতিয়া আৰু দুবছৰ লাগিব। কামখিনিৰ কাৰণে দুবাৰকৈ সময়-সীমা বঢ়াই দিয়া স্বত্বেও এশ টকাৰো কাম হোৱা নাই।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া লোহাৰ দাম বাঢ়িছে গতিকে এতিয়ালৈকে ৫০ শতাংশ কামে আগবঢ়া নাই। কিন্তু ৭৭ লাখ ৫৪ হাজাৰ টকা ঠিকাদাৰজনে ইতিমধ্যে উলিয়াই নিলে। যিখিনি কাম হৈছে সেইখিনিও অতি নিম্ন মানৰ কাম হৈছে। ৰাস্তাত শিলগুটি ওলাই আছে ফলত স্কুলীয়া ল'ৰা-ছোৱালীকে ধৰি পথচাৰীৰ এটা ত্রাসৰ সৃষ্টি হয়। ৰাইজে এই ক্ষেত্রত মোক

ধৰে। গতিকে মাননীয় অধ্যক্ষ মহোদয়, যিহেতুকে বিভাগীয় মন্ত্রী উপস্থিত নাই, গতিকে মই সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্রী মহোদয়ৰ পৰা উত্তৰ বিচাৰিছো। ঠিকাদাৰসকলে অফিচাৰসকলক হুমকি দিয়ে, লক্ষীমপুৰ জিলাত বন্দুক উলিয়াইছিল। লোৰ মূল্য বাঢ়িছে এইদৰে অন্যান্য বস্তুৰ দামো বাঢ়িব। গতিকে ৰাৰিষাৰ আগতে যাতে কাম হয় তাৰ কাৰণে ডি,চি আৰু চি,ই-ক মেমোৰেনডাম দিব লাগে। ৰাইজৰ হৈ মই মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো। এই বিস্তীর্ণ ঘন বসতিপূর্ণ অঞ্চলটোৰ ৰাস্তাটো যাতে হৈ উঠে। মাননীয় অধ্যক্ষ মহোদয়, ধলপুৰ-জামুগুৰি সংযোগী পথ পকীকৰণৰ যিখিনি আধৰুৰা কাম আছে তাৰ কাৰণে ব্যৱস্থা গ্রহণ কৰিবলৈ মই মন্ত্রী মহোদয়ক অনুৰোধ জনালো।

শ্রীভৰত চন্দ্র নৰহ (সংসদীয় পৰিক্ৰমা মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত যিটো প্রশ্ন মাননীয় সদস্য ভূপেন বৰা ডাঙৰীয়াই আনিছে তাৰ প্রতি দৃষ্টি আকর্ষণ হৈছে। মাননীয় অধ্যক্ষ মহোদয়, এই দুটা ৰাস্তাৰ ঠিকাদাৰ সকলৰ কাৰণে নটিচ ইচ্যু কৰা হৈছে। চৰকাৰৰ ফালৰ পৰা এক্চন লোৱা হ'ব। এই ৰাস্তা দুটা আৰু দলং ২০০৮, ২০০৯ৰ ভিতৰত সম্পূর্ণ কৰাৰ কাৰণে ব্যৱস্থা লোৱা হ'ব।

*** শ্রীভূপেন কুমাৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আকৌ একট্রেচন ল'ব পইচা যে লৈ গ'ল।

মাননীয় অধ্যক্ষ ঃ বিহিত ব্যৱস্থা লোৱা হ'ব।

---

* Speech not corrected

MATTER UNDER RULE – 301

মাননীয় অধ্যক্ষ ঃ বিহিত ব্যৱস্থা লোৱা হ'ব। এতিয়া কার্য্যসূচী নং-৩। শ্রীঘন বুঢ়াগোহাঁই।

*** শ্রীঘন বুঢ়াগোহাঁই ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ২০০৮ চনৰ ২৭ মার্চ তাৰিখৰ— 'আমাৰ অসম' কাকতত প্রকাশিত "দিশপুৰত আন্দোলন কৰিব লখিমপুৰীয়া ৰাইজে - মৃত্যু যন্ত্রণাত চট্‌ফটাইছে লখিমপুৰৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ে" মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে অসম চৰকাৰৰ বিভাগীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো যে এই পশু চিকিৎসা মহাবিদ্যালয়খন ১৯৮৮ চনত অস্থায়ীভাৱে স্থাপন কৰা হৈছিল। কিন্তু আজি ২০ বছৰ পিছত এই চিকিৎসালয়খন মৃত্যুমুখী হৈ গৈছে। সেই সময়ত তাত বিভিন্ন পোষ্টত মানুহ সংস্থাপিত কৰা হৈছিল আৰু ধনো আৱণ্টন দিয়া হৈছিল।

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষক, ডীন, গ্রেড ফোৰ, লেব'ৰেটৰী টেক্‌নিচিয়ান আদিৰ ব্যৱস্থা কৰা হৈছিল। দিল্লীৰ এটা দলে এই পশু চিকিৎসা মহাবিদ্যালয়খন পৰিদর্শন কৰিছিল। তেওঁলোকে কিছুমান বস্তু পোৱা নাছিল। কিছুমান বিভাগত শিক্ষক নাছিল, অফিচিয়েল ষ্টাফ নাছিল, শ্রেণীকোঠা নাছিল। এইখিনি

* Speech not corrected

পূৰণ কৰিলে ভেটেৰিন্যাৰী কলেজখন হ'ব। কিন্তু চৰকাৰৰ গাফিলতিৰ কাৰণে চৰকাৰীকৰণ নহ'ল। দিল্লীৰ এটা দলে এই ভেটেৰিন্যাৰী কলেজখন পুনৰুজীৱিত কৰাৰ কাৰণে নির্দেশ দিছিল। কিন্তু সেইমতে অসম চৰকাৰে কোনো ব্যৱস্থা নল'লে। আমি দেখিবলৈ পাইছো যে বিভিন্ন ৰাজহুৱা প্ৰতিষ্ঠান কাৰিকৰী দিশত আগবঢ়াই নিছে। তিনিখন মেডিকেল কলেজ থকা স্বত্বেও আৰু তিনিখন, ইঞ্জিনিয়াৰিং কলেজ থকা স্বত্বেও, এগ্ৰিকালচাৰেল কলেজ থকা স্বত্বেও আৰু কৰিবলৈ লৈছে। তেনে অৱস্থাত লক্ষীমপুৰ পশু চিকিৎসা মহাবিদ্যালয়খন পুনৰুজীৱিত কিয় কৰিব নোৱাৰে? এইটো হৈছে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত থকা উচ্চ-শিক্ষাৰ প্ৰাণ কেন্দ্ৰ। যদি এই অনুষ্ঠানটোৰ মৃত্যু হয়, তেতিয়াহ'লে ল'ৰা-ছোৱালীয়ে উচ্চ শিক্ষা কেনেকৈ ল'ব? গতিকে ইয়াৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয়া মন্ত্ৰীয়ে উত্তৰ দিব।

*** শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বুঢ়াগোহাঁই ডাঙৰীয়াই 'আমাৰ অসম' কাকতত প্ৰকাশিত "দিশপুৰত আন্দোলন কৰিব লক্ষীমপুৰীয়ায় ৰাইজে - মৃত্যু যন্ত্ৰণাত চট্‌ফটাইছে লখিমপুৰৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ে" এই শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছে। এই বিষয়ে চৰকাৰ অৱগত। এই বিষয়ৰ ওপৰত মই মাননীয় সদস্য গৰাকীক বিতংভাৱে অৱগত কৰিব খুজিছো।

---

* Speech not corrected

১) লক্ষীমপুৰ জিলাৰ আজাদ নামৰ ঠাইত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় এখন যোৱা ১৯৮৭ চনত আৰম্ভ কৰি ইয়াৰ শিক্ষাৰ বাবে ১৯৮৮ চনত নামভর্তিকৰণ আৰম্ভ কৰা হয়।

২) প্রতিবছৰে ২০ জনকৈ ছাত্রক নামভর্তিকৰণ কৰা হৈছিল।

৩) ১৯৮৮ চনত ভাৰতীয় কৃষি গৱেষণা সস্থাই (ICAR) এই মহাবিদ্যালয়খন স্থাপন কৰাৰ বাবে অনুমোদন দিয়ে যদিও দৰাচলতে কোনো আর্থিক অনুদান দিয়া নাছিল বা সপ্তম পঞ্চবার্ষিক পৰিকল্পনাৰ শিতানত কোনো টকা ধার্য্য কৰা হোৱা নাছিল।

৪) ২০০৪-০৫ চনলৈ মুঠ ৩২০ জন (16 batch)ৰ নামভর্তি কৰে যদিও তাৰে প্রথম ৮৬ জন ছাত্র উক্ত পশুবিজ্ঞান মহাবিদ্যালয়ৰ পৰা উত্তীর্ণ হৈ ওলাই আহে আৰু বাকীখিনি ছাত্র খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়লৈ স্থানান্তৰ কৰে, কিয়নো Veterinary Council of India ই(VCI) লক্ষীমপুৰ পশুচিকিৎসা মহাবিদ্যালয়খনৰ আন্তঃগাঠনি (Infrastructure) আৰু নিম্নতম মানদণ্ড (Minimum Standard) পর্য্যাপ্ত ভাবে নাই বুলি অনুমোদন বন্ধ কৰি দিয়ে।

৫) ১৯৯৪-৯৫ চনত Veterinary Council of India (VCI)ৰ এটি দলে উক্ত মহাবিদ্যালয়খন পৰিদর্শন কৰি তাৰ আন্তঃগাঠনি পর্য্যাপ্ত নহয় বুলি মন্তব্য কৰে আৰু অসম কৃষি বিশ্ববিদ্যালয়ক তাৰ আশু সমাধানৰ বাবে পৰামর্শ দিয়ে। ইয়াৰ ফলত ১৯৯৬-৯৭ চনত যোৰহাট কৃষি বিশ্ববিদ্যালয় আৰু অসম চৰকাৰে মহাবিদ্যালয়খনত ছাত্রৰ নামভর্তি সাময়িকভাৱে স্থগিত ৰাখে।

৬) যোৰহাট কৃষি বিশ্ববিদ্যালয় আৰু ৰাজ্যিক চৰকাৰৰ অনুৰোধত ২০০৪ চনত পুনৰ Veterinary Council of India-ই পুনৰ সেই মহাবিদ্যালয়খন পৰিদৰ্শন কৰি তাৰ Academic departmentৰ V.C.I.ৰ Guideline মতে উন্নত কৰাৰ বাবে পুনৰ উপদেশ দিয়ে আৰু লগতে লক্ষীমপুৰ জিলাৰ আজাদৰ পৰা জয় সিং নামৰ ঠাইডোখৰলৈ মহাবিদ্যালয়খন স্থানান্তৰ কৰাৰ হকে নির্দেশনা দিয়ে। কিয়নো, আজাদত গৱেষণাগাৰৰ সুবিধা আৰু ঠাই পর্য্যাপ্ত পৰিমাণে নাছিল। পুনৰ VCI ৰ দ্বাৰা প্রেৰিত দলে কৃষি বিশ্ববিদ্যালয়ক আজাদত পুনৰ ছাত্রৰ নামভর্তিকৰণ স্থগিত কৰাৰ বাবে পৰামর্শ দিয়ে।

৭) কৃষি বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা বহুবাৰ V.C.I-ক গোটেই বিষয়টো পুনৰ বিবেচনা কৰাৰ বাবে অনুৰোধ জনাই যদিও V.C.I-য়ে মহাবিদ্যালয়খনৰ তেওঁলোকে দিয়া পৰামর্শ মতে নিম্নতম মানদণ্ড উন্নত নকৰা পর্য্যন্ত বিশ্ববিদ্যালয়ৰ অনুৰোধ নাকচ কৰে।

৮) ৰাজ্য চৰকাৰেও উক্ত মহাবিদ্যালয়খনলৈ পর্য্যাপ্ত পৰিমাণৰ আর্থিক সাহায্য আগবঢ়াব পৰা নাই আৰু শেষলৈ North-Eastern Council (NEC)ৰ যোগেদি মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে আর্থ-সাহার্য্য আগবঢ়াবলৈ অনুৰোধ কৰে। NECৰ পৰামর্শমতে ইয়াৰ বাবে এটি বিশদ (detail) আঁচনি পৰিকল্পনা (Detail project report) তৈয়াৰ কৰি NECক দিয়া হয়। শেষত, NECয়ে মাত্র আন্তঃগাঠনিৰ ক্ষেত্রত কিছু আর্থিক সাহার্য্য দিয়াৰ কথা কৈ বাকী সকলো খৰচৰ দায়িত্ব চৰকাৰে ল'ব লাগিব বুলি জনাই দিয়ে।

৯) দেখা যায় যে লক্ষীমপুৰ পশু চিকিৎসা মহাবিদ্যালয়খনৰ আন্তঃগাঠনিৰ (Infrastructure) লগতে নিম্নতম মানদণ্ড উন্নত কৰিব গ'লে অতি কমেও ৩৮,৭৭,১২০০০ (আঠত্রিশ কোটি সাতত্তৰ লাখ বাৰ হাজাৰ টকা) টকাৰ প্রয়োজন আছে। যাৰ বাবে কেন্দ্রীয় চৰকাৰৰ সাহার্য্য নাপালে ৰাজ্য চৰকাৰৰ বাবে কঠিন হয়। এইখিনি ধন আমাৰ চৰকাৰখনে NLCPRৰ যোগেদি পাবৰ কাৰণে আমি ব্যৱস্থা ল'বলৈ সিদ্ধান্ত লৈছো।

১০) বর্তমান লক্ষীমপুৰ পশু চিকিৎসা মহাবিদ্যালয়খনৰ তলত উল্লেখ কৰা কর্মচাৰীখিনিৰ বাবে কৃষি বিশ্ববিদ্যালয়ে অসম চৰকাৰৰ আর্থিক সাহার্য্যৰ জৰিয়তে বছৰি প্রায় ১,৯,৫২,৫০৮.০০ টকা (এক কোটি ন লাখ বাৱন্ন হাজাৰ পাঁচশ আঠ টকা) খৰচ কৰি আছে।

ক)	Dean	— এজন (১)
খ)	এচ'চিয়েট প্রফেচৰ	— চাৰিজন (৪)
গ)	তৃতীয় শ্রেণীৰ কর্মচাৰী	— সোতৰ জন (১৭)
ঘ)	চতুর্থ শ্রেণীৰ কর্মচাৰী	— সাতষষ্ঠি জন (৬৭)
ঙ)	মাষ্টাৰ ৰোল কর্মচাৰী	— বিশ জন (২০)
চ)	হ'ম গার্ড	— তিনি জন (৩)
		মুঠ — এশ বাৰ জন (১১২) জন

১১) গোটেই বিষয়টোৰ ওপৰত কেন্দ্রীয় চৰকাৰৰ লগত যোগাযোগ বর্তমানলৈকে চলি আছে। আমাৰ চৰকাৰে প্রজেক্ট ৰিপোর্ট পঠাইছিল। এন,ই,চি,ৰ পৰা যিখিনি ধন পাব লাগে, সেইখিনি পোৱাৰ বাবে পঠোৱা হৈছিল। কিন্তু এন,ই,চি,য়ে নাকচ কৰিছে।

লিখা হৈছিল— ....Sir, this has a reference to your letter No.PD/NEC/148/2002/189 dtd. 21.3.2006 regarding DPR in respect of Lakhimpur College of Veterinary Science for extending financial support by NEC. I am directed to state that although the project was included in the NEC's Annual Plan 2007-08 but it did not receive the approval of the Govt. of India since it does not appear to be a scheme of regional nature and suggested for consultation and examination with the Department of Animal Husbandry and Dairying, Ministry of Agriculture and Co-operation, Govt. of India. The State Govt. may therefore, take up the matter with the Govt. of India and put this in the State's priority list of schemes for implementation under NLCPR.

This refers to our letter of even number dtd. 6th August, 2007 regarding inclusion of Lakhimpur College of Veterinary Science in the Priority list of State Government's projects to be implemented under NLCPR. You may therefore initiate process and pursue with the concerned department of the Government of India for necessary funding for implementation of this project.

মাননীয় অধ্যক্ষ মহোদয়, আকৌ ইয়াৰ ওপৰত ভিত্তি কৰি ২০০৮ চনৰ ফেব্রুৱাৰী মাহত এজেকজন অফিচাৰ ডাইৰেক্টৰ ইনচার্জ, এইচ আৰ ডি, ডঃ ডি খাউণ্ড, এন-ই-চি তেখেতলৈ চিঠি লিখিছিল। আকৌ যোৱা ১১ মার্চ তাৰিখে পুনৰ জে চি ফুকনে আমাৰ বিভাগৰ এই চিঠিখন ফৰৱার্ড কৰি দিয়ে।

Since the strengthening of Lakhimpur College of Veterinary Science is a State Specific project and not of regional natures, it was suggested that Assam Govt. may consult the matter with the Department of Animal Husbandry and Dairying, Ministry of Agriculture and Co-operation Govt. of India as well as for inclusion of the scheme in the State's Priority List of schemes for implementation under NLCPR.

You are once again requested to apprise NEC about the action taken in this regard urgently.

২য় চিঠিখন দিছিল—

11th March, 08..... Regarding action taken report..... regarding Lakhimpur Veterinary Science College...Ref. d.o. No. 842 dated 23 October, 07....

In inviting a reference to the above, I am directed to enclose herewith a letter dtd. 12.2.08 regarding submitting of action taken report on upgradation/revamping of Lakhimpur College of Veterinary Science. This matter was already intimated

vide our letter No.PD/NEC/148/2002/Pt/168 dtd. 16.11.07. You are therefore requested kindly to intimate the P & D Deptt. regarding action taken report on the matter for onward submission to NEC at an early date.

এতিয়া ডি পি আৰ বঢ়াই এতিয়া ব্যৱস্থা লৈ আছে। লখিমপুৰ জিলাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ পুনৰ্ নির্মাণ কৰিবৰ কাৰণে জনাইছে। এই বিষয়টো মোৰ অৱগত। এই কলেজখন ফাংছন কৰিবৰ কাৰণে আমি প্ৰচেষ্টা লৈছো।

*** শ্ৰীভূপেন কুমাৰ বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে তিনিখন নতুন মেডিকেল কলেজ কৰিছে, গুৱাহাটী বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ক কেবাকোটি টকা দিয়া হৈছে। এন এল চি আৰ কলেজখনক টপ প্ৰায়ৰিটি দিব লাগে।

*** শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম (মন্ত্ৰী)** ঃ এন ই চিৰ তৰফৰ পৰা অনুদান পালে আৰু পি এণ্ড ডিয়ে বিশেষ ব্যৱস্থা ল'লে আমি প্ৰায়ৰিটি দি পঠাব পাৰিম।

*** শ্ৰীৰাণা গোস্বামী** ঃ কলেজখনৰ বন্ধ সম্পৰ্কত কৃষি বিশ্ববিদ্যালয়ে এখন কমিটি গঠন কৰিছিল। কমিটিয়ে ৰিপোৰ্ট কল কৰিছে। নিকলানীয়ে এই কলেজখন বন্ধ হ'ব লাগে বুলি ৰিপোৰ্ট দিছিল। কলেজখন মই নিজেও পৰিদৰ্শন কালত তন্ন তন্নকৈ চাইছো। কলেজখনৰ যিখিনি আন্তঃগাঠনি আছে সেইখিনি নাইকিয়া হ'লে অকল লখিমপুৰৰে নহয় সমগ্ৰ অসমৰে লোকচান হ'ব।

---

* Speech not corrected

CONSIDERATION AND PASSING OF GOVERNMENT BILL

অসম অ-কৃষি নগৰ অঞ্চল ৰায়তিস্বত্ব (সংশোধনী) বিধেয়ক ২০০৮ —

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৪ (ক) মাননীয় ৰাজহ বিভাগৰ মন্ত্রীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিব।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্রী, ৰাজহ ইত্যাদি) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্রস্তাৱ কৰো যে 'অসম অ-কৃষি নগৰ অঞ্চল ৰায়তিস্বত্ব (সংশোধনী) বিধেয়ক, ২০০৮ খন বিবেচনাৰ বাবে লোৱা হওঁক।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো সদনৰ মজিয়াত দাঙি ধৰিলো। প্রস্তাৱটো হ'ল-"অসম অ-কৃষি নগৰ অঞ্চল ৰায়তিস্বত্ব (সংশোধনী) বিধেয়ক, ২০০৮" বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল মাননীয় সদস্য-সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওক "হয়";

আৰু যি সকল বিপক্ষে আছে তেখেতসকলে কওক "নহয়";

মই ভাবো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে। প্রস্তাৱটো গৃহীত হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৪ (খ)। বিধেয়কখনৰ ২ নং দফাত কোনো সংশোধনী প্রস্তাৱ নাই। এতিয়া মই বিধেয়কখনৰ ২ নং দফাটো সদনৰ মজিয়াত দাঙি ধৰিলো।

যি সকল মাননীয় সদস্য/সদস্যাই দফাটোৰ সপক্ষে আছে তেখেত সকলে কওক "হয়" ;

আৰু যি সকল বিপক্ষে আছে তেখেতসকলে কওক "নহয়"।

মই ভাবো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।

২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ১ নং দফা, প্ৰস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণিত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই।

এতিয়া মই বিধেয়কখনৰ ১ নং দফা, প্ৰস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ মজিয়াত দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল— ১ নং দফা, প্ৰস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য/সদস্যাই সপক্ষে আছে তেখেত সকলে কওক "হয়" ;

আৰু যি সকল বিপক্ষে আছে তেখেতসকলে কওক "নহয়"।

মই ভাবো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।

১ নং দফা, প্ৰস্তাৱনা, সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ গৃহীত হ'ল।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৪ (গ)। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰীয়ে বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী, ৰাজহ ইত্যাদি) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ

কৰো যে "অসম অ-কৃষি নগৰ অঞ্চল ৰায়তিস্বত্ব (সংশোধনী) বিধেয়ক, ২০০৮" খন পাৰিতকৰণ কৰা হওঁক।

মাননীয় অধ্যক্ষ ঃ এতিয়া মই প্রস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্রশ্নটো হ'ল— "অসম অ-কৃষি নগৰ অঞ্চল ৰায়তিস্বত্ব (সংশোধনী) বিধেয়ক, ২০০৮"খন পাৰিত কৰা হওঁক।

যি সকল মাননীয় সদস্য/সদস্যাই প্রস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওক "হয়" ;

আৰু যি সকল বিপক্ষে আছে তেখেতসকলে কওক "নহয়" ;

মই ভাবো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।

প্রস্তাৱটো পাৰিত কৰা হ'ল।

বিধেয়কখনো পাৰিত কৰা হ'ল।

* * * * *

PRESENTATION OF REPORT

Mr. Speaker : Now item No.5, Hon'ble Dy. Speaker to lay the 41st Report of the Committee of Privileges, Assam Legislative Assembly.

Madam Dy. Speaker : Sir, I beg to lay the 41st Report of the Committee of Privilege, Assam Legislative Assembly.

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৬। শ্রী মেম্বৰ গগৈ, সভাপতি, ৰাজহুৱা উদ্যোগসমূহৰ সমিতিয়ে অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ ৩৬-তম প্রতিবেদন উপস্থাপন কৰিব।

শ্রীমেম্বৰ গগৈ (সভাপতি, ৰাজহুৱা উদ্যোগসমূহৰ সমিতি) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা উদ্যোহসমূহৰ সমিতিৰ ৩৬-তম প্রতিবেদনখন উপস্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৭। শ্রীমেম্বৰ গগৈ, সভাপতি, ৰাজহুৱা উদ্যোগসমূহৰ সমিতিয়ে অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ ৩৭-তম প্রতিবেদনখন উপস্থাপন কৰিব।

শ্রীমেম্বৰ গগৈ (সভাপতি, ৰাজহুৱা উদ্যোগসমূহৰ সমিতি) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা উদ্যোহসমূহৰ সমিতিৰ ৩৭ নং প্রতিবেদনখন উপস্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৮। শ্রীমেস্বৰ গগৈ, সভাপতি, ৰাজহুৱা উদ্যোগসমূহৰ সমিতিয়ে অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ ৩৮-তম প্রতিবেদনখন উপস্থাপন কৰিব।

শ্রীমেস্বৰ গগৈ (সভাপতি, ৰাজহুৱা উদ্যোগসমূহৰ সমিতি) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা উদ্যোহসমূহৰ সমিতিৰ ৩৮-তম প্রতিবেদনখন উপস্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ৯। শ্রী আব্দুল হাই নাগৰি, সভাপতি, নিয়োগ পর্য্যালোচনা সমিতি, অসম বিধান সভাই অসম বিধান সভাৰ নিয়োগ পর্য্যালোচনা সমিতিৰ ৩৮-তম প্রতিবেদন উপস্থাপন কৰিব।

শ্রীআব্দুল হাই নাগৰি (সভাপতি, নিয়োগ পর্য্যালোচনা সমিতি) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ নিয়োগ পর্য্যালোচনা সমিতিৰ ৩৮-তম প্রতিবেদনখন উপস্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ১০। শ্রীৰাজীৱ লোচন পেগু, (সভাপতি, আবেদন সমূহৰ সমিতি)য়ে অসম বিধান সভাৰ আবেদন সমূহৰ সমিতিৰ ৪১তম প্রতিবেদনখন উপস্থাপন কৰিব।

শ্রীৰাজীৱ লোচন পেগু ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ আবেদন সমূহৰ সমিতিৰ ৪১তম প্রতিবেদনখন উপস্থাপন কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ১১। শ্রীপ্রদ্যুত বৰদলৈ (মন্ত্রী, শক্তি ইত্যাদি)য়ে ২০০৬-২০০৭ চনৰ বছৰটোৰ বাবে অসম বিদ্যুৎ নিয়ন্ত্রণকাৰী আয়োগৰ বার্ষিক প্রতিবেদন দাখিল কৰিব।

শ্রীপ্রদ্যুত বৰদলৈ (মন্ত্রী, শক্তি ইত্যাদি) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ২০০৬-০৭ চনৰ বছৰটোৰ বাবে অসম বিদ্যুৎ নিয়ন্ত্রণকাৰী আয়োগৰ বার্ষিক প্রতিবেদন দাখিল কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ১২। শ্রীপ্রদ্যুত বৰদলৈ (মন্ত্রী, উদ্যোগ ও বাণিজ্য ইত্যাদি)য়ে ২০০৬-২০০৭ চনৰ বছৰটোৰ বাবে অসম পেট্রোকেমিকেল্চ লিমিটেডৰ বার্ষিক প্রতিবেদন দাখিল কৰিব।

শ্রীপ্রদ্যুত বৰদলৈ (মন্ত্রী, উদ্যোগ ও বাণিজ্য ইত্যাদি) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ২০০৬-২০০৭ চনৰ বছৰটোৰ বাবে অসম পেট্রোকেমিকেল্চ লিমিটেডৰ প্রতিবেদন দাখিল কৰিলো।

মাননীয় অধ্যক্ষ ঃ এতিয়া কার্য্যসূচী নং ১৩। Hon'ble Chief Minister to lay the Report. of Justice (Retd.) Rajkumar Manisana Singh Commission of Inquiry.

Shri Bharat Chandra Narah (Minister) : Sir, I, on behalf of the Hon'ble Chief Minister, beg to lay the Report of Justice (Retd.) Raj Kumar Manisana Singh Commission of Inquiry into the incidents on the Basistha Road, Guwahati on 24-11-2007 during the procession taken out by the AASAA along with its Action Taken Report of the Government of Assam, Department of Home and Political.

* * * * *

OBSERVATION BY THE SPEAKER

মাননীয় অধ্যক্ষ ঃ .....All India Conference of Presiding Officers, Chief Ministers, Ministers of Parliamentary Affairs, Leaders and Whips of Parties, New Delhi, 25 November, 2001ত যিটো সিদ্ধান্ত লৈছে সেই মতে এই কিতাপখন ছপা কৰি উলিয়াইছে (সদনত ইয়াৰ কপি বিতৰণ কৰা হ'ল), সেইখনৰ কেইটামান চেক্‌চন পঢ়ি দিছো।

.....Part-I – Preliminary–1. This Code may be called the code of Conduct for Members of Parliament and Legislatures of States and Union Territories.... Part-II-Code of Conduct for Members inside the House. General Rules – Rule-4 (vii) – A member whilst the House is sitting, shall not shout slogans in the House.....4 (xii) – display flags, emblems or any exhibits in the House.....4(xiv) – sit on Satyagrah or Dharna inside the House or anywhere within the precincts of Parliament of Legislatures of State and Union Territories.

শ্রীদ্রুপদ বৰগোহাঁই ঃ মাননীয় অধ্যক্ষ মহোদয়, এইবোৰ থাকিলেও সংসদৰ ভিতৰত ধৰ্ণা দি থাকে।

মাননীয় অধ্যক্ষ ঃ সকলোকে সংযত হ'বলৈ অনুৰোধ কৰিছো। অহা ৩/৪/০৮ তাৰিখলৈকে সদন স্থগিত ৰখা হ'ল।

ADJOURNMENT

The House then stood adjourned at 12-27 PM till 9-00 AM on Thursday, the 3rd April, 2008.

G. P. Das,
Secretary,
Assam Legislative Assembly

Dispur :
The 2nd April, 2008.

ANNEXURE – I

উন্নয়ন খণ্ডৰ নামসহ আঁচনিৰ তালিকা

জিলাৰ নাম	উন্নয়ন খণ্ডৰ নাম	আঁচনিৰ নাম
কামৰূপ	১। ডিমৰীয়া, চন্দ্রপুৰ	কামৰূপ-১
	২। কমলপুৰ	কামৰূপ-২ (পুঠিমাৰী IWDP)
	৩। বেজেৰা	কামৰূপ-৩ (বৰনদী IWDP)
	৪। ৰাণী, ছয়ালী, বৰদুৱাৰ, ৰামপুৰ, ছয়গাওঁ, বনগাওঁ, ছমৰীয়া, গৰৈমাৰী	কামৰূপ-৪ (বকো-কুলচী-কালমনি)
	৫। হাজো	কামৰূপ-৫ (হাজো, গঙ্গা হাৰিয়ালী)
	৬। শুৱালকুছি	কামৰূপ-৬ (শুৱালকুছি)
	৭। ৰঙিয়া	কামৰূপ-৭ (ৰঙিয়া)
	৮। গোৰেশ্বৰ	কামৰূপ-৮ (গোৰেশ্বৰ)
	৯। বিহদিয়া-জাজিকোনা	কামৰূপ-৯ (বিহদিয়া)
	১০। বনগাওঁ	কামৰূপ-১০ (বনগাওঁ, হাৰিয়ালী)
শোণিতপুৰ	১। গাভৰু	মৰাভৰলী IWDP-১
	২। পূৰ ছয়দুৱাৰ	সোলাঙ্গী IWDP-২
	৩। ছয়দুৱাৰ	চত্রং হাৰিয়ালী-৩

জিলাৰ নাম	উন্নয়ন খণ্ডৰ নাম	আঁচনিৰ নাম
শোণিতপুৰ	৪। পূৰ ছয়দুৱাৰ	চেচা হাৰিয়ালী-৪
	৫। বৰচলা	বৰচলা হাৰিয়ালী-৫
	৬। ঢেকীয়াজুলি	ঢেকীয়াজুলি হাৰিয়ালী-৬
	৭। ৰঙাপাৰা	ৰাঙাপাৰা হাৰিয়ালী-৭
	৮। সাকোমঠা	সাকোমঠা হাৰিয়ালী-৮
বঙাইগাওঁ	১। বৰোবজাৰ	শিলবড়ীজান IWDP
	২। বৈটামাৰী	টুলীয়া Wasteland Hariyali
	৩। মানিকপুৰ	মানস বেংক IWDP
	৪। চিদলি চিৰাং	চিলগাথনি IWDP
	৫। বৈটামাৰী	টাকলাপাৰা Wasteland Hariyali
	৬। কালাহবাৰী, সৃজনগ্রাম	জৰামানস
গোৱালপাৰা	১। মাটিয়া	মাটিয়া IWDP
	২। ৰংজুলি	ৰংজুলি - দেওশিলা হাৰিয়ালী
	৩। বালিকানা	আগিয়া-বলবলা
	৪। খৰমূজা	খৰমূজা - হাৰিয়ালী
	৫। কোষবৈজা	কৃষ্ণাই - দুধনৈ-ফুলনৈ হাৰিয়ালী
	৬। কৃষ্ণাই	কৃষ্ণাই গঙ্গাঘাট হাৰিয়ালী
	৮। জলেশ্বৰ	জলেশ্বৰ ৰঙামিল
		টাকিমাৰী হাৰিয়ালী

জিলাৰ নাম	উন্নয়ন খণ্ডৰ নাম	আঁচনিৰ নাম
দৰং	১। ছিপাঝাৰ	নৰ্নৈ IWDP
	২। পশ্চিম মঙ্গলদৈ	শাকতোলা Hariali
	৩। ভেৰগাওঁ	লটাছটি-কালাফুটি
	৪। ওদালগুৰি	গোলান্দি হাৰিয়ালী
	৫। মাজবাট	পশ্চিম ভূটীয়ামাৰী
তিনিচুকীয়া	১। মার্ঘেৰিটা	বুঢ়ীদিহিং হাৰিয়ালী
	২। শদিয়া	কুন্দিল হাৰিয়ালী
	৩। ছৈখোৱা	কোকগংগা কাঁইটিয়া IWDP
শিৱসাগৰ	১। গৌৰীসাগৰ	জেৰেঙা পথাৰ IWDP-১
	২। সাপেখাতী	সাপেখাতী-২
	৩। নাজিৰা	নাজিৰা-৩
	৪। লাকুৱা	লাকুৱা-৪
	৫। গৌৰীসাগৰ	গৌৰীসাগৰ-৫
	৬। সোণাৰী	সোণাৰী-৬
	৭। শিৱসাগৰ	শিৱসাগৰ-৭
	৮। ডিমৌ	ডিমৌ-৮
কার্বি আংলং	১। ৰংমং ইউ	কার্বি আংলং Wasteland Project-1
	২। নিলীপ	কালিয়লি IWDP-2

জিলাৰ নাম	উন্নয়ন খণ্ডৰ নাম	আঁচনিৰ নাম
কাৰ্বি আংলং	৩। টিংখং	লাংলিংচো - 3
	৪। ৰংমং উই	ডিফু IWDP-1
	৫। ৰংখং	জেৰাহুৰি - 5
	৬। আমনিং	চিলনি Hariyali Project-6
	৭। আমলি	আমচৈ Hariyali Project-7
ৰৰপেটা	১। ৰৰপেটা	ভেলালদি হাৰিয়ালি-১
	২। ৰজালী	হাঠিনাপুৰ হাৰিয়ালি
	৩। গোবৰ্দ্ধনা	বুঢ়ানদী হাৰিয়ালি
	৪। চেঙ্গা	বগুৰিগুৰী হাৰিয়ালি
	৫। মন্দিয়া	সত্রকনৰা হাৰিয়ালি
	৬। সৰুক্ষেত্রী	সৰুক্ষেত্রী IWDP
	৭। পাকাবেতবাৰী	বেটবাৰী হাৰিয়ালি
মৰিগাওঁ	১। মায়ং	মায়ং IWDP-I
	২। ভূৰবন্ধা	মৰা কলং - II
	৩। লাহৰিঘাট	লাহৰিঘাট IWDP-III
	৪। কপিলি	কপিলি IWDP-IV
	৫। মৈৰাবাৰী	মৈৰাবাৰী - V

জিলাৰ নাম	উন্নয়ন খণ্ডৰ নাম	আঁচনিৰ নাম
কোকৰাঝাৰ	১। কোকৰাঝাৰ	গৌৰাঙ্গ চিৰাং Watershed
	২। চিদলি চিৰাং	(ক) ঘাই টেকেলি Watershed
		(খ) ভুৰ ৰিভাৰ (Uper portion) W/S
		(গ) ভূৰ ৰিভাৰ (Lower portion) W/S
	৩। দটমা	হেল-লংগা W/S
	৪। কচুগাওঁ	(ক) জকোটি কাওৰা W/S
		(খ) জোনালী মোজাতি W/S
	৫। গোসাইগাওঁ	গৰুফেলা গাংপিয়া W/S
	৬। হটিধূড়া	হাড়াফুটা ডমৰা W/S
নগাওঁ	১। ৰহা, দলংঘাট আৰু বটদ্ৰৱা	শান্তিজান আইৰাৰাট IWDP
	২। জুগিজান আৰু ঢোলপুখুৰী	ডিমাৰু-লংকাজান IWDP
	৩। ওদালি আৰু লামডিং	খিৰাং-খিৰাং IWDP
	৪। বাজিয়াগাওঁ	IWDP Project-V
	৫। লাওঁখোৱা	IWDP Project-VI
	৬। জুৰিয়া	IWDP Project-VII
	৭। খাগৰিজান	IWDP Project-VIII
	৮। কঠিয়াতলী	IWDP Project-IX

জিলাৰ নাম	উন্নয়ন খণ্ডৰ নাম	আঁচনিৰ নাম
নগাওঁ	৯। বিনাকান্দি	IWDP Project-X
	১০। জিলা গ্ৰামীন অভিকৰণ, নগাওঁ	কলং Watershed of বঢ়মপুৰ উঃ খণ্ড
যোৰহাট	১। নৰ্থ-ওৱেষ্ট যোৰহাট	ইলেংমোৰা IWDP
	২। তিতাবৰ	বেকাজান IWDP
	৩। যোৰহাট	চিৰাখাটি হাৰিয়ালী
	৪। কলিয়াপানি	পুঠিনদী হাৰিয়ালী
	৫। চেণ্ট্রেল যোৰহাট	দেহজান
	৬। উজনি মাজুলী	উজনি মাজুলী হাৰিয়ালী
উঃ কাছাৰ	১। বৰখোলা	কাছাৰ IWDP-II
	২। উদৰবন্দ	উদৰবন্দ হাৰিয়ালী - III
	৩। ৰাজাবাজাৰ	ৰাজাবাৰী হাৰিয়ালী - IV
	৪। কাছাৰ জিলা গ্ৰামীন অভিকৰণ	কাছাৰ IWDP-I
কাছাৰ পাৰ্বত্য	১। মাহুৰ	হিমাংকি
	২। মাহুৰ	ডিজাম মতী দিয়ুং
	৩। মাহুৰ	তামৰুং
	৪। মাইবং	দিয়াং ভেলী
	৫। হাৰাগাংবাৰ্ত্তি	ৰবি নুলাহ

জিলাৰ নাম	উন্নয়ন খণ্ডৰ নাম	আঁচনিৰ নাম
কাছাৰ পার্বত্য	৬। ডিগাংগ্রা	ডিথুৰ দিয়াং
	৭। এচ, এল, ঢাংবাৰ	কলিপি ভেলী
লক্ষীমপুৰ	১। লক্ষীমপুৰ, তেলাহী, বগী নদী	ধলসাগৰ-১
	২। লক্ষীমপুৰ	ৰঙানদী-২
	৩। নাৰায়ণপুৰ	হাৰিয়ালী-৩
	৪। কৰুণাবাৰী	হাৰিয়ালী-৪
	৫। তেলাহী	হাৰিয়ালী-৫
ধেমাজি	১। চিচি বৰগাওঁ	ঘাইনদী - I
	২। - ঐ	বুঢ়ীসুতি .- II
	৩। বৰদলনী	হাৰিয়ালী Project-III
ডিব্রুগড়	১। জয়পুৰ	মেৰবিল কেন্দুগুৰি
	২। খোৱাং	হালধিবাড়ী চহৰীকোটা IWDP
	৩। লাহোৱাল	টিমোনাচেচা
	৪। বৰবৰুৱা	বৰবৰুৱা হা.ৰিয়ালী
	৫। পানীতোলা	পানীতোলা হাৰিয়ালী
	৬। বৰবৰুৱা	জোৱাই হাৰিয়ালী
	৭। বৰদলনী	বৰদলনী

জিলাৰ নাম	উন্নয়ন খণ্ডৰ নাম	আঁচনিৰ নাম
হাইলাকান্দি	১। কাটলিচেৰা	চৰচপুৰী কাটলিচেৰা
	২। দক্ষিণ হাইলাকান্দি	কৰিকৰা IWDP
	৩। লালা	ইষ্ট হাইলাকান্দি IWDP (হাৰিয়ালী)
নলবাৰী	১। বৰক্ষেত্ৰী	বৰক্ষেত্ৰী IWDP-I
	২। পশ্চিম নলবাৰী	মৰা-পাগলাদিয়া IWDP-II
	৩। বৰমা	নলবাৰী - III
	৪। তামুলপুৰ	নলবাৰী - IV
	৫। বড়িগোগ-বনভাগ	নলবাৰী - V
	৬। পূৱ-নলবাৰী	নলবাৰী - VI
	৭। টিহু	নলবাৰী - VII
	৮। ধমধমা	নলবাৰী - VIII
	৯। মধুপুৰ	নলবাৰী - IX
	১০। বৰভাগ	নলবাৰী - X
	১১। বাচ্‌কা	নলবাৰী - XI
	১২। নাগৰিজুলী	নলবাৰী - XII
ধুবুৰী	১। গৌৰীপুৰ	গোলাকাটা IWDP
	২। মহামায়া	ধৰ্মশালা
	৩। দক্ষিণ শালমাৰা	দক্ষিণ শালমাৰা

জিলাৰ নাম	উন্নয়ন খণ্ডৰ নাম	আঁচনিৰ নাম
গোলাঘাট	১। সৰুপথাৰ	দৈয়াং IWDP-I
	২। কাকদংগা	গেলাবিল - II
	৩। গমাৰিগুৰি	গিলাধাৰী - III
	৪। গোলাঘাট পশ্চিম	গোলাঘাট - IV
	৫। ঐ	গোলাঘাট - V
	৬। কাকদংগা	গোলাঘাট - VI
	৭। মৰঙ্গী	গোলাঘাট - VII
	৮। গমাৰিগুৰি	গোলাঘাট - VIII
কৰিমগঞ্জ	১। দুর্লভচেৰা	কৰিমগঞ্জ - I
	২। আৰ, কে, নগৰ	কৰিমগঞ্জ - II
	৩। বদৰপুৰ	কৰিমগঞ্জ - III
	৩। দঃ কৰিমগঞ্জ	কৰিমগঞ্জ - IV
	৪। লোৱাৰপোৱা	কৰিমগঞ্জ - V
	৫। পাথাৰকান্দি	কৰিমগঞ্জ - VI

ANNEXURE – II

Action Plan for Hariyali (IWDP) Project against 1st Installment (Central & State Share) for the year 2005-06 **(Corrected)**

Total and Available for words Component :-

a) Central Share Rs. 28.50 Lakhs
State Share Rs. 1.50 Lakhs
Total = 30.00 Lakhs

Source of Fund	Name of Micro Watershed	Name of Scheme/Words	Amount (Rs. in Tha.)
Central Share	**A. Geruapara**	1. Contour and graded bundh from Maisham Ali house to Karim bepari house.	65,500.00
		2. Contour and graded bundh from Ashan Ali house to Ajasastra village.	73,360.00
		3. Contour and graded bundh from Teklarjan level gate to Nuru's house.	65,500.00
		4. Diversion structure at Teklarjan level gate	20,000.00

Contd.....

Source of Fund	Name of Micro Watershed	Name of Scheme/Words	Amount (Rs. in Tha.)
Central Share	**A. Geruapara**	5. Diversion structure near Saijuddin Ali's house to Teklarjan.	20,000.00
		Total :-	**2,44,360.00**
	B. Hathinapur	1. Contour and graded bundh from Basanta Patgiri's Agril land to Ramesh Choudhury's Agril land.	1,04,800.00
		2. Agril Bund from Mainamati Bazar to north direction.	91,700.00
		3. Farm pond at Medhikuchi reserve.	60,000.00
		4. Diversion structure at 3 different points at Hathinapur.	60,000.00
		5. Afforestation at Uttar Hathinapur near Hathinapur L.P. School.	62,500.00
		6. Horticultural Garden at Pankaj Patgiri's land.	1,00,000.00
		7. Repairing of office of the Hathinapur Hariyali (IWDP) Project at Hathinapur.	62,000.00

Source of Fund	Name of Micro Watershed	Name of Scheme/Words	Amount (Rs. in Tha.)
	B. Hathinapur	8. Waiting shed cum Rest house at near Mainamati Bazar.	90,000.00
		9. Water Harvesting bandh at Mainamati Bazar.	70,835.00
		10. Hathinapur Hariyali office (IWDP) Project (Drinking water facilities).	7,980.00
		11. Dakshin Hathinapur Maszid (Drinking water facilities).	7,980.00
		12. Nabarup Sangha (Drinking water facilities).	7,980.00
		13. Gully Plug.	1,50,000.00
		Total :-	**8,75,775.00**
State Share	**C. Cheki**	1. Contour and graded bundh from Ajit Roy's house at Mainajan.	1,04,800.00
		2. Agri Bundh from Cheki to South direction.	1,04,800.00
		3. Water harvesting bandh at Vill. Cheki over Digjira jan.	45,245.00
		Total :-	**2,54,845.00**

Contd.....

Source of Fund	Name of Micro Watershed	Name of Scheme/Words	Amount (Rs. in Tha.)
	D. Dumuria	1. Diversion canal from Pub Denartarys to Pachim Denartary.	1,39,500.00
		2. Diversion canal at highway to Railway passing at Charalpara.	46,500.00
		3. Nullah bund at Pub Denartary village near Kartik Das house.	1,12,000.00
		4. Nullah bund from Tarapad Das house to Pachim Denertary.	1,12,000.00
		5. Horticultural garden at Charalpara near Upen Das house.	1,50,000.00
		6. Central nursery cum multi purpose plantation scheme.	60,000.00
		Totai :-	**6,20,000.00**
	E. Puthimari	1. Farm pond at Pub Hastinapur College, Puthimari.	1,20,000.00

Source of Fund	Name of Micro Watershed	Name of Scheme/Words	Amount (Rs. in Tha.)
		2. Afforestation at Pub Hathinapur College at Puthimari.	37,040.00
		3. Puthimari Goshaighar. (Drinking water facilities)	7,980.00
		Total :-	**1,65,020.00**
	E. Singimary	1. Renovation of farm pond at Vill. Dalimarvitha	90,000.00
		2. Plantation of different kinds of tree around the Irrigation Structure at Laogaon.	1,50,000.00
		3. Plantation of Assam Lemon and Banana for the user group's of Singimary W.C near Sri Homeswar Thakuria at Singimary.	1,25,000.00
		4. Horticulture garded for the user groups of Singimary W.C near Sri Bhubaneswar Kalita at Singimary.	1,25,000.00
		Total :-	**4,90,000.00**

Source of Fund	Name of Micro Watershed	Name of Scheme/Words	Amount (Rs. in Tha.)
	G. Kadamtala	1. Plantation of Eco-environment near the G.P. office of Chauliabary at Kadamtala.	1,25,000.00
		2. Horticulture garden around the community fishery of vill. Kadamtala near Mohar Ali's Paddy field	
		Total :-	**2,50,000.00**
	H.Chauliabary	1. Horticulture garden for the user groups of vill. Chauliabary near Brajan Patgiri House.	1,00,000.00
		Total :-	**1,00,000.00**

Grand Total (Central+State Share)
(A+B+C+D +E+F+G+H) **Rs. 30,00,000.00**

P.D.
DRDA Barpeta

ANNEXURE – III

Memo No. 1138 (S) 2007/2695 Dated Guwahati the 7/8/07

This registration however does not make the Registrar liable for any default / liability on loan from Banks Private Societies, Govt. and Semi-Govt. Sources of payment of I.T. and Sales Tax, as the case may be created by the society.

Financial Institutions, Govt. and Semi-Govt. Depts. extending financial Grants-in-aids etc. to the Society shall send copies of such sanctions to the Registrar for his record.

सत्यमेव जयते

OFFICE OF THE REGISTRAR OF FIRMS & SOCIETIES, ASSAM. GUWAHATI

CERTIFICATE OF REGISTRATION OF SOCIETIES

ACT XXI OF 1860

No. RS/ BAR/237/H/148. of 2007.

I hereby Certify that CHAULABARI WATERSHED ASSOCIATION.
Vill & P.O.Chaulabari, Dist-Barpeta.
Assam.

has this day been registered under the Societies Registration Act, XXI of 1860.

Given under my hand at Guwahati.
this Twenty seventh. *day of*
Two thousand seven.

VALID UP-TO 26-07-2010.

VALIDITY EXTENDED UP-TO ----------

(P.C.SAIKIA.)
REGISTRAR OF SOCIETIES, ASSAM.
GUWAHATI.
7/8/07

N. B. - Registered number of Societies should not be stated as Government registered. It is registered under S. R. Act. XXI of 1860.

please read carefully the rules written overleaf.

-ঃ সাধাৰণ সভা ঃ-

তাৰিখ ঃ ৮/১২/০৬ ইং

সময় ঃ আবেলি ৩ (তিনি) বজাত

স্থান ঃ চাউলীয়া বড়ী গাওঁ পঞ্চায়ত কার্য্যালয়

-ঃ কার্য্যসূচী ঃ-

১। সভাপতি নির্বাচন

২। সভাৰ উদ্দেশ্য ব্যাখ্যা।

৩। ৰাইজৰ বক্তব্য।

৪। জলচ্ছেদ প্রকল্প ব্যৱস্থা গঠন ও আঁচনি সম্পর্কে আলোচনা।

৫। সভাপতিৰ বক্তব্য ও মন্তব্য।

৬। সভা ভংগ।

-ঃ উপস্থিত ৰাইজৰ চহী ঃ-



-ঃ উপস্থিত ৰাইজৰ চহী ঃ-



-ঃ উপস্থিত ৰাইজৰ চহী ঃ-



ঃ উপস্থিত ৰাইজৰ ৰাচহী ঃ



আজি ৮/১২/০৬ ইং তাৰিখে আবেলি ৩ (তিনি) বজাত চাউলীয়া বড়ী গাওঁ পঞ্চায়ত কার্য্যালয়ত চাডলীয়া বড়ী জলচ্ছেদ সংস্থা গঠন সম্পর্কত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে বিশিষ্ট সমাজসেৱিকা মাননীয়া শ্রীউষাৰাণী স্বর্গীয়াৰী ডাঙৰীয়ানীয়ে। আৰু সভাৰ উদ্দেশ্য ব্যাখা কৰে শ্রীমহৎ কলিতা ডাঙৰীয়াই। সভাত উপস্থিত বাইজৰ পৰামর্শ অনুসৰি তলত দিয়া প্রস্তাৱসমূহ গ্রহণ কৰা হয়।

প্রথম প্রস্তাৱ ঃ- প্রথম প্রস্তাৱ মতে বাইজৰ মতামত অনুসৰি চাউলীবড়ী জলচ্ছেদ সংস্থা গঠন কৰাৰ পোষকতা কৰে আৰু সাধাৰণ সভাৰ পৰাই তলত দিয়া ধৰণে জলচ্ছেদ সংস্থাটো গঠন কৰা হয়।

সভাপতি — শ্রীউষাৰাণী স্বর্গীয়াৰী

প্রস্তাৱক — শ্রীহেমন্তী ৰয়

সমর্থক — শ্রীমহৎ কলিতা

সদস্যবৃন্দ — ১। শ্রীমহৎ কলিতা

২। ফুলেন কলিতা

৩। শ্রৱৎ স্বর্গীয়াৰী

৪। শ্রীজ্ঞানেন্দ্র ডেকা

৫। ৰিনোদ বড়ো

৬। টুটু ডেকা

৭। শ্রীহেমন্তী ৰয়

৮। তালেৰ আলী

৯। অকণ দৈমাৰী

১০। ওমৰ আলী

১১। বিমলা স্বৰ্গীয়াৰী

১২। গুণী শেখ

১৩। তাউজুদ্দিন আলী

১৪। অৰ্চ্চনা তালুকদাৰ

১৫। শ্রীবিপুল বড়ো

১৬। মীনা দাস

১৭। আক্কাচ আলী

১৮। সুনীতা দাস

১৯। শ্রীৰাজীৰ স্বৰ্গীয়াৰী

২০। মিনতী কলিতা

২১। ফকৰুদ্দিন আলী

২২। প্রণৱ কলিতা

২৩। অনু দাস

২৪। শ্রীনৱ কলিতা

২৫। আদুৰী দাস

২৬। শ্রীখনিন মেধী

২৭। চিন্তামণি মণ্ডল

২৮। শ্রীকমলেশ্বৰ বসুমতাৰী

২৯। শ্রীকামনা দাস

৩০। শ্রীদিনেশ ৰয়

লগতে আজিৰ সভাই সর্বসন্মতি ক্রমে গাওঁ পঞ্চায়তৰ গাঁওসভা খনৰ মাজৰ পৰা চাউলীয়া বড়ী জলচ্ছেদ সংস্থাটো গঠন কৰে আৰু সম্পাদক হিচাপে আজিৰ সভাই শ্রীমহৎ কলিতাক মনোনীত কৰে।

দ্বিতীয় প্রস্তাৱ ঃ- চাউলীয়া বড়ী জলচ্ছেদ আঁচনি আৰু নীতি-নিয়ম অনুসৰি সকলো কার্য্য সম্পাদন কৰিবলৈ আজিৰ কার্য্যকৰী সভাক দায়িত্ব অর্পণ কৰে। লগতে জলচ্ছেদ সংস্থাটো পঞ্জীয়নভুক্ত কৰিবলৈ সভাপতি আৰু সম্পাদকক দায়িত্ব অর্পণ কৰে।

তৃতীয় প্রস্তাৱ ঃ- আজিৰ সভাই চাউলীয়া বড়ী জলচ্ছেদ সমিতিৰ আগন্তুক পাঁচ বছৰৰ কাৰণে এই অঞ্চলৰ আর্থ-সামাজিক উন্নয়নৰ প্রতি লক্ষ্য ৰাখি আঁচনি প্রস্তুত কৰিবলৈ পিছৰ কার্য্যকৰী সমিতিত দাখিল কৰিবলৈ দায়িত্ব অর্পণ কৰে।

